www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

# অসম বাৰ্তা

স্বধৰ্মৰ বাহিৰে আনৰ ধৰ্মক বেয়া বুলি ভবা বেয়া। নানা বাটেদি গৈয়া ঈশ্বৰৰ ওচৰত প্ৰৱেশ কৰিব পাৰি। – ৰামকৃষ্ণ পৰমহংস

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ২১৮ ▫ বুধবাৰ ▫ ১৭ জুন, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 218 ▫ Wednesday ▫ 17th June, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8

সাম্প্ৰতিক

## ৰূপকোঁৱৰৰ - বহুমাত্ৰিক অভ্ৰভেদী সৃষ্টি প্ৰতিভা

✍ হিমাংশু ৰণ্জন ভূঞা

যি কেইগৰাকী ব্যক্তি অবিহনে আমি কুৰি শতিকাৰ অসমৰ সমাজ-সংস্কৃতিক সামগ্ৰিকতাৰে চাব নোৱাৰোঁ, 'ৰূপকোঁৱৰ' জ্যোতিপ্ৰসাদ তাৰে ভিতৰত অন্যতম। জ্যোতিপ্ৰসাদৰ জীৱনকালছোৱা অসমৰ বাবে অত্যন্ত সংগ্ৰামমুখৰ গুৰুত্বপূৰ্ণ কাল। ১৯০৩ চনত সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা জোনাকী আলোচনী পুনৰ প্ৰকাশ পায়; সেই বৰ্ষতে জ্যোতিপ্ৰসাদৰ জন্ম হয় তেজপুৰত। কীৰ্তন পুথিখন ছপা ৰূপত প্ৰকাশ কৰি অসমীয়া জাতীয় ঐতিহ্যক নতুন মাত্ৰা দিওঁতা হৰিবিলাস আগৰৱালা আৰু জোনাকী আলোচনীৰ প্ৰথম সম্পাদকৰূপে অসমৰ বুকুলৈ অকণমান জোনাক সোমোৱাৰ প্ৰচেষ্টাত আত্মনিয়োগ কৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে অসম হিতৈষী ব্যক্তিৰ সাংস্কৃতিক বিত্তৱান পৰিয়ালত জ্যোতিপ্ৰসাদৰ জন্ম। জ্যোতিপ্ৰসাদৰ শৈশৱ-কৈশোৰ পাৰ হৈছিল এক ক্ৰান্তিকাৰী সময়ৰ কোলাত।

এই সময়খিনি ভাৰতীয় সমাজ আধুনিক যুগলৈ উত্তৰণৰ সময়। অসমো আধুনিকতাৰ বাৰ্তাৰে নতুন চেতনাৰে উজ্জীৱিত হ'বলৈ লোৱাৰ সময়। ব্ৰিটিছ প্ৰশাসনৰ সহযোগিতাৰে অসমৰ উন্নতিৰ সপোন দেখা Assam Associationৰ মঞ্চত একগোট হোৱা অসমীয়া মধ্যশ্ৰেণীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ▫ ৭ পৃষ্ঠাত

২২ জুনলৈকে এপটো ব্যৱহাৰত নিষেধাজ্ঞা; চাইবাৰ গেঙৰ বিৰুদ্ধে কঠোৰ অভিযান

# টেলিগ্ৰাম নিষিদ্ধৰে পুনঃ নীট পৰীক্ষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ** অহা ২১ জুনত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পাত্ৰতা পৰীক্ষা (নীট-ইউজি) ২০২৬ৰ পুনঃপৰীক্ষা নিৰাপদ আৰু ন্যায্য কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্তগ্ৰহণ কৰিছে। ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ে জনপ্ৰিয় মেছেজিং এপ্লিকেছন টেলিগ্ৰামৰ ব্যৱহাৰ আগন্তুক ২২ জুনলৈকে ভাৰতত সাময়িকভাৱে নিষিদ্ধ ঘোষণা কৰিছে। লগতে, এপটোৰ বাৰ্তা সম্পাদনা বৈশিষ্ট্যও ৩০ জুনলৈকে নিষ্ক্ৰিয় কৰি ৰখা হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ (এনটিএ) পৰামৰ্শৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে এই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰে। বিভিন্ন চাইবাৰ গেঙে টেলিগ্ৰামৰ 'পেপাৰ লিকড নীট' আৰু 'ৰি-নীট ২০২৬' শীৰ্ষক চেনেল আৰু গোটসমূহ সৃষ্টি কৰি পৰীক্ষাৰ্থীসকলক প্ৰশ্নকাকত ফাদিল হোৱাৰ উৰাবাতৰি দেখুৱাই বৃহৎ পৰিমাণৰ ধন আদায় কৰি থকা বুলি তদন্তকাৰী সংস্থাসমূহে ▫ ৬ পৃষ্ঠাত




সাম্প্ৰতিক

## ৰূপকোঁৱৰৰ 'জন্ম দিৱস' উদযাপন, কিছু প্ৰাসংগিক চিন্তা

✍ শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ



সংস্কৃতিৰ পূজাৰীয়েই শিল্পী। শিল্পীয়ে মৃত্যুক জয় কৰি অমৰ হৈ চিৰদিনৰ মানুহৰ মাজত পোহৰ বিলায়। কিন্তু শিল্পীৰ পোহৰবোৰ বেলিৰ পোহৰৰ দৰে নহয়। শিল্পীৰ জীৱনী, শিল্পীৰ চিন্তা, শিল্পীৰ সুন্দৰ সৃষ্টি অধ্যয়ন কৰি সেইবোৰৰ অনুশীলন আৰু অনুকৰণৰ মাজেৰে আমি সেই পোহৰ পাব পাৰো। তেনে এগৰাকী সংস্কৃতিৰ পূজাৰী মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ বিষয়ে আমি কৈ কেতিয়াও ওৰ পেলাব নোৱাৰোঁ। সেয়েহে তেখেতৰ কৰ্মৰাজি আৰু সৃষ্টিৰাজিৰ ওপৰত ব্যাখ্যা কৰিব বিচৰা নাই, ব্যাখ্যা কৰিব বিচাৰিছোঁ তেখেতৰ "জন্ম দিৱস" উদযাপনৰ সন্দৰ্ভত।

১৭ জুন। ১৯০৩ চনৰ আজিৰ এই দিনটোতেই অসমৰ বুকুত আবিৰ্ভাৱ হৈছিল অসম তথা ভাৰতবৰ্ষৰ প্ৰবাদ পুৰুষ সংস্কৃতিৰ পূজাৰী শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ। এনে ▫ ৬ পৃষ্ঠাত

# প্ৰধানমন্ত্ৰী মোদীৰ বিদেশী সন্মানত গৌৰৱান্বিত অসমীয়া জনতা ঃ দিলীপ শইকীয়াৰ প্ৰতিক্ৰিয়া



### গুৱাহাটীৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত বিজেপিৰ তিনিদিনীয়া বিশেষ প্ৰদৰ্শনী আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্লোভাকিয়া দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান লাভ কৰাত সমগ্ৰ দেশবাসীৰ লগতে অসমবাসীও গৌৰৱান্বিত হৈছে বুলি আজি মন্তব্য কৰে অসম বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। গুৱাহাটীৰ বৰাগাঁও অঞ্চলত অৱস্থিত শ্বহীদ স্মাৰক ক্ষেত্ৰত আয়োজিত এখনি বিশেষ প্ৰদৰ্শনীৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি শইকীয়াই সাংবাদিকৰ আগত কয়, "শ্লোভাকিয়া চৰকাৰে প্ৰধানমন্ত্ৰী ▫ ৬ পৃষ্ঠাত

## ব্ৰিটিছ লাইব্ৰেৰীত 'আসাম বিলাসিনী' ব্ৰিটিছ মিউজিয়ামত বৃন্দাৱনী বস্ত্ৰ প্ৰত্যক্ষ কৰি আৱেগিক সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী

### ব্ৰিটিছ সংসদত অনুষ্ঠিত হ'বলগীয়া বিশেষ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে লণ্ডনত উপস্থিত সত্ৰাধিকাৰ গৰাকী



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুন ঃ** ব্ৰিটিছ সংসদত অনুষ্ঠিত হ'বলগীয়া বিশেষ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে লণ্ডনত উপস্থিত থকা আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে কালি ব্ৰিটিছ লাইব্ৰেৰী আৰু ব্ৰিটিছ মিউজিয়াম ভ্ৰমণ কৰে। এই সময়ত ▫ ৬ পৃষ্ঠাত

## মানকাচৰৰ ৯৮ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী

### চৰকাৰী নীতি অমান্য কৰি বিদ্যালয়ত অনুপস্থিত থকাৰ অভিযোগ

অনুমোদিত ছুটী নোলোৱাকৈ দীৰ্ঘদিনীয়া অনুপস্থিতি; বিভাগীয় কৰ্তৃপক্ষৰ কঠোৰ পদক্ষেপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৰছ জুন:** চৰকাৰীভাৱে নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অমান্য কৰি বিদ্যালয়ত অনুপস্থিত থকা গুৰুতৰ অপৰাধৰ বাবে মানকাচৰ শিক্ষাখণ্ডৰ ৯৮ গৰাকী ▫ ৬ পৃষ্ঠাত

# ফ্ৰান্সৰ অনুদানৰ ধনৰ অপব্যৱহাৰ বন বিভাগৰ

### এপিএফবিচি প্ৰকল্পত আইএফএছ বিষয়াৰ বিৰুদ্ধে দুৰ্নীতিৰ গুৰুতৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ জুন ঃ** অসম চৰকাৰৰ বন বিভাগৰ ফ্ৰান্সৰ অনুদানৰ পুঁজিৰে চলোৱা "অসম বন আৰু জৈৱবৈচিত্ৰ্য সংৰক্ষণ সমিতিৰ ওপৰত অসম প্ৰকল্প (APFBC)" প্ৰকল্পৰ তথ্য আৰু তথ্য জনাৰ অধিকাৰ আইনৰ নথিৰ ভিত্তিত বহু ঠাইত অবৈধ আৱণ্টন আৰু পুঁজিৰ অপব্যৱহাৰৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে পূৰ্বৰ পৰাই বন বিভাগত গছপুলি ৰোপণ আদিৰ নামত কোনো ধৰণৰ ঠিকা ব্যৱস্থাপনা নাছিল যদিও প্ৰথম বাৰৰ বাবে বন বিভাগৰ নিয়ম ভংগ কৰি একমাত্ৰ কমিচনৰ অংকত পি ডব্লিউ ডি বিভাগৰ টপ ক্লাছ ঠিকাদাৰৰ দ্বাৰা ২০২১ চনত, তেজপুৰত প্ৰায় ৩৬ কোটি টকা, শিলচৰত প্ৰায় ১২ কোটি টকা, বঙাইগাঁৱত প্ৰায় ১৬ কোটি টকা, যোৰহাটত প্ৰায় ২২ কোটি টকা, কোকৰাঝাৰত প্ৰায় ১৬ কোটি টকা আৰু হাফলং জিলাত প্ৰায় ৩৪ কোটি টকাৰ বৃক্ষৰোপণ আৰু ফেন্সিঙৰ ঠিকা প্ৰদান কৰা হৈছিল বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ঠিকা কৰা ঠিকাদাৰসকলৰ ▫ ৬ পৃষ্ঠাত




## বছৰৰ প্ৰথমটো বানৰ কবলত ধেমাজিৰ বিস্তীৰ্ণ অঞ্চল

### পাঠদান বন্ধ একাধিক বিদ্যালয়ৰ; কঠীয়া নষ্ট খেতিয়কৰ



**অসম বাৰ্তা, ধেমাজি, ১৬ জুন ঃ** ধেমাজি জিলাৰ গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৫খনৰ অধিক গাঁও এতিয়া বানৰ কবলত। ইয়াৰে প্ৰায়বোৰ গাঁও নতুনকৈ বানত বুৰ গৈছে আহাৰৰ প্ৰথম বানতে। একাধিক স্থানত ছিগিছে গাইড বান্ধ-ৰাস্তা। চৰকাৰৰ ছত্ৰছায়াত পালমৰা বান্ধৰ কামৰ বাবে এই অৱস্থা বুলি অভিযোগ স্থানীয় ৰাইজৰ। বিশেষকৈ ▫ ৬ পৃষ্ঠাত

সাম্প্ৰতিক

## শিল্প, সমাজ আৰু সাংস্কৃতিক সংগ্ৰামী ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালা

✍ শৰৎ চন্দ্ৰ চিৰিংফুকন

আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱস। ১৯০৩ চনৰ আজিৰ তাৰিখত অৰ্থাৎ ১৭ জুনৰ এটি শুভক্ষণত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহবাগিচাত। দেউতাক পৰমানন্দ আৰু মাতৃদেৱী কিৰণময়ী দেৱীৰ এটি ৰূপে-গুণে বিভূষিত সুযোগ্য সন্তান এয়া জ্যোতিপ্ৰসাদ। জ্যোতিপ্ৰসাদৰ নাম, কাম, চিন্তা-গৱেষণা আৰু প্ৰতিভা-মনীষা আদি ▫ ৬ পৃষ্ঠাত

## জলশক্তি মন্ত্ৰী পাটিলক অসমৰ ২৭ লাখ হেক্টৰ সম্ভাৱ্য জলসিঞ্চন ভূমিৰ তথ্য মন্ত্ৰী পীযুষ হাজৰিকাৰ



### ৰাজ্যৰ জলসিঞ্চন আৰু কৃষি খণ্ডৰ বিকাশৰ বাবে দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীৰে বৈঠক

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ** অসমৰ জলসিঞ্চন ব্যৱস্থা আৰু কৃষিখণ্ডৰ সমগ্ৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰে। ৰাজ্যৰ জলসিঞ্চন, কৃষি আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নতুন দিল্লীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিল আৰু কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানক পৃথকভাৱে সৌজন্য সাক্ষাৎ কৰে। ৰাজ্যখনৰ কৃষি আন্তঃগাঁথনি আৰু জলসম্পদ ব্যৱস্থাপনাক অধিক বিজ্ঞানসন্মত আৰু শক্তিশালী কৰি তুলিবলৈ এই বৈঠক দুখন অত্যন্ত গুৰুত্বপূৰ্ণ ▫ ৬ পৃষ্ঠাত

পেপাৰ লিক আৰু নিযুক্তি প্ৰক্ৰিয়াত বিলম্বক কেন্দ্ৰীয় চৰকাৰৰ ব্যৰ্থতা

# ১৭ জুনত আৰম্ভ হ'ব ছাত্ৰ আন্দোলন

ৰাজস্থানৰ কোটাত যুৱ সমাৱেশ; লাখ লাখ যুৱক-যুৱতীৰ সপোন চুৰ কৰা কাৰ্য বন্ধ কৰিবলৈ একত্ৰিত হ'বলৈ আবেদন




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুন ঃ** প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত বাৰে বাৰে প্ৰশ্নকাকত ফাদিল হোৱা, পৰীক্ষা বাতিল কৰা আৰু নিযুক্তি প্ৰক্ৰিয়াত অবৈধ বিলম্ব ঘটোৱাৰ বাবে আজি কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছ নেতা তথা প্ৰাক্তন সভাপতি ৰাহুল ▫ ৬ পৃষ্ঠাত

## তৰাৱতী মিলি বড়িলৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা স্মাৰক বঁটা-২০২৬



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ জুন ঃ** অসমীয়া ভাষা-সংস্কৃতিৰ অতুলনীয় সাধক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শিল্প-সংস্কৃতিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ব্যক্তিসকলক সন্মানিত কৰাৰ উদ্দেশ্যে এক অভিনৱ যৌথ উদ্যোগ গ্ৰহণ কৰিছে অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘই। এইবৰ্ষত 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা স্মাৰক বঁটা-২০২৬' ৰে সন্মানিত কৰা হ'ব ধেমাজি জিলাৰ বিশিষ্ট লোকশিল্পী তৰাৱতী মিলি বড়িক। আগন্তুক ২০ জুনত ধেমাজি জিলাৰ গোগামুখ ▫ ৬ পৃষ্ঠাত




## ভৌগোলিক স্বীকৃতি লাভ অৰুণাচলৰ ২০ বিধ থলুৱা সামগ্ৰীৰ



পৰম্পৰাগত জ্ঞান আৰু থলুৱা শিল্পকৰ্মক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ জুন ঃ** নিজৰ চহকী সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত জ্ঞান আৰু থলুৱা শিল্পকৰ্মক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ দিশত এক বৃহৎ সাফল্য অৰ্জন কৰি অৰুণাচল প্ৰদেশে বৰ্তমান ২০ বিধ ভৌগোলিক ইংগিত (GI) পঞ্জীয়নভুক্ত সামগ্ৰীৰ গৌৰৱ অৰ্জন কৰিছে। ২০১৪-১৫ চনত 'অৰুণাচল কমলা' আৰু 'ইদু মিশ্ৰী বস্ত্ৰশিল্প'ৰ জৰিয়তে আৰম্ভ হোৱা এই ▫ ৬ পৃষ্ঠাত

## বড়োলেণ্ড শ্বহীদৰ পৰিয়ালবৰ্গলৈ বিটিচি চৰকাৰৰ আৰ্থিক সাহায্য

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৬ জুন ঃ** কোকৰাঝাৰস্থিত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ উদ্যোগত আজি ওদালগুৰিৰ বিষ্ণু ৰাভা কৃষ্টি ▫ ৬ পৃষ্ঠাত



প্ৰথম পৰ্যায়ত ওদালগুৰিত ২০৪ গৰাকী হিতাধিকাৰীক প্ৰতিগৰাকীক ৫ লাখ টকাৰ চেক বিতৰণ

# তিনি বছৰত শূন্য গঁড়-বাঘ নিধন

### ঐতিহাসিক সফলতা বুলি ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰখনত বন্যপ্ৰাণী চিকাৰ সম্পূৰ্ণৰূপে বন্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ জুন ঃ** অসমৰ বন্যপ্ৰাণী সংৰক্ষণৰ ইতিহাসত এক অভূতপূৰ্ব তথা ঐতিহাসিক সফলতা লাভ কৰিছে ৰাজ্য চৰকাৰে। ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতিপ্ৰাপ্ত মানস ৰাষ্ট্ৰীয় উদ্যানত বিগত তিনি বছৰ ধৰি একেলেঠাৰিয়ে গঁড় আৰু বাঘ চিকাৰৰ এটাও ঘটনা সংঘটিত হোৱা নাই। মঙলবাৰে এই জৰুৰী আৰু আনন্দদায়ক ▫ ৬ পৃষ্ঠাত



# সৰুপথাৰ মহাবিদ্যালয়ৰ "কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ"ৰ উদ্যোগত ছহিদ কুশল কোঁৱৰৰ ৮৩ সংখ্যক মৃত্যু তিথি উদ্‌যাপন

## "ছহিদ কুশল কোঁৱৰ" নামেৰে গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৫ জুন ঃ** অসমৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম বীৰ ছহিদ কুশল কোঁৱৰৰ ৮৩সংখ্যক মৃত্যু তিথি উপলক্ষে ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ সমান্তৰালভাৱে সৰুপথাৰ মহাবিদ্যালয়ৰ "কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ"ৰ উদ্যোগতো দিনজোৰা কাৰ্যসূচীৰে গাম্ভীৰ্যপূৰ্ণভাৱে বীৰ ছহিদজনৰ ৮৩সংখ্যক স্মৃতি দিৱসটি উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে এখন বিশেষ গ্ৰন্থ উন্মোচনী সভাৰো আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই আঁত ধৰা অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, বীৰ ছহিদ কুশল কোঁৱৰৰ নাতি মৃদুল কোঁৱৰ, মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰ আদিয়ে বীৰ ছহিদ গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে। তেওঁ নিজৰ ভাষণত বীৰ ছহিদ কুশল কোঁৱৰৰ আদৰ্শ, ত্যাগ আৰু দেশপ্ৰেমৰ চেতনাক নতুন প্ৰজন্মৰ মাজত অধিকভাৱে প্ৰচাৰ আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছত উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু বিধায়ক বিশ্বজিৎ ফুকনে বীৰ ছহিদ কুশল কোঁৱৰৰ জীৱন, আদৰ্শ, স্বাধীনতা সংগ্ৰামত তেওঁৰ অনন্য অৱদান আৰু দেশৰ বাবে আগবঢ়োৱা সৰ্বোচ্চ ত্যাগৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। প্ৰায় ঘণ্টাজোৰা ভাষণত তেওঁলোকে বৰ্তমান প্ৰজন্মক কুশল কোঁৱৰৰ আদৰ্শৰে উদ্বুদ্ধ হৈ সমাজ আৰু দেশ গঠনৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণৰ বাবে আহ্বান জনায়। অনুষ্ঠানৰ মজিয়াত এক গুৰুত্বপূৰ্ণ পৰ্যায়ত বীৰ ছহিদ কুশল কোঁৱৰৰ ওপৰত পূৰ্বে প্ৰকাশিত এখন পুৰণি গ্ৰন্থ পুনৰ নতুন ৰূপত সম্পাদনা কৰি প্ৰকাশ কৰা "ছহিদ কুশল কোঁৱৰ" শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰ আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তৰ সম্পাদনাত নতুন ৰূপত প্ৰকাশিত গ্ৰন্থখন ভৱিষ্যৎ প্ৰজন্মৰ বাবে বীৰ ছহিদজনৰ জীৱন আৰু আদৰ্শৰ এক মূল্যৱান দলিল হিচাপে পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰা হয়। উল্লেখ্য যে, উক্ত গ্ৰন্থখনি প্ৰকাশৰ বাবে প্ৰয়োজন হোৱা যাৱতীয় সকলো খৰচ বিধায়ক বিশ্বজিৎ ফুকনে বহন কৰা বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই বিধায়ক গৰাকীক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই। সম্পুৰ্ণ অনুষ্ঠানটিত সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক বিশ্বজিৎ ফুকন, কুশল কোঁৱৰৰ নাতি মৃদুল কোঁৱৰ, মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গাম্ভীৰ্য আৰু তাৎপৰ্য প্ৰদান কৰে।

# দিকচু উচ্চ মাধ্যমিক বিদ্যালয়ৰ কীৰ্তি শিক্ষকৰ বঁটা প্ৰাপ্ত অপূৰ্ব কলিতাৰ ৰাজহুৱা বিদায় সভা আৰু সম্বধনা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১৫ জুন ঃ** কীৰ্তি শিক্ষকক বিদায় জনোৱা এক আৱেগিক মুহূৰ্তই দেখাই দিলে শিক্ষা গুৰুক আমি আজিও কেনেকৈ কৃতজ্ঞতা জনাও। অপূৰ্ব্ব কলিতাৰ ৩৪ বছৰীয়া শিক্ষকতা জীৱন আছিল বৰ্ণময়। বিজ্ঞানৰ শিক্ষক হিচাপে ঐতিহাসিক দিকচু উচ্চ মাধ্যমিক বিদ্যালয়ত ১৯৯৪ চনৰ আগষ্ট মাহত যোগদান কৰা কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত অপূৰ্ব কলিতাই একেখন বিদ্যালডয়তে ২০১৮ চনৰ ১ ছেপ্টেম্বৰত প্ৰধান শিক্ষক হিচাপে দায়িত্ব লৈছিল। অদম্য কৰ্মৰে নিজকে যোগ্য হিচাপে গঢ়ি তোলা অপূৰ্ব্ব কলিতাক অসম চৰকাৰৰ শিক্ষা বিভাগে কীৰ্তি শিক্ষকৰ বঁটা প্ৰদান কৰিছিল। আনহাতে বিগত ৩২ বছৰত বিদ্যালয় খনৰ শৈক্ষিক পৰিবেশ আৰু আন্তগাঁথনি উন্নয়নত দিন ৰাতি ত্যাগ কৰা জনপ্ৰিয় প্ৰধান শিক্ষক অপূৰ্ব্ব কলিতাৰ ৰাজহুৱা বিদায় সভাখনত প্ৰাক্তন অগণন শিক্ষাৰ্থী, মহিলা সমাজ বিভিন্ন জাতীয় সংগঠনৰ লগতে বিদ্যালডয়খনৰ কৰ্তিপক্ষই বিপুল ভাৱে সম্বৰ্ধনা জনায়। সদ্য অৱসৰপ্ৰাপ্ত অপূৰ্ব্ব কলিতা বিদ্যালয়ত চৌহদত পদাৰ্পণ কৰাৰ সময়তে শিক্ষক, ছাত্ৰ ছাত্ৰী বৃন্দই তেখেতৰ চৰণ ধুৱাই গায়ন বায়নেৰে সভা গৃহলৈ আগবঢ়াই আনে। বিদ্যালয়ৰ বৰ্তমানৰ প্ৰধান শিক্ষক কল্যাণ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণানন্দ ফুকন, মিনু ফুকন, জিতেন্দ্ৰ নাথ বাইলুং, মিনাৰাম গগৈ, জ্যেষ্ঠ সাংবাদিক আব্দুল গফুৰ আহমদ, বিশিষ্ট সমাজ কৰ্মী অসীম চুতীয়া, প্ৰাক্তন অধ্যক্ষ পৱিত্ৰ প্ৰাণ ভটাচায্য, কৰুণা মহন্ত, পংকজ হাতীবৰুৱা, মৃদুস্মিতা নেওগ, শান্তনু দত্ত, ডেইজী ফুকন, পঞ্চায়তৰ সভানেত্ৰী কাঞ্চন গগৈ, কনিষ্ঠ অভিযন্তা মুজাম্মিল হুছেইন, ছাত্ৰ নেতা ধ্ৰুৱ জ্যোতি কলিতা, অখিল আহোম আৰু মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ জিলাৰ সম্পাদক ৰাজেন মিলিৰ লগতে একাধিক গুণী জ্ঞানী জনে অপূৰ্ব্ব কলিতাৰ সেৱা আৰু ত্যাগক গুৰুত্ব দি কৃতজ্ঞতা জনায়। উল্লেখযোগ্য যে অতি দক্ষ আৰু মেধাৱী অপূৰ্ব্ব কলিতাই ২০০১ চনৰ পৰা ২০০৮ চনলৈ সৰ্বশিক্ষাৰ অতিৰিক্ত খণ্ড সমল কেন্দ্ৰৰ সমন্বয়ক হিচাপে আৰু ২০০৯ চনৰ পৰা ২০১৩ চনলৈ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ জিলা মিছন সমন্বয়ক বিষয়া হিচাপে সেৱা আগবঢ়াইছিল। সম্বৰ্ধনা সভাৰ প্ৰাক মুহূৰ্তত বিদ্যালয়ত সমগ্ৰ শিক্ষা অসমৰ বৃত্তীয় অনুদানেৰে নব নিৰ্মিত বিজ্ঞানাগাৰটোৰ দ্বাৰ উদঘাটন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মিনু ফুকনে।

## গহপুৰত ৰাজহুৱা সভা; আদৰণী সমিতি গঠন

# সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰৰ প্ৰস্তুতি

**অসম বাৰ্তা, গহপুৰ, ১৫ জুন ঃ** গহপুৰ মহকুমা ছাত্ৰ সন্থা আৰু গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক গহপুৰ অধিবেশনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবৰ বাবে আজি গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিক্ৰম বিকাশ বৰাৰ সভাপতিত্বত বিয়লি এক বজাৰ পৰা অনুষ্ঠিত হোৱা সভা খনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে সামগ্ৰিক ভাৱে আঁত ধৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই। সভাখনত চমু বক্তব্য প্ৰদান কৰি সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক তথা অসম উন্নতি সভাৰ প্ৰকল্প সমন্বয়ক প্ৰজ্ঞান ভূএগ, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজা, অধ্যক্ষ ড° কিশোৰ সিং ৰাজপুত, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিগন্ত গোহাঁঞি, অসম উন্নতি সভাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি ৰাজেন্দ্ৰ প্ৰসাদ দাস, প্ৰাক্তন ছাত্ৰ নেতা লক্ষ্মী ভূএগ, প্ৰাঞ্জল বৰা, কবি অঞ্জু দত্ত বৰা, বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈ আদিয়ে অধিবেশন খনৰ প্ৰস্তুতি সন্দৰ্ভত গঠন মূলক দিহা পৰামৰ্শ প্ৰদান কৰে। বহু সংখ্যক গণ্য মান্য ব্যক্তি তথা স্থানীয় ৰাইজ উপস্থিত থকা সভা খনত আলোচনা মৰ্মে অধিবেশনখন সফলতাৰে অনুষ্ঠিত কৰিবৰ বাবে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অঞ্জন কুমাৰ ওজাক সভাপতি, প্ৰজ্ঞান ভূএগক কাৰ্যকৰী সভাপতি, ধ্ৰুৱজ্যোতি বৰাক সাধাৰণ সম্পাদক আৰু বিক্ৰম বিকাশ বৰাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী মূল উদ্‌যাপন সমিতিৰ লগতে একাধিক উপ-সমিতি গঠন কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনত অসম উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বীৰেন কাথ হাজৰিকা, বিশ্বনাথ জিলা উন্নতি সভাৰ সম্পাদক অবন বৰা, বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি খগেন শইকীয়া, সাধাৰণ সম্পাদক ভুৱনেশ্বৰ তাঁতী, গহপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি ভূএগ, সম্পাদক অৰূপজ্যোতি ভূএগ, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সূৰয ভূএগ, সম্পাদক সুশীল তাঁতীসহ ছাত্ৰ সন্থাৰ একাধিক বিষয়-ববীয়া উপস্থিত থাকে।

## পাঁচটাকৈ পৰিয়ালৰ বাসগৃহ ভৰালগৃহ লণ্ড-ভণ্ড

# পশ্চিম মাটিয়া ওপৰতোলাত বনৰীয়া হাতীৰ আতংক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৫ জুন ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত বন্যহস্তীৰ উপদ্ৰৱে তীব্ৰ ৰূপ ধাৰণ কৰিছে। যোৱা নিশা বন্যহস্তীৰ এটা জাকে খাদ্যৰ সন্ধানত জিলাখনৰ দহিকটা সংৰক্ষিত বনাঞ্চলৰ পৰা ওলাই আহি তাৰ আশে-পাশে থকা কেইবাটাও অঞ্চলত ব্যাপক উপদ্ৰৱ চলাই তীব্ৰ আতংকৰ সৃষ্টি কৰে। প্ৰাপ্ত বাতৰি মতে, উক্ত বন্যহস্তীৰ জাকটোৱে ওপৰতলা, নাথপাৰা, ৰাভাপাৰা, মেজেংপাৰা, ছাৰাপাৰা আৰু চেঁচাপানী আদিকে ধৰি কেইবাখনো গাঁৱত প্ৰৱেশ কৰি আতংকৰ সৃষ্টি কৰে। নিশা প্ৰায় ৩০-৩৫টা বন্যহস্তীৰ জাকটোৱে ওপৰতলা গাঁৱত সোমাই গাঁওখনৰ জগন্নাথ (বাবুল) কলিতা আৰু কমল কলিতাৰ দুটাকৈ বাসগৃহ ভাঙি সম্পূৰ্ণৰূপে লণ্ডভণ্ড কৰে। গোসাইঘৰ, ভৰালগৃহ, ঘৰৰ ভিতৰত মজুত থকা ধান, চাউল আদি খাই তহিলং কৰাৰ লগতে ঘৰৰ আচবাব আৰু অন্যান্য বয়বস্তুও ভাঙি চুৰমাৰ কৰে। ইয়াৰ উপৰিও মহেশ কলিতা, দয়াল কলিতা, ভূপেশ কলিতাৰ ঘৰত সোমাই আতংকৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও পশ্চিম মাটিয়া অঞ্চলত কিশোৰী বৰ্মণৰ ঘৰত ক্ষতি সাধন কৰে। মাটিয়া স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত বন বিভাগ আৰু 'গজমিত্ৰ' দলৰ সদস্যসকল ঘটনাস্থলীত উপস্থিত হয়। পৰৱৰ্তী সময়ত বন কৰ্মীসকলে স্থানীয় ৰাইজৰ সহযোগত বন্যহস্তীৰ জাকটোক খেদি পঠিয়াবলৈ সক্ষম হয়। শেহতীয়া খবৰ অনুসৰি, হাতীৰ জাকটোৱে বৰ্তমান মৰনৈৰ বাইনপাৰাৰ এখন চেগুন বাগানত আশ্ৰয় লৈ আছে। ইপিনে, কালি পুৱা আন এটা অকলশৰীয়া বন্যহস্তীয়ে মৰনৈৰ পদুম পুখুৰীৰ ফালৰ পৰা আহি পশ্চিম মাটিয়া পাহাৰত অৱস্থান গ্ৰহণ কৰে। নিশা হোৱাৰ লগে লগে হাতীটোৱে সমগ্ৰ পশ্চিম মাটিয়া গাঁৱত প্ৰৱেশ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰে। অকলশৰীয়া বন্যহস্তীটোৱে গাঁৱৰ বিভিন্ন লোকৰ বাৰীৰ গছ-গছনি মোহাৰি বিস্তৰ ক্ষতিসাধন কৰে। কেৱল ইমানতে ক্ষান্ত নহৈ, নিশা হাতীটোৱে শান্তিপুৰ গাঁৱৰ মঞ্জু হাজং নামৰ এগৰাকী বিধৱা মহিলাৰ এটা থকা ঘৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ঘৰৰ সকলো বয়বস্তু তচনচ কৰে। খাদ্যৰ সন্ধানত ধাৰাবাহিকভাৱে জনাঞ্চলত প্ৰৱেশ কৰা বন্যহস্তীৰ এনে উপদ্ৰৱে সমগ্ৰ গোৱালপাৰাবাসীৰে নিদ্ৰাহৰণ কৰিছে। গ্ৰামাঞ্চলৰ ৰাইজ বৰ্তমান চৰম নিৰাপত্তাহীনতাত ভুগিছে। অতি শীঘ্ৰে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণ আদায় দিবলৈ স্থানীয় ৰাইজে জিলা আয়ুক্তৰ ওচৰত দাবী জনাইছে।

# বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন




**অসম বাৰ্তা, গোৱালপাৰা সদৰ, ১৫ জুন ঃ** বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে শ্বহীদ নিধানুৰাম ৰাজবংশী গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ ব্লাড চেণ্টাৰৰ উদ্যোগত দেওবাৰে বিভিন্ন কাৰ্যসূচীৰে দিৱসটো পালন কৰা হয়। সকলোৰে মাজত ৰক্তদানৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে পুৱা ৯ বজাত এক সজাগতামূলক পদযাত্ৰা উলিওৱা হয়। পদযাত্ৰাত অংশগ্ৰহণকাৰীসকলে "ৰক্তদান জীৱন দান", "ৰক্তদান কৰক" আদি শ্লোগানেৰে সাধাৰণ ৰাইজক ৰক্তদানৰ গুৰুত্ব সম্পৰ্কে সজাগ কৰাৰ চেষ্টা কৰে। ইয়াৰ পিছতে পুৱা ১০ বজাত এখন সজাগতা সভা অনুষ্ঠিত হয়। গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ চিৰন্তন হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত নিয়মীয়া ৰক্তদাতা আনিমুল হক চৌধুৰী, মকিবৰ ৰহমান, আবু ই এম ছহিদুজ জামান আৰু জছিম উদ্দিনক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত যুৱ সমাজসেৱক আনিমুল হক চৌধুৰী, আবু ই এম ছহিদুজ জামান, ডাঃ চিৰন্তন হাজৰিকা আৰু ডাঃ ডি. নাথে ৰক্তদানৰ প্ৰয়োজনীয়তা আৰু জনসচেতনতা বৃদ্ধিৰ ওপৰত বক্তব্য আগবঢ়ায়। ইয়াৰ উপৰিও, দিনৰ ১১ বজাত এক ৰক্তদান শিবিৰ মুকলি কৰা হয়। সভাৰ অন্তত ৰক্তদাতা আনিমুল হক চৌধুৰীয়ে অনুষ্ঠানৰ উদ্যোগতাসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ৰাইজক নিয়মিতভাৱে স্বেচ্ছাই ৰক্তদান কৰাৰ আহ্বান জনায়।

# ৰাজ্যপাল সোণৰ পদক বিজয়ী জাহিদুল ইছলামক বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ উষ্ম সম্বৰ্ধনা

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৫ জুন ঃ** ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ২০২৫ বৰ্ষৰ বিজ্ঞান শাখাৰ স্নাতক পৰীক্ষাত পদাৰ্থ বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি ৰাজ্যপাল সোণৰ পদক অৰ্জন কৰা মেধাৱী শিক্ষাৰ্থী জাহিদুল ইছলামক আজি তেওঁৰ নিজ বাসগৃহত উপস্থিত হৈ উষ্ম সম্বৰ্ধনা জনায় পাকাবেতবাৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে। উল্লেখ্য যে, জাহিদুল ইছলাম হৈছে বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত ভক্তৰডবা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ছামছুল হকৰ একমাত্ৰ পুত্ৰ। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ পৰীক্ষাত পদাৰ্থ বিজ্ঞান বিষয়ত অসাধাৰণ কৃতিত্ব প্ৰদৰ্শন কৰি ৰাজ্যপাল সোণৰ পদক লাভ কৰাৰ জৰিয়তে তেওঁ কেৱল নিজৰ পৰিয়ালকেই নহয়, সমগ্ৰ বৰপেটা জিলাক গৌৰৱান্বিত কৰিছে। এই উপলক্ষে জাহিদুল ইছলামৰ গৃহত উপস্থিত হৈ বিধায়ক জাকিৰ হুছেইন শিকদাৰে ফুলাম গামোচা আৰু পৰম্পৰাগত জাপীৰে তেওঁক সম্বৰ্ধনা জনায়। লগতে তেওঁৰ এই উল্লেখযোগ্য সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰি আগন্তুক দিনত উচ্চ শিক্ষাৰ ক্ষেত্ৰতো একে ধৰণৰ নিষ্ঠা আৰু অধ্যৱসায় অব্যাহত ৰাখিবলৈ উৎসাহিত কৰে। বিধায়কগৰাকীয়ে কয় যে, জাহিদুল ইছলামৰ এই সাফল্য অঞ্চলটোৰ শিক্ষাৰ্থীসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস। কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু লক্ষ্যপ্ৰতি দৃঢ় সংকল্প থাকিলে গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীয়েও উচ্চ শৈক্ষিক কৃতিত্ব অৰ্জন কৰিব পাৰে বুলি তেওঁৰ এই সফলতাই পুনৰবাৰ প্ৰমাণ কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে জাহিদুলে ভৱিষ্যতেও শিক্ষাক্ষেত্ৰত অধিক সফলতা অৰ্জন কৰি ৰাজ্য আৰু দেশৰ নাম উজ্জ্বল কৰিব। ইফালে, বিধায়কৰ এই সৌজন্যমূলক সম্বৰ্ধনাত জাহিদুল ইছলাম আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰে। জাহিদুলে নিজৰ এই সাফল্যৰ আঁৰত পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী আৰু শুভাকাংক্ষীসকলৰ অৱদানৰ কথা বিশেষভাৱে উল্লেখ কৰি আগন্তুক দিনত অধিক অধ্যৱসায়েৰে শিক্ষাজীৱন আগবঢ়াই নিয়াৰ সংকল্প ব্যক্ত কৰে। জাহিদুল ইছলামৰ এই অসাধাৰণ শৈক্ষিক সাফল্যই বৰপেটা জিলাৰ লগতে সমগ্ৰ ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যৱসায় আৰু নিষ্ঠাৰে নিজৰ লক্ষ্য পূৰণৰ দিশত আগবাঢ়িবলৈ নতুন প্ৰেৰণা যোগাব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। ৰাজ্যপাল সোণৰ পদকৰ দৰে সন্মান অৰ্জন কৰি তেওঁ যে মেধা, পৰিশ্ৰম আৰু অধ্যৱসায়ৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে, সেয়া নিঃসন্দেহে গৌৰৱৰ বিষয়।

## পুৱা শোৱাপাটীত উদ্ধাৰ মাতৃ-কন্যাৰ নিঠৰ দেহ

# বিজনীত মাতৃ-কন্যাৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, বিজনী, ১৫ জুন ঃ** মাতৃ-কন্যাৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি দেওবাৰে চিৰাং জিলাৰ বিজনীত এক চাঞ্চল্যকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণী অনুসৰি আজি পুৱা বিজনী চহৰৰ কালীবাৰীত ৰহস্যজনক ভাৱে স্থানীয় জুমা মণ্ডল (২২) আৰু তেওঁৰ দুই বছৰীয়া কন্যাৰ শোৱাপাটীতে মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। কি পৰিস্থিতিত পত্নী আৰু কন্যাৰ মৃত্যু হ'ল সেয়া ৰহস্যৰ আৱৰ্তত যদিও স্বামী স্বপন মণ্ডলে পত্নী আৰু কন্যাৰ মৃতদেহ বিজনী অসামৰিক চিকিৎসালয়ত লৈ যায় কিন্তু চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে। ঘটনা সন্দৰ্ভত চিকিৎসালয় কৰ্তৃপক্ষই বিজনী আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্তসহ এটা আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে বিষয়টোৰ ওপৰত তদন্ত আৰম্ভ কৰে। জানিব পৰা মতে স্বামী স্বপন মণ্ডল আৰু পত্নীৰ মাজত প্ৰায়েই কাজিয়াৰ সূত্ৰপাত হয়। শনিবাৰে সন্ধিয়াৰ ভাগতো পতি-পত্নীৰ মাজত কাজিয়া হয় যদিও পৰৱৰ্তী স্বাভাৱিক ভাৱেই সকলোৱে শুই পৰে বুলি জানিব পৰা গৈছে। কিন্তু পুৱাৰ ভাগত পত্নী আৰু কন্যা দুয়োকে শোৱাপাটীত মৃত অৱস্থাত উদ্ধাৰ হোৱাত ৰহস্যময় পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য চাৰিবছৰ পূৰ্বে স্বপন মণ্ডল আৰু জুমা মণ্ডলৰ মাজত প্ৰেম বিবাহ সম্পন্ন হৈছিল। জানিব পৰা মতে ঘটনাৰ আগলৈকে স্বামী স্বপন মণ্ডলে তেওঁৰ স্বগৃহ পশ্চিমবংগৰ মালদাত আছিল আৰু তিনিদিনমান আগত বিজনীলৈ আহাৰ পাছতে এই ঘটনা সংঘটিত হয়। কিন্তু ঘটনাৰ গুৰুত্বৰ ওপৰত ভিত্তি কৰি দিনৰ ভাগতেই চিৰাং জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে ফৰেনছিকৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত চলাই গৈছে। বাতৰি লিখা সময়লৈকে মৃত্যুৰ প্ৰকৃত ৰহস্য জানিব পৰা হোৱা নাই যদিও মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনে ঘটনাৰ প্ৰকৃত কাৰণ উন্মোচন কৰিব বুলি ধাৰণা কৰা হৈছে। অৱশ্যে এই ৰহস্যজনক ঘটনাক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে।

## অমৃতপুৰ ব্ৰহ্ম সেৱাশ্ৰমৰ মাটি বেদখল মুক্ত কৰাৰ আশ্বাস বিধায়ক ৰূপমৰ

# গোসাঁইগাঁও অমৃতপুৰ ব্ৰহ্ম সেৱাশ্ৰমত নৱনিৰ্বাচিত বিধায়কসকলক উষ্ম সম্বৰ্ধনা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৫ জুন ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অণ্ঠাইবাৰীস্থিত অমৃতপুৰ ব্ৰহ্ম সেৱাশ্ৰমত ২০২৬ চনৰ নৱনিৰ্বাচিত ২নং দোতমা সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰী, ১ নং গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰী আৰু ৪ নং বাওঁখুংগ্ৰী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ক সম্বৰ্ধনা উদেশ্যেত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নৱনিৰ্বাচিত জনপ্ৰতিনিধিসকলক উষ্ম আদৰণি আৰু সম্বৰ্ধন জ্ঞাপন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি নৱনিৰ্বাচিত বিধায়কসকলে জনসাধাৰণৰ আস্থা আৰু সমৰ্থনৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত নিষ্ঠাৰে কাম কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। বিশেষকৈ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে কয় যে, বিটিচি চৰকাৰে উন্নয়ন, সামাজিক সম্প্ৰীতি আৰু জনকল্যাণমূলক কাৰ্য্যসূচীক অধিক গতিশীল কৰাৰ লক্ষ্যৰে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে অমৃতপুৰ ব্ৰহ্ম সেৱাশ্ৰমৰ বহু উন্নয়নমূলক কাম এতিয়াও সম্পন্ন হ'ব বাকী আছে। সেৱাশ্ৰমৰ মুঠ প্ৰায় ২০০ বিঘা মাটিৰ ভিতৰত বৰ্তমান প্ৰায় ১৫০ বিঘা মাটি বিভিন্নজনৰ দখলত থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, অৱশিষ্ট ৫০ বিঘা বেদখল মাটি উদ্ধাৰৰ বাবে অসম চৰকাৰ, বিটিচি কৰ্তৃপক্ষ তথা জ্যেষ্ঠ নেতা হাগ্ৰামা মহিলাৰীৰ সৈতে আলোচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, সমাজকৰ্মী, বুদ্ধিজীৱী, ধৰ্মগুৰু আৰু বৃহৎ সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। উপস্থিত বক্তাসকলে নৱনিৰ্বাচিত বিধায়কসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অঞ্চলটোৰ উন্নয়ন আৰু জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

# প্ৰয়াত কবি মিহিৰ মৌচুম ৰয়ৰ কাব্য সংকলন উন্মোচন

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জুন ঃ** অভয়াপুৰীত বিশিষ্ট কবি প্ৰয়াত মিহিৰ মৌচুম ৰয়ৰ কাব্য সংকলন, "তুমি গৈ থকা বাটটো মোৰ চিনাকি'ৰ দৰে লাগে" উন্মোচন কৰা হয়। আজি অভয়াপুৰী সাহিত্য ভৱনত অনুষ্ঠিত হোৱা এখন গাম্ভীৰ্যপূৰ্ণ সভাত অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড°ভৱেন কলিতাই, অভয়াপুৰীৰ বিশিষ্ট কবি প্ৰয়াত মিহিৰ মৌচুম ৰয়ৰ কাব্য সংকলন, "তুমি গৈ থকা বাটটো মোৰ চিনাকি'ৰ দৰে লাগে" উন্মোচন কৰা হয়। বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৰমেশ নাথৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ড° ভৱেন কলিতাৰ উপৰিও ৰত্নপীঠ কলেজৰ অৱসৰী অধ্যাপক কন্দৰ্প বৰপূজাৰী, বিশিষ্ট কাৰ্টুনিষ্ট নিতুপৰ্ণ ৰাজবংশী, বিশিষ্ট কবি ড° হিল্লোল জ্যোতি সিংহ, সাহিত্য একাডেমিৰ যুৱ বঁটা প্ৰাপক কবি প্ৰতীম বৰুৱা আদি উপস্থিত থাকে। সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকলে প্ৰয়াত কবি মিহিৰ মৌচুম ৰয়ৰ ক্যাব্যিক প্ৰতিভা আৰু ক্যাব্যিক ধাৰাৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে।

**LOST**

I have lost my HSLC Pass Certificate, SEBA Board bearing Roll : B08-589, No : 0226, Year : 2008.
Name: Amari Roy
W/O: Mr Pinku Paul
R/O: Mariani, Ward No. 7
AB-87/2026

## মাতৃৰ কাতৰ আহ্বান- "বাবা, তুমি য'তেই আছা উভতি আহা"

# চাকৰিৰ সাক্ষাৎকাৰ থকা বুলি ঘৰৰ পৰা ওলাই উভতি নাহিল অংকন দাস

**অসম বাৰ্তা, ছয়গাঁও, ১৫ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত উপৰহালীৰ এখন ঘৰত কেৱল কান্দোনৰ ৰোল। তেওঁলোকৰ একমাত্ৰ পুত্ৰ নিৰুদ্দেশ হৈছে। আজি ১২ দিন ধৰি শুংসূত্ৰ নাই যুৱকজনৰ। চাকৰিৰ সাক্ষাৎকাৰ থকা বুলি ঘৰৰ পৰা গুৱাহাটীৰ মালিগাঁৱলৈ পিন্ধি উৰি ওলাই গৈছিল যুৱকজন। মাজে মাজে এনেকৈ ঘৰৰ পৰা ওলাই যায় যদিও যোৱা ৩ জুনতো চাকৰিৰ সাক্ষাৎকাৰ থকা বুলি ঘৰৰ পৰা ওলাই গৈছিল যুৱকজন। ঘৰৰ মানুহে ভাবিছিল অইন দিনাৰ দৰে সিদিনাও তেওঁলোকৰ পুত্ৰ উভতি আহিব। এদিন, দুদিন নহয়, তিনিদিনলৈকে বাট চালে। পিছে উভতি নাহিল তেওঁলোকৰ মৰমৰ পুত্ৰ অংকন দাস। উপৰহালীৰ অতুল দাস আৰু সীমা দাসে এহাল পুত্ৰ কন্যাৰ সৈতে সুন্দৰ এখন সংসাৰ চলাইছিল। পিছে অংকনে হঠাতে যোৱা ৩ জুনত নিৰুদ্দেশ হোৱাৰ পিছত পৰিয়ালটো বলিয়াৰ দৰে হৈ পৰিছে। সম্প্ৰতি অংকনৰ মোবাইলৰ চুইছ অফ। ঘটনা সন্দৰ্ভত একমাত্ৰ বায়েক স্নেহা দাসে বিজয়নগৰ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিলে। পিছে আৰক্ষীয়ে আজিলৈকে যুৱকজনৰ সন্ধান উলিয়াব নোৱাৰিলে। মিঠা বৰণৰ, ৫ ফুট ৭ ইঞ্চি উচ্চতাৰ যুৱকজনে পিন্ধনত মুগা ৰঙৰ টি চাৰ্ট আৰু বগা পেণ্ট পৰিধান কৰিছিল। মাতৃৰ কাতৰ আহ্বান বাবা, তুমি য'তেই আছা উভতি আহা।

# গোলাঘাট জ্যোতি নগৰ নামঘৰ পৰিচালনা সমিতিৰ সাধাৰণ সভা, নতুন সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুন ঃ** গোলাঘাটৰ ঐতিহাসিক জ্যোতি নগৰ নামঘৰ পৰিচালনা সমিতিৰ এখনি সাধাৰণ সভা সম্পন্ন হয়। এই সভাতে পৰৱৰ্তী দুটা বছৰৰ বাবে এখনি শক্তিশালী নামঘৰ পৰিচালনা সমিতি গঠন কৰা হয়। জ্যেষ্ঠ সাংবাদিক ৰোহিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ নাগৰিক ৰমেশ শইকীয়াই। বিগত দুবছৰীয়া কাৰ্যকালৰ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে সত্যজ্যোতি বৰাই। এই সভাতে ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া সত্যজ্যোতি বৰাক সভাপতি নিৰুপমা বৰা, ভদ্ৰেশ্বৰ কলিতা, ৰূপেশ্বৰ বৰা, ৰমেশ শইকীয়া, ৰোহিত গগৈক উপ-সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক টুৱাকান্ত শইকীয়াক সাধাৰণ সম্পাদক, যজ্ঞেশ্বৰ হাজৰিকা, বিশ্বজিৎ বৰুৱা, ললিত গগৈক সহকাৰী সম্পাদক আৰু সুৰজিৎ দত্তক হিচাব পৰীক্ষক হিচাপে লৈ এখনি শক্তিশালী নামঘৰ পৰিচালনা সমিতি গঠন কৰা হয়। এই সভাতে অহা ১১ জুলাইত ধৰ্মীয় পৰম্পৰা অনুসৰি বৰসবাহ আৰু ভাওনা প্ৰদৰ্শনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# বৰপেটাৰ মন্দিয়াত ১০ বছৰীয়া শিশুক হত্যাৰ অভিযোগ; মৰাপাট খেতিৰ পৰা উদ্ধাৰ মৃতদেহ, অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৬জুন ঃ** বৰপেটা জিলাৰ মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত ২নং চাছৰা গাঁৱত সংঘটিত হোৱা এক চাঞ্চল্যকৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ শোক আৰু উত্তেজনাৰ সৃষ্টি কৰিছে। গাঁওখনৰ বাসিন্দা তথা অধ্যাপক মোকাদ্দেছ আলীৰ ১০ বছৰীয়া কন্যা মাৰিফা তামান্নাৰ মৃতদেহ ঘৰৰ সমীপৰ এখন মৰাপাট খেতিৰ পৰা উদ্ধাৰ হোৱাৰ পিছতে এই ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। জানিব পৰা মতে, যোৱা ১৫ জুন পুৱা প্ৰায় ৯ বজাত বিদ্যালয়লৈ ওলাই গৈছিল শিশুগৰাকী। বিদ্যালয়ৰ পাঠদান সমাপ্ত হোৱাৰ পিছত ঘৰলৈ ওভতাৰ পথত তেওঁ ৰহস্যজনকভাৱে নিৰুদ্দেশ হয়। বহু সময় অতিক্ৰম হোৱাৰ পিছতো কন্যাগৰাকী ঘৰলৈ উভতি নাহাত পৰিয়ালৰ লোকসকলে উদ্বিগ্ন হৈ বিভিন্ন স্থানত বিচাৰ-খোচাৰ আৰম্ভ কৰে। আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়া আৰু স্থানীয় ৰাইজৰ সহায়ত চলোৱা ব্যাপক অনুসন্ধানৰ পিছতো কোনো সন্ধান পোৱা নগ'ল। অৱশেষত সন্ধিয়াৰ ভাগত পৰিয়ালৰ সদস্য আৰু স্থানীয় লোকে ঘৰৰ ওচৰত থকা এখন মৰাপাট খেতিত অনুসন্ধান চলাওঁতে শিশুগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে। এই হৃদয়বিদাৰক ঘটনাই মুহূৰ্ততে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলোৱাৰ লগতে তীব্ৰ ক্ষোভৰ সৃষ্টি কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাইনা দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ লগতে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে বিভিন্ন দিশত অনুসন্ধান চলাই ঘটনাটোৰ প্ৰকৃত ৰহস্য উন্মোচনৰ চেষ্টা অব্যাহত ৰাখিছে। ইফালে, এই ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। স্থানীয় বাসিন্দাসকলে অভিযোগ উত্থাপন কৰি কয় যে, কোনো দুষ্কৃতিকাৰীয়ে শিশুগৰাকীৰ ওপৰত যৌন নিৰ্যাতনৰ দৰে জঘন্য অপৰাধ সংঘটিত কৰাৰ পিছত হত্যা কৰি মৃতদেহ মৰাপাট খেতিত পেলাই থৈ গৈছে বুলি তেওঁলোকে সন্দেহ প্ৰকাশ কৰিছে। যদিও এই অভিযোগৰ সত্যতা এতিয়াও আৰক্ষীৰ তদন্তৰ অন্তৰ্গত আৰু আৰক্ষীৰ আনুষ্ঠানিক প্ৰতিবেদন প্ৰকাশ নোহোৱালৈকে বিষয়টো নিশ্চিতভাৱে কোৱা সম্ভৱ নহয়। ঘটনাৰ প্ৰতিবাদত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ফালৰ পৰাও তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হয়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আলামিন হকে দোষীক অতি শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবীত বৰপেটা জিলা আৰক্ষী অধীক্ষকৰ ওচৰত আহ্বান জনায়। তেওঁ কয় যে, এনে অমানৱীয় আৰু নৃশংস ঘটনাই সমাজৰ সুৰক্ষা ব্যৱস্থা আৰু আইনী শাসনৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। অপৰাধীক কৰায়ত্ত কৰি কঠোৰ শাস্তি প্ৰদান নকৰিলে এনে ঘটনা পুনৰাবৃত্তি হোৱাৰ আশংকা বৃদ্ধি পাব বুলিও তেওঁ মন্তব্য কৰে। এই হৃদয়বিদাৰক ঘটনাই সমগ্ৰ চাছৰা অঞ্চলটোক শোকস্তব্ধ কৰি তুলিছে। এগৰাকী নিষ্পাপ শিশুৰ কৰুণ মৃত্যুৱে পৰিয়ালটোক গভীৰ শোকত নিমজ্জিত কৰাৰ লগতে সমগ্ৰ সমাজকো মৰ্মাহত কৰি তুলিছে। স্থানীয় ৰাইজে ঘটনাটোৰ নিৰপেক্ষ আৰু দ্ৰুত তদন্তৰ জৰিয়তে প্ৰকৃত অপৰাধীক চিনাক্ত কৰি আইনৰ আওতালৈ অনাৰ দাবী উত্থাপন কৰিছে। বৰ্তমান আৰক্ষীয়ে ঘটনাটোৰ সকলো দিশ গভীৰভাৱে পৰ্যালোচনা কৰি তদন্ত আগবঢ়াই নিয়াৰ লগতে অপৰাধীক কৰায়ত্ত কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে। তদন্তৰ পিছতহে এই চাঞ্চল্যকৰ ঘটনাৰ প্ৰকৃত ৰহস্য উন্মোচিত হ'ব বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। এগৰাকী নিষ্পাপ শিশুৰ এই কৰুণ মৃত্যুৱে সমগ্ৰ অঞ্চলটোক শোকস্তব্ধ কৰি তুলিছে। এতিয়া সকলোৰে একেটাই দাবী—ঘটনাটোৰ দ্ৰুত আৰু নিৰপেক্ষ তদন্তৰ জৰিয়তে প্ৰকৃত দোষীক কৰায়ত্ত কৰি কঠোৰতম শাস্তি প্ৰদান কৰা হওক, যাতে মাৰিফা তামান্নাৰ পৰিয়ালটোৱে ন্যায়বিচাৰ লাভ কৰাৰ লগতে সমাজলৈও এক শক্তিশালী বাৰ্তা প্ৰেৰণ হয়।

# নগাঁও জিলাৰ সকলো উন্নয়ন খণ্ডত ১৮-২০ জুনত জনকল্যাণ শিবিৰ

## সকলো উপযুক্ত ব্যক্তিয়ে পাব কল্যাণকামী আঁচনিৰ সুবিধা; আগ্ৰহী ৰাইজক নাম পঞ্জীয়নৰ আহ্বান জিলা আয়ুক্তৰ



**অসম বাৰ্তা, পুৰণিগুদাম, ১৬জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিলেখ সংখ্যক সুদীৰ্ঘ ১২ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ উপলক্ষে দেশৰ অন্যান্য অংশৰ লগতে নগাঁও জিলাতো খণ্ড পৰ্যায়ত তিনিদিনীয়া জনসেৱামূলক কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। সেই অনুসৰি অহা ১৮ ৰ পৰা ২০ জুনলৈ জিলাখনৰ ১৩টা উন্নয়ন খণ্ডৰ এলেকাৰ প্ৰতিটোতে এটাকৈ তিনিদিনীয়া "জনকল্যাণ শিবিৰ" অনুষ্ঠিত হ'ব য'ত কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰৰ যিকোনো আঁচনিৰ সুফল লাভৰ পৰা উপযুক্ততাৰ থকা স্বত্বেও বঞ্চিত হোৱা সকলে আবেদন কৰিলে তেওঁক যথাসম্ভৱ সোনকালে আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। তাৰ বাবে আগ্ৰহী ব্যক্তিয়ে আগতীয়াকৈ নিজৰ নাম অনলাইন যোগে পঞ্জীয়ন কৰিব পাৰিব। এটা নিৰ্দিষ্ট কেয়াৰকোটৰ সহায়ত নিজৰ মোবাইলৰ পৰাই সহজতে নিজৰ নাম পঞ্জীয়ন কৰাৰ ব্যৱস্থা কৰা হৈছে যদিও কোনোৱে এই ক্ষেত্ৰত কিবা অসুবিধা পালে নিজ নিজ পঞ্চায়তৰ কাৰ্যালয়লৈ আহিলে ইয়াৰ এই সুবিধা প্ৰদান কৰিবলৈ সকলো গাঁও পঞ্চায়তৰ সচিবলৈ বাৰ্তা প্ৰেৰণ কৰা হৈছে। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তই কৃষি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, পশুপালন আৰু পশু চিকিৎসা, মীন, শক্তি, খাদ্য আৰু অসামৰিক যোগান বিভাগ, উদ্যোগ আৰু বাণিজ্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ভূমি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পৰিবহণ, শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ, সমাজ কল্যাণ, অনুসূচিত জাতি-জনজাতি উন্নয়ন আদি যিবোৰ বিভাগৰ পোনপটীয়া জনহিতকাৰী আঁচনি বৰ্তমান চলি আছে সেই সকলো বিভাগে এই মেলাত একোটাকৈ বিপনী স্থাপন কৰি তাৰ দ্বাৰা আঁচনিসমূহৰ বিষয়ে জনসজাগতা সৃষ্টি কৰাৰ লগতে তেনে আঁচনিৰ সুবিধা উপযুক্ত আবেদনকাৰীক ঠাইতে প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। এই তিনিদিনীয়া শিবিৰতে যিকোনো কল্যাণকামী আঁচনিৰ পৰা উপযুক্ততা থকা স্বত্বেও কোনো কাৰণত বাদ পৰি যোৱা সকলোকে যাতে সামৰি ল'ব পৰা যায় সেয়া নিশ্চিত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। এই জনকল্যাণ শিবিৰত স্থানীয় বিশিষ্ট ব্যক্তি, সফল হিতাধিকাৰী আদিকো সম্বৰ্দ্ধনা জনোৱা হ'ব। তদুপৰি ইয়াত ৰাইজৰ যিকোনো ওজৰ-আপত্তি আদিও গ্ৰহণ কৰা হ'ব। তদুপৰি এই শিবিৰত কেন্দ্ৰীয় চৰকাৰৰ আয়ুস্মান ভাৰত, এনৰেগা, প্ৰধানমন্ত্ৰী সূৰ্যঘৰ, প্ৰধানমন্ত্ৰী স্বনিধি, অসম চৰকাৰৰ নিযুত মইনা, লাখপতি বাইদেউ আদি গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ বিষয়ে বিশেষ সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হ'ব। সভাত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰিয়াৰ উপৰিও আটাইকেইগৰাকী অতিৰিক্ত আয়ুক্ত, সকলো বিভাগৰ জিলা মুৰব্বী, ৰাজহ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, পৌৰসভাৰ কাৰ্যবাহী বিষয়া আদি উপস্থিত থাকে।

## ভূটান সীমান্তত বন বিভাগৰ আউটপোষ্ট স্থাপনৰ দাবী আদিবাসী ছাত্ৰ সন্থাৰ

# বন্যহস্তীৰ আক্ৰমণত ডিমাকুছিৰ বাদলাপাৰাত পুনৰ এজনৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ জুন ঃ** ওদালগুৰি জিলাৰ অসম-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী-মানুহৰ সংঘাতে ভয়াবহ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলৰ চাহ বাগিচা তথা হাবিত আশ্ৰয় লৈ অহা বন্যহস্তীৰ আক্ৰমণত বিগত দিনত কেইবাজনৰ মৃত্যু হোৱাৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই কালি সন্ধিয়া পুনৰ বন্যহস্তীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। জানিব পৰা মতে ডিমাকুছি থানাৰ অন্তৰ্গত বাদলাপাৰা ফাৰ্ম লাইনৰ সীতাৰাম ধানোৱাৰ নামৰ লোক এজন যোৱা নিশা টেংকিবস্তীৰ পৰা পৰা নিজগৃহ বাদলাপাৰা অভিমুখে চাইকেলেৰে আহি থকা অৱস্থাত বাদলাপাৰাৰ চাহ বাগিচাত বন্যহস্তীয়ে আক্ৰমণ কৰি নিহত কৰে। লোকজনৰ মৃতদেহ আজিহে স্থানীয় লোকে উদ্ধাৰ কৰি ডিমাকুছি আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ডিমাকুছি থানালৈ নিয়ে। এই শোকাবহ ঘটনাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে বন্যহস্তীৰ আক্ৰমণত নিহত হোৱা পৰিয়ালক উচিত ক্ষতিপূৰণৰ দাবী জনায়। ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি শিবদত তাঁতীয়ে এক বিবৃতিত কয় অসম-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত বন্যপ্ৰাণীৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাই থকাৰ পৰিপেক্ষিতত আদিবাসী ছাত্ৰ সন্থাই বাদলাপাৰা, টেংকিবস্তী তথা বামুণজুলি আদি সংবেদনশীল অঞ্চলত অতি সোনকালে বন বিভাগৰ আউটপোষ্ট স্থাপনৰ দাবী জনায় যাতে ভৱিষ্যতে এনে মৰ্মান্তিক ঘটনা পুনৰাবৃত্তি নহয় আৰু স্থানীয় লোকসকলৰ জীৱন সম্পত্তিৰ সুৰক্ষা নিশ্চিত হয়। আদিবাসী ছাত্ৰ সন্থাই লগতে ওদালগুৰি জিলাৰ অসম-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ উচিত পদক্ষেপ হাতত লবলৈ দাবী জনায়।

# ডবকা চিটি প্ৰেছ ক্লাৱৰ কাৰ্যালয়ত গছপুলি ৰোপণ

**অসম বাৰ্তা, মোৰাঝাৰ, ১৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আজি ডবকা যমুনাভেলী আঞ্চলিক বন বিষয়া দীপক মহন্তৰ নেতৃত্বত বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে ডবকা চিটি প্ৰেছ ক্লাৱৰ সমূহ বিষয়ববীয়াৰ সহযোগত ডবকা চিটি প্ৰেছ ক্লাৱৰ কাৰ্যালয়ত গছপুলি ৰোপণ কৰা হয়। ইয়াৰোপিও ডবকাৰ ষ্টেট বেংক বাইপাচ, মডাৰ্ণ ফাৰ্নিচাৰৰ সন্মুখত আৰু ডবকা চহৰত ৰাইজৰ মাজত গছপুলি বিতৰণ ও ৰোপণ কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকে ডবকা আঞ্চলিক বন বিষয়া দীপক মহন্ত, ফৰেষ্ট বিষয়া সন্তুস সাহা, ডবকা চিটি প্ৰেছ ক্লাৱৰ সভাপতি হবিবুৰ ৰহমান, সম্পাদক আবিদ হুছেইন, স্বাহাব উদ্দিন লস্কৰ, চমিৰ উদ্দিন তালুকদাৰ, খলিল আহমেদ, শ্বাৰুক আহমেদ, আজিজুৰ ৰহমান আদিকৰি অন্যান্য সদস্যসকল উপস্থিত থাকে। গছপুলি বিতৰণ কৰি বন বিষয়া দীপক মহন্তই উপস্থিত ৰাইজক গছপুলি সংৰক্ষণ আৰু গছৰ দ্বাৰা মানুহৰ উপকাৰিতাৰ বিষয়ে বুজাই দিয়ে।

# মাকুমত দূৰৱৰ্তী বাসস্থানত থকা ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিবহণ আৰু এস্কৰ্টৰ সুবিধাৰ শুভাৰম্ভ

**অসম বাৰ্তা, মাকুম, ১৬ জুন ঃ** আজি অসম চৰকাৰৰ এ ডব্লিউ পি এণ্ড বি ২০২৬-২৭ আঁচনিৰ অধীনত পি এম শ্ৰী মাকুম গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত দূৰৱৰ্তী বাসস্থানত থকা ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিবহণ আৰু এস্কৰ্ট সুবিধা প্ৰদানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাকুমৰ সমাজকৰ্মী অনন্ত ফুকনৰ সভাপতিত্বত অনুষ্ঠিত কৰা বিশেষ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। কাৰ্যসূচীত বিধায়কগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন পদক্ষেপৰ ওপৰত আলোকপাত কৰে আৰু দূৰৱৰ্তী অঞ্চলৰ শিক্ষাৰ্থীসকলৰ বিদ্যালয়মুখী যাত্ৰা অধিক সুৰক্ষিত আৰু সহজ কৰি তোলাত এই আঁচনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দিপালী চক্ৰৱৰ্তী, আৰু সহকাৰী শিক্ষক সমীৰণ বৰগোঁহাই, মাকুম পৌৰ সভাৰ পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থৰাজ প্ৰসাদ, বিদ্যালয় খনৰ ছাত্ৰ ছাত্ৰী সকলৰ অভিভাৱক-অভিভাৱীকা সকলৰ উপস্থিতিত বিদ্যালয়খনলৈ ই-ৰিস্কা, অটো আদিৰ যি সকল চালকে ছাত্ৰ-ছাত্ৰী সকলক অনা-নিয়া কৰে সেই চালক সকলক মাহেকীয়া ৬০০ টকা মাচুল প্ৰদান কৰাৰ একোখনকৈ চুক্তি পত্ৰ বিতৰণ কৰে বিধায়ক গৰাকীয়ে। এই আঁচনিখনে বিশেষকৈ দূৰৱৰ্তী এলেকাৰ শিক্ষাৰ্থীসকলক নিয়মীয়াকৈ বিদ্যালয়লৈ অহা-যোৱাত সহায় কৰাৰ লগতে বিদ্যালয় ত্যাগৰ হাৰ হ্ৰাস কৰাত সহায়ক হ'ব বুলি সংবাদ মাধ্যমৰ আগত আশা প্ৰকাশ কৰে বিধায়ক সঞ্জয় কিষাণে।

# ডিব্ৰুগড়ত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতিৰ "শ্বহীদ গৰাকীৰ স্মৃতি দিৱস" পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুন ঃ** ডিব্ৰুগড়ত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতি আৰু ডিব্ৰুগড় পৌৰ নিগমৰ উদ্যোগত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস আজি পালন কৰা হয়। তেখেত শ্বহীদ হৈছিল ১৯৪৩ চনৰ ১৫ জুনত। এই উদ্দেশ্যে শ্বহীদ গৰাকীৰ উদ্যানত অনুষ্ঠানত অনুষ্ঠিত হোৱা সভাত উপস্থিত থাকে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, বিশিষ্ট সাহিত্যিক গন্ধেশ্বৰ শইকীয়া, পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদল শৰ্মা, কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতিৰ সভাপতি প্ৰকাশ গগৈ, সম্পাদক অনিল প্ৰসাদ সিংহ, উপ-সভাপতি মদন চন্দ্ৰ কোঁৱৰ, কোষাধ্যক্ষ পৱন গাৰোডীয়া, সদস্য ৰঞ্জিত মেছ, অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি প্ৰাপ্ত -বিবেক গুপ্তাৰ, বিনয় জয়ছোৱাল, আব্দুল খালেক, মহেশ্বৰ আগৰৱালা, মায়া শইকীয়া আদি। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰৰ লগতে সকলোৱে শ্বহীদ কুশল কোঁৱৰৰ ৮৩ সংখ্যক স্মৃতি দিৱসক শ্ৰদ্ধাৰে সোঁৱৰে।

# অনলাইনযোগে আবেদন কৰিহে কৃষকে লাভ কৰিব উপযুক্ত পৰিমাণৰ নিৰ্ধাৰিত ৰাজ সাহায্যযুক্ত সাৰ

# নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত "সাৰ ক্ৰয়ৰ ৰূপৰেখা" -অনলাইন পদ্ধতিৰ শুভ উদ্বোধন

**অসম বাৰ্তা, নলবাৰী, ১৬ জুন ঃ** কৃষকৰ উৎপাদন বৃদ্ধি আৰু মাটিৰ সঠিক গুণগত মানৰ উদ্দেশ্যে গ্ৰহণ কৰা "সাৰ ক্ৰয়ৰ ৰূপৰেখা" ৰ পাইলট প্ৰজেক্ট হিচাপে নিৰ্বাচিত কৰা হয় নলবাৰী আৰু বঙাইগাঁও জিলা। ইতিমধ্যে নলবাৰী জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগতো জিলাভিত্তিক "সাৰ ক্ৰয়ৰ ৰূপৰেখা" সন্দৰ্ভত, CSC VLE, কৃষি পৰিদৰ্শক, কৃষি সম্প্ৰসাৰক সহায়ক, গাওঁ প্ৰধান, FPO /FPC ৰ সদস্য, অনুজ্ঞাপত্ৰ প্ৰাপ্ত খুচুৰা সাৰ বিক্ৰেতাসকলৰ লগতে ৰাজহ চক্ৰ বিভাগ পৰ্যায়ৰ বিষয়া কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। তাৰ পাছত আজি নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত "সাৰ ক্ৰয়ৰ ৰূপৰেখা" পৰ্টেলটো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এতিয়াৰে পৰা কৃষকে ক্ষিপ্ৰভাৱে, সহজ আৰু স্বচ্ছতাৰে সাৰ ক্ৰয় কৰিব পাৰিব। এতিয়াৰে পৰা কৃষকে কৃষক পঞ্জীয়ন নম্বৰ বা আধাৰকাৰ্ড ভেৰিফিকেচন কৰি শস্য নিৰ্বাচন কৰি নিকটবৰ্তী দোকানৰ পৰা অনলাইন আবেদনযোগে লাভ কৰা QR Code স্কেন কৰি বা টোকেন নম্বৰ লৈহে সাৰ সংগ্ৰহ কৰিব পাৰিব। উক্ত অনুষ্ঠানত উপস্থিত থাকে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) শিল্পী শিখা ঠাকুৰীয়া, শাখা বিষয়া গুঞ্জনা শইকীয়া, ৰাজ্যিক নডেল বিষয়া মানস প্ৰতীম মহন্ত, জিলা কৃষি বিষয়া দিবাকৰ ডেকা, মহকুমা কৃষি বিষয়া ৰমণীকান্ত শৰ্মা, জিলাখনৰ কৃষি উন্নয়ন বিষয়াসকলৰ লগতে কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকল, জিলাখনৰ বিভিন্ন প্ৰান্তৰ জনপ্ৰতিনিধিসকলৰ লগতে পঞ্জীয়নভুক্ত কৃষকসকল।

# লাহদৈগড় পথ বহলীকৰণত বিসংগতি; আমগুৰিত আটাছুৰ স্মাৰকপত্ৰ

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুন ঃ** হালোৱাটিংৰ পৰা আঠখেল হৈ গেলেকী সংযোগী লাহদৈগড় পথটি বৰ্তমান অসম মালা আঁচনিৰ অধীনত বহলীকৰণ আৰু উন্নীতকৰণৰ কাম চলি আছে যদিও বুঢ়াগাঁও তিনিআলি, বৰছিলা আদি কিছু স্থানত পথৰ নিচেই কাষতে থকা ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে কামৰ গতি স্থবিৰ হৈ পৰিছে। উল্লেখ্য যে পূৰ্বতে উক্ত পথটি অত্যন্ত ঠেক হোৱাৰ বাবে ONGC ৰ গাড়ী চলাচলৰ সময়ত স্থানীয় ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। ফলত সদৌ তাই আহোম ছাত্ৰ সন্থা আমগুৰি আঞ্চলিক সমিতিয়ে হালোৱাটিঙত অৱস্থান ধৰ্মঘটসহ ONGC ৰ মালবাহী গাড়ী অৱৰোধ কৰি পথ বহলীকৰণৰ দাবী জনাইছিল। তৎকালীন জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ আশ্বাসৰ পাছতহে আন্দোলন স্থগিত ৰখা হৈছিল। বৰ্তমান পথৰ কাষৰীয়া ঘৰ আৰু প্ৰতিষ্ঠানসমূহ চৰকাৰী নে ম্যাদী ভূমিত আছে সেই সন্দৰ্ভত আমগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ে স্পষ্ট কৰি দ্ৰুত দখলমুক্তৰ ব্যৱস্থা নল'লে নিৰ্মাণকাৰ্য আধৰুৱা হৈ ৰ'ব আৰু দাঁতিকাষৰীয়া গাঁৱসমূহ আৰু বাগানৰ ৰাইজে অসুবিধাৰ সন্মুখীন হ'ব বুলি সংগঠনটোৱে আশংকা প্ৰকাশ কৰিছে। এই পৰিপ্ৰেক্ষিতত আটাছু আমগুৰি আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা তথা শিৱসাগৰ জিলা সমিতিৰ উপসভাপতি গৌতম দিহিঙ্গীয়া, আঞ্চলিক সমিতিৰ সভাপতি আকাশ গগৈ আৰু সম্পাদক অংকুৰ গগৈ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ আমগুৰি ৰাজহ চক্ৰ বিষয়াক প্ৰদান কৰা হয়। লগতে পথ নিৰ্মাণৰ নীতি-নিৰ্দেশনাযুক্ত চাইনবৰ্ড শীঘ্ৰে স্থাপনৰো দাবী জনোৱা হৈছে।

## গ্ৰীষ্ম বন্ধত বিনামূলীয়া নৃত্য প্ৰশিক্ষণৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুন ঃ** বিদ্যালয়সমূহৰ গ্ৰীষ্মকালীন বন্ধৰ সময়ত গোলাঘাটৰ কংকণা কলা কেন্দ্ৰৰ উদ্যোগত এখনি ১৫ দিনীয়া নৃত্য প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। যোৱা ১৪ জুনত অনুষ্ঠিত পৰিচালনা সমিতিৰ এখনি সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি ৰোহিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক জ্ঞানজ্যোতি নাথে। এই সভাতে অহা ৬ জুলাইৰ পৰা ১৫ দিনীয়াকৈ নৃত্য প্ৰশিক্ষণৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষকৈ সত্ৰীয়া নৃত্য, সৃষ্টিশীল নৃত্য আৰু আধুনিক নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ১৫ দিনীয়া প্ৰশিক্ষণৰ অন্ততঃ নতুনকৈ গঢ় লৈ উঠা নৃত্য কলা কেন্দ্ৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হ'ব। নৃত্য কলা কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক হিচাপে থাকিব মণি কংকণা পাঠৰি। গোলাঘাট কলেজ তিনিআলিত অৱস্থিত চান্দমাৰী প্ৰাথমিক বিদ্যালয়ৰ চৌহদত থকা ৰাজহুৱা প্ৰেক্ষাগৃহত এই প্ৰশিক্ষণ আৰম্ভ হ'ব।

# মঙলদৈত বিশ্ব ৰক্তদাতা দিৱস উদযাপন

## ৫ ৰক্তদাতা সংগঠনক সম্বৰ্ধনা, অধ্যাপক হৰিমন ডেকাৰ ৯৮বাৰ ৰক্তদান

**অসম বাৰ্তা, মঙলদৈ, ১৬ জুন ঃ** এবাৰ দুবাৰ নহয়, মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগী অধ্যাপক হৰিমন ডেকাই আজি বিশ্ব ৰক্তদাতা দিৱস উদযাপন উপলক্ষে মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্তভঁৰালত জীৱনৰ ৯৮ সংখ্যক বাৰ ৰক্তদান কৰি সকলোৰে প্ৰশংসা লাভ কৰে। দিনৰ ১২ বজাত ৰক্তভঁৰালত উপস্থিত হৈ হাস্যমুখে ৰক্তদান কৰি তেওঁ কয় যে, গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৮ চনত অধ্যয়ন কৰি অৱস্থাত হঠাতে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী অমূল্য শৰ্মাৰ গান্ধীবস্তিত থকা শাহুৱেকৰ ৰক্তৰ প্ৰয়োজন হোৱাত বিশ্ববিদ্যালয়ৰ পৰা গৈ জীৱনৰ প্ৰথম ৰক্তদান কৰিছিলো। ইয়াৰ পিছত ৰক্তদানৰ প্ৰয়োজনীয়তা তথা উপকাৰিতাৰ বিষয়ে জানি প্ৰতি বছৰে ৰক্তদান কৰি আহিছো। ৰক্তদান এক মহান দান বুলি অভিহিত কৰি তেওঁ কয় যে, যেতিয়ালৈ চিকিৎসকে অনুমতি দিয়ে, তেতিয়ালৈ ৰক্তদান কৰি যাম। তেওঁ লগতে প্ৰয়োজনীয় ৰক্তৰ অভাৱত এতিয়াও বহু লোকে অকালত মৃত্যু মুখত পৰে বুলি উল্লেখ কৰি বিশেষকৈ নৱপ্ৰজন্মক ৰক্তদান কৰিবলৈ আহ্বান জনায়। সুস্থ সবল একাংশ পুত্ৰ-কন্যাই পিতৃ-মাতৃৰ প্ৰয়োজনতেই ৰক্তদান কৰিবলৈ হোহঁকা পিছলা কৰা কাৰ্যক তেওঁ উদ্বেগ প্ৰকাশ কৰে। ইপিনে বিশ্ব ৰক্তদাতা দিৱস উদ্যাপন উপলক্ষে মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্তভঁৰালৰ সন্মুখৰ পৰা পুৱা ৯.৩০ বজাত ওলোৱা সজাগতামূলক সমদল উদ্বোধন কৰে দৰং জিলা পৰিষদৰ সদস্যা অনিতা ৰাজবংশীয়ে। ইয়াৰ পিছতে হোৱা চমু সভাত খাৰুপেটীয়া মাৰোৱাৰী যুৱ মঞ্চ, সত্ৰ ছিপাঝাৰ, ক্ৰিষ্টেল ভিজন মঙলদৈ, বাপন বণিক নেতৃত্বাধীন 'বণিক ফাউণ্ডেচন' আৰু ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ গ্ৰুপক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্তভঁৰালৰ কৰ্মচাৰী বিপুল চন্দ্ৰ নাথে আঁত ধৰা এই অনুষ্ঠানত ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ডাউদ আলীয়ে বিভিন্ন দল সংগঠন আৰু মানৱপ্ৰেমী ব্যক্তিয়ে ৰক্তদান কৰি অহাৰ বাবেই মঙলদৈৰ ৰক্তভঁৰালটোৰ জৰিয়তে বহুতক জীৱন দান কৰিব পাৰিছো বুলি উল্লেখ কৰে। তেওঁ জাতি, ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো প্ৰাপ্তবয়স্ক লোকক ৰক্তদান কৰিবলৈ আহ্বান জনায়। সভাখনৰ পিছতে অধ্যাপক হৰিমন ডেকা, ৰত্নেশ্বৰ দেৱ, দীপাংকৰ বৰ্মণ, প্ৰিয়াংশী নাথ, চাইমা খাতুন, পৰেশ ডেকা, দ্বীপজ্যোতি হাজৰিকা, ইচাৰুল হক, মকচেদ আলী, অমৃত চন্দ্ৰ ৰয়, ভগদত্ত নাৰ্জাৰী, মৃদুল বৰা, আশিস দৈমাৰী, শীতল বৰাই ৰক্তদান কৰে বুলি ৰক্তভঁৰালৰ কৰ্মচাৰী নকুল চন্দ্ৰ নাথে জনাইছে।

## হোজাই জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে বান্ধি দিলে তিনি দিনৰ সময়সীমা

# ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মূৰব্বীক গুৰুত্বপূৰ্ণ নিৰ্দেশনা

**অসম বাৰ্তা, ডবকা, ১৬ জুন ঃ** ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মুৰব্বীক গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিছে হোজাই বিদ্যালয়সমূহৰ পৰিদৰ্শকে। এইবাৰ তিনিদিনৰ সময়সীমা বান্ধি দিলে হোজাই জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাই। অন্যতাই যিকোনো কঠোৰ ব্যৱস্থা লব পাৰে হোজাই জিলা প্ৰশাসন তথা শিক্ষা বিভাগে। উল্লেখ্য যে যোৱা ২১ মে তাৰিখে এক নিৰ্দেশনা অনুসৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সকলো প্ৰয়োজনীয় নথিপত্ৰ বাধ্যতামূলকভাৱে পূৰণ কৰাৰ নিৰ্দেশ জাৰি কৰিছিল। এই নিৰ্দেশ বহু বিদ্যালয়ে পালন কৰা নাছিল। অৱশেষত পুনৰ ১৫ জুনত নিৰ্দেশ জাৰি কৰি নথি পত্ৰ জমা দিয়াৰ বাবে নিৰ্দেশ দিয়ে। হোজাই জিলাৰ বহু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰয়োজনীয় নথি-পত্ৰ আদি নাই। চৰকাৰী নীতি নিয়ম ভংগ কৰি অবৈধ ভাৱে চলি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। সেই হেতুকে বিদ্যালয়সমূহৰ নথিপত্ৰ অৰ্থাৎ বিদ্যালয়ৰ অনুমতি আৰু পঞ্জীয়ন, বিদ্যালয়ৰ ভূমি দখলৰ নথি, পেন কাৰ্ড, বিল্ডিং সুৰক্ষাৰ প্ৰমাণ পত্ৰ, অগ্নিনিৰ্বাপক পত্ৰ, মাচুল নিয়ন্ত্ৰণ সমিতিৰ প্ৰমাণ পত্ৰ, অডিট ৰিপৰ্ট আদি পূৰণৰ নিৰ্দেশ দিছে। বিশেষকৈ ২০২৪ চনৰ আগতে ইউ-ডিআইএছইৰ বাবে অনুমতি লাভ কৰা বহু বিদ্যালয়ে এতিয়াও সেৱা সেতু পৰ্টেলৰ জৰিয়তে অস্থায়ী/ চূড়ান্ত পঞ্জীয়নৰ বাবে আবেদন কৰা নাই আৰু বৰ্তমান তেওঁলোকৰ পূৰ্বৰ অনুমতি অবৈধ। এনে ধৰণৰ কাৰ্য্যকলাপ আইন অনুসৰি বিধিসন্মত নহয় আৰু শিক্ষা ব্যৱস্থাত সমস্যাৰ সৃষ্টি হৈছে। গতিকে তলত স্বাক্ষৰকাৰীক অৱগত কৰি EODP & Sewa Setu পৰ্টেলৰ জৰিয়তে সকলো প্ৰয়োজনীয় নথিপত্ৰ (যদি আপডেট কৰা নহয়) তৎক্ষণাত আপডেট কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ইয়াৰ দ্বাৰা কোনো নতুন ব্যক্তিগত বিদ্যালয়ক নীতি অনুসৰি যোগ্য কৰ্তৃপক্ষৰ অনুমতি অবিহনে খোলাৰ অনুমতি দিয়া নহয় আৰু ইয়াৰ চূড়ান্ত প্ৰক্ৰিয়াৰ সবিশেষ উল্লেখ কৰিবলৈ কোৱা হৈছে। অন্যতায় এনে অবৈধ বিদ্যালয়ৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হব। ইপিনে চৰকাৰী প্ৰাদেশিক মাধ্যমিক বিদ্যালয়সমূহে বিদ্যালয়সমূহত অধ্যয়ন নকৰা কোনো বাহিৰৰ ছাত্ৰ-ছাত্ৰীক পঞ্জীয়ন নকৰাৰ নিৰ্দেশ দিছে। বৰ্ডে ইতিমধ্যে চৰকাৰক দাখিল কৰা পত্ৰ মতে বহু বিদ্যালয় যিবোৰ বৰ্ডৰ সৈতে জড়িত নহয় আৰু ইউডাইচ কোৰ্ড নথকা সেইবোৰে শিক্ষানুষ্ঠানে নিজৰ ছাত্ৰ-ছাত্ৰীক নৱম শ্ৰেণীৰ পঞ্জীয়ন আন চৰকাৰী বিদ্যালয়ত পঞ্জীয়ন কৰে। কিন্তু এনে ছাত্ৰ-ছাত্ৰীসকল পঞ্জীয়ন কৰা বিদ্যালয়সমূহৰ প্ৰকৃত ছাত্ৰ নহয় আৰু পঞ্জীয়নৰ ভুৱা ছাত্ৰ বুলি অভিহিত কৰিব পাৰি। বিদ্যালয়ৰ এনে কাৰ্য্যকলাপে চৰকাৰী/প্ৰাদেশিক বিদ্যালয়সমূহৰ কাম-কাজ নিৰীক্ষণ কৰাত সমস্যাৰ সৃষ্টি কৰিছে। সেই অনুসৰি বহু চৰকাৰী/ প্ৰাদেশিক বিদ্যালয়ে গ্ৰহণ কৰা এনে অনৈতিক পদ্ধতি উপযুক্ত নিৰ্দেশনা জাৰি কৰি বন্ধ কৰাৰ পৰামৰ্শ দিয়া হৈছে। সেই অনুসৰি সকলো জিলাৰ অধীনস্থ চৰকাৰী/ প্ৰাদেশিক মাধ্যমিক বিদ্যালয়ৰ সকলো মুৰব্বীক নিৰ্দেশ দিছে যে বিদ্যালয়ত অধ্যয়ন নকৰা কোনো বাহিৰৰ ছাত্ৰ-ছাত্ৰীক পঞ্জীয়ন নকৰিবলৈ। এই নিৰ্দেশৰ পিছতে বহু কোড নথকা ব্যক্তিগত খণ্ডৰ বিদ্যালয় বিমোৰত পৰিছে। চৰকাৰী নিয়ম ভংগ কৰি ব্যৱসায়িক উদ্দেশ্য চলি অহা এনে বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীও সমস্যাত পৰাৰ সম্ভাৱনা প্ৰকট হৈছে।

যুৱ-প্ৰজন্মৰ নিযুক্তিৰ বাবে উপাচাৰ্যৰ পদক্ষেপৰ প্ৰশংসা

# মঙলদৈৰ অসম স্কিল বিশ্ববিদ্যালয় পৰিদৰ্শন এ আই এছ পি চেলৰ প্ৰতিনিধি দলৰ

**অসম বাৰ্তা, মঙলদৈ, ১৬ জুন ঃ** অল ইণ্ডিয়া চাৰ্ভিচেছ পেন্সনাৰ্ছ চেল (এআইএছপি চেল), অসম-মেঘালয় কেডাৰ, অসম গোট, গুৱাহাটীৰ ৩০ জনীয়া এটা প্ৰতিনিধি দলে আজি সভাপতি পৰমেশ দত্ত, আই এএছ (অৱসৰপ্ৰাপ্ত) আৰু সম্পাদক দেবজ্যোতি হাজৰিকা, আই এএছ (অৱসৰপ্ৰাপ্ত)ৰ নেতৃত্বত মঙলদৈস্থিত অসম স্কিল বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোত যুটীয়া সম্পাদক ব্ৰজেনজিৎ সিনহা, আই পিএছ (অৱসৰপ্ৰাপ্ত); থানেশ্বৰ মালাকাৰ, আই এএছ (অৱসৰপ্ৰাপ্ত); আৰু আই এএছ/আইপিএছ/আইএফএছ সেৱাৰ অন্যান্য জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত আছিল। উপাচাৰ্য সুভাষ চন্দ্ৰ দাস, আইএএছ (অৱসৰপ্ৰাপ্ত)য়ে বিশ্ববিদ্যালয়ত চলি থকা বিভিন্ন দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ বিষয়ে প্ৰতিনিধি দলটোক অৱগত কৰে। এক বিশদ পাৱাৰ পইণ্ট উপস্থাপনৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ শৈক্ষিক শাখা, চলি থকা ইণ্টাৰ্ণশ্বিপ আৰু অসম তথা ভাৰতৰ আগশাৰীৰ কোম্পানী সমূহৰ সৈতে হোৱা বুজাবুজিৰ বিষয়ে আলোকপাত কৰা হয়, যিয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে নিযুক্তিৰ সুযোগ সৃষ্টি কৰিছে। প্ৰতিনিধি দলে উপাচাৰ্যৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা সুবিধাসমূহৰ বিষয়ে আলোচনা কৰে আৰু পিছত আন্তঃগাঁথনি আৰু সা-সুবিধাৰ বুজ ল'বলৈ চৌহদ পৰিদৰ্শন কৰে। মঙলদৈৰ স্থানীয় সবাদদাতাকো এই ভ্ৰমণৰ বিষয়ে অৱগত কৰা হয়। প্ৰতিনিধি দলৰ সদস্যসকলে বিশ্ববিদ্যালয় খনৰ নিৰন্তৰ বিকাশ আৰু কল্যাণৰ বাবে উপাচাৰ্যক কেইবাটাও পৰামৰ্শ আগবঢ়ায়। ২০২১ চনত প্ৰতিষ্ঠিত অসম স্কিল বিশ্ববিদ্যালয় হৈছে যুৱ প্ৰজন্মৰ দক্ষতা বিকাশৰ বাবে উৎসৰ্গিত এখন অনন্য প্ৰতিষ্ঠান, যিয়ে বিভিন্ন খণ্ডত চাকৰিমুখী প্ৰশিক্ষণ আৰু নিযুক্তিৰ সুযোগ প্ৰদান কৰে। বিকাশৰ প্ৰাৰম্ভিক পৰ্যায়ত থাকিও, উপাচাৰ্য সুভাষ চন্দ্ৰ দাস, আইএএছ (অৱসৰপ্ৰাপ্ত)ৰ সক্ৰিয় নেতৃত্বত বিশ্ববিদ্যালয়খনে কম সময়ৰ ভিতৰতে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। তেখেতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ প্ৰজন্মৰ স্বাৰ্থত নতুন নতুন উদ্যোগ-সংগত পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা চলাই আছে। এ আই এছ পি চেলে আশা প্ৰকাশ কৰে যে অঞ্চলটোৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলে আগবাঢ়ি আহি বিশ্ববিদ্যালয়খনে সৃষ্টি কৰা সুযোগসমূহৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিব।

# নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

অসম বাৰ্তা, নামতি, নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি নাজিৰা বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইৰ উপস্থিতিত শিৱসাগৰ জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হয়। শিৱসাগৰ জিলা আয়ুক্ত মৃদুল য়াদৱৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা আজিৰ এই বৈঠক খনত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগসমূহৰ জিলাস্তৰীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে। উক্ত সভাত বিভাগীয় কাম-কাজৰ বিতং পৰ্যালোচনা কৰাৰ লগতে জিলাখনত ৰূপায়ণ হৈ থকা গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণ, অগ্ৰগতিৰ খতিয়ানৰ ওপৰত আলোচনা কৰা হয়। উক্ত বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, শিক্ষা, স্বাস্থ্য, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, ৰাজহ, লোকনিৰ্মাণ (পথ আৰু গৃহ), জনস্বাস্থ্য কাৰিকৰী, পৰিবহণ, মহিলা আৰু শিশু উন্নয়ন, নগৰ উন্নয়ন, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, পশুপালন আৰু পশু চিকিৎসা, মীন, উদ্যোগ আৰু বাণিজ্য, জলসম্পদ, জলসিঞ্চন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আদিকে ধৰি আন কেইবাটাও বিভাগৰ পৰ্যালোচনা কৰা হয়। বিধায়ক ময়ূৰ বৰগোহাঁইয়ে বিভাগীয় আঁচনি সমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় মুৰব্বীসকলক নিৰ্দেশ দিয়ে। লগতে জনহিতকৰ আঁচনিসমূহৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত আন্তঃবিভাগীয় সমন্বয় বৰ্তাই ৰাখিবলৈও উপস্থিত সকলোকে বৈঠকত আহ্বান জনায়। বৈঠকত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ সভানেত্ৰী ক্ৰমে বৰ্ণালী চেতিয়া আৰু কবিতা মেচৰ লগতে শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সকল, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্ত সকল, কাৰ্যবাহী বিষয়াসকল আৰু জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# ২০২৭ৰ ডিচেম্বৰত মঙলদৈত সদৌ অসম মইনা পাৰিজাতৰ ঊনবিংশতিতম ৰাজ্যিক শিশু সমাৰোহ

**চলিত বৰ্ষৰ জুলাই মাহত মঙলদৈ জিলা মইনা পাৰিজাতৰ সতীৰ্থ সন্মিলন**

**অসম বাৰ্তা, মঙলদৈ, ১৬ জুন ঃ** সদৌ অসম মইনা পাৰিজাতৰ দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হৈ আহিছে ৰাজ্যিক শিশু সমাৰোহ। ২০২৫ বৰ্ষত গোলাঘাট জিলাৰ মৰঙীত ৰাজ্যিক শিশু সমাৰোহ হৈ যোৱাৰ পিছত ২০২৭ বৰ্ষৰ ডিচেম্বৰ মাহত মঙলদৈ অনুষ্ঠিত হ'ব ঊনবিংশতিতম ৰাজ্যিক শিশু সমাৰোহ। মৰঙীত অনুষ্ঠিত ৰাজ্যিক শিশু সমাৰোহৰ মুকলি সভাতেই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সদৌ অসম মইনা পাৰিজাতৰ এখন উল্লেখযোগ্য জিলা মইনা পাৰিজাত মঙলদৈ জিলা মইনা পাৰিজাত। মঙলদৈ জিলা মইনা পাৰিজাতে ইতিমধ্যে ২০১০ বৰ্ষত ৰাজ্যিক শিশু সমাৰোহ আয়োজন কৰি সফলতা লাভ কৰিবলৈ সক্ষম হোৱাৰ পিছত ১৭ বছৰৰ অন্তত পুনৰ অনুষ্ঠিত কৰিব বিচাৰিছে ৰাজ্যিক সমাৰোহ। তাৰ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰিছে মঙলদৈ জিলা মইনা পাৰিজাতে। ঊনবিংশতিতম ৰাজ্যিক শিশু সমাৰোহৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰিবলৈ শনিবাৰে আবেলি মঙলদৈ প্ৰেছ ক্লাবৰ সভাগৃহত জিলা মইনা পাৰিজাতৰ এখনি বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কাৰ্যনিৰ্বাহক সভাৰ এক প্ৰস্তাৱ অনুসৰি মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন মইনা আৰু বিষয়ববীয়া সকলক লৈ এখন ন-পুৰণি সতীৰ্থ সন্মিলন চলিত বৰ্ষৰ জুলাই মাহত আয়োজনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। জিলা মইনা পাৰিজাতৰ সম্পাদক দ্বীপেন বৰুৱাই জনোৱা অনুসৰি অনুসৰি মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন মইনা আৰু বিষয়ববীয়া যি সকল ৰাজ্য তথা দেশৰ বিভিন্ন প্ৰান্তত কৰ্মৰত হৈ আছে সেই সকল মইনাক তথা বিষয়ববীয়াক মঙলদৈ বিংশতিতম ৰাজ্যিক শিশু সমাৰোহত অংশগ্ৰহণৰ সুযোগ দিয়াৰ লক্ষ্যৰে এই সতীৰ্থ সন্মিলনৰ আয়োজন কৰা হৈছে। অসম তথা ৰাজ্যৰ বাহিৰতো যি সকল মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন মইনা আছে তেওঁ লোকক জিলা সম্পাদক দ্বীপেন বৰুৱাৰ ৯৩৬৫৫৭৬৬৮৪ নম্বৰত, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰানা আলমৰ ৯৭০৭৯১৬০৮২ নম্বৰত, প্ৰাক্তন সম্পাদক বসন্ত শইকীয়াৰ ৯৮৬৪১৯০৭৫৮ নম্বৰতবা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য প্ৰবীণ বৰুৱাৰ ৭০৮৬৭৮৬৪৮১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আজিৰ সভাই আহ্বান জনাই। সভাত ২০২৭ৰ ডিচেম্বৰত মঙলদৈত অনুষ্ঠিত হ'ব লগীয়া সদৌ অসম মইনা পাৰিজাতৰ ঊনবিংশতিতম ৰাজ্যিক শিশু সমাৰোহ প্ৰস্তুতি সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়।

# গোসাঁইগাঁৱৰ উপেন্দ্ৰপুৰত বজ্ৰপাতত দশম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত উপেন্দ্ৰপুৰ গাঁৱত এক শোকাৱহ ঘটনাত বজ্ৰপাতত এজন দশম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু হয়। মৃত ছাত্ৰজন উপেন্দ্ৰপুৰ গাঁৱৰ বাসিন্দা বাজুন মূৰ্মুৰ পুত্ৰ থিয়ফিল মূৰ্মু (১৬) বুলি জানিব পৰা গৈছে। থিয়ফিল স্থানীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ আছিল। জানিব পৰা মতে, সমনীয়াসকলৰ সৈতে খেলপথাৰত ফুটবল খেলি থকা সময়তে হঠাতে হোৱা বজ্ৰপাতত থিয়ফিল গুৰুতৰভাৱে আহত হয়। ঘটনাৰ পিছতে পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক চিকিৎসালয়লৈ লৈ যায় যদিও কৰ্তব্যৰত চিকিৎসকে পৰীক্ষা কৰি মৃত ঘোষণা কৰে। ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি প্ৰয়োজনীয় আইনগত প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰিছে। এই অকাল মৃত্যুত পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলতে গভীৰ শোকৰ পৰিৱেশ বিৰাজ কৰিছে।

# অসম উৰিয়া (উৎকল) যুৱ পৰিষদৰ আমগুৰি আঞ্চলিকৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুন ঃ** অসম উৰিয়া (উৎকল)যুৱ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত আমগুৰি আঞ্চলিক সমিতি গঠন উদেশ্যে আজি আমগুৰি চাহ বাগিছা শ্ৰমিক বিনোদন কেন্দ্ৰত শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভা আৰম্ভণিতে শ্ৰীশ্ৰী জগনাথ মহা প্ৰভুৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পূজা অৰ্চনা সম্পন্ন কৰা পাছতে মহেন্দ্ৰ তাঁতী কণ্ঠত উৰিয়া ভাষালৈ ৰূপান্তৰিত 'অ মোৰ আপোনাৰ দেশ' গীতটি পৰিবেশন কৰা হয়। শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিদ্যাধৰ তাঁতীয়ে সভাপতিত্ব কৰাৰ সভা উদেশ্য ব্যাখ্যা কৰে মহেশ তাঁতীয়ে। আমগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী অৰ্চনা কন্ধ আৰু বৰচিলা গাঁও পঞ্চায়তৰ সভপতি মিথুন তাঁতীয়ে শুভেচ্ছা জ্ঞাপন কৰে। সভাত জিলা সমিতিৰ কেবাগৰাকীও বিষয়ববীয়া লগতে জাতি সমাজৰ বিশিষ্ট গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাত টনি বেনাইতক সভাপতি আৰু বিপুল তাঁতীক সম্পাদক নিৰ্বাচন কৰি ৩১জনীয়া আমগুৰি আঞ্চলিক সমিতি গঠন কৰা হয়। নৱ গঠিত সমিতি খনক জিলা সমিতিৰ সভাপতি আৰু সম্পাদকে শুভেচ্ছা জ্ঞাপন কৰে।

# অসমীয়া চলচ্চিত্ৰ "মহাবাহু The Brahmaputra"ৰ মুক্তিৰ দিন স্থগিত

**অসম বাৰ্তা, নামতি, ১৬ জুন ঃ** মনঅৰিজিত এণ্টাৰটেইনমেণ্ট"ৰ বেনাৰত "লৌহিত্য আৰ্টচ" ৰ সহযোগত নিৰ্মিত পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া কথাছবি "মহাবাহু The Brahmaputra" অহা ১৯ জুনত সমগ্ৰ অসমৰ চিত্ৰগৃহতে মুক্তিৰ বাবে সাজু হৈ উঠিছিল। এই সময়ছোৱাতে একেলগে ভালেকেইখন অসমীয়া ছবিয়ে ছবিগৃহত ভিৰ কৰি থকাৰ পৰিপ্ৰেক্ষিতত মহাবাহু গোষ্ঠীয়ে তেওঁলোকৰ ছবিৰ মুক্তিৰ দিন সাময়িক ভাৱে স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে ইতিমধ্যে ১২ জুনত মুক্তি প্ৰাপ্ত চুপাচুপি অসমৰ ছবিগৃহ সমূহত চলিব লাগিছে তথা অহা ৩ জুলাইত মুক্তিৰ বাবে সাজু হৈ আছে ককাদেউতা নাতি আৰু হাতী-২। অসমীয়া ছবিৰ সীমিত পৰিসৰৰ বজাৰ ক্ষেত্ৰ খনত প্ৰতিখন ছবিয়েই যাতে ছবিগৃহত চলিবৰ বাবে পৰ্যাপ্ত সময়-সুবিধা পায় তাৰ প্ৰতি লক্ষ্য ৰাখি মহাবাহু পৰিয়ালে ছবিখনৰ মুক্তিৰ দিন পিচুৱাই দিয়াৰ সিদ্ধান্ত লয়। অহা ২৪জুলাইত মুক্তি লাভ কৰিব অসমীয়া চলচ্চিত্ৰ "মহাবাহু The Brahmaputra"। এই কথা ইতিমধ্যেই সংবাদমেল যোগে জানিবলৈ দিয়ে "মহাবাহু The Brahmaputra"ৰ চলচ্চিত্ৰৰ উদ্যোক্তাই। উল্লেখ্য যে ২০১৯ চনৰ শেষৰ ফালে ছবিখনৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছিল। আৰু অনেক ঘাট-প্ৰতিঘাট নেওচি সুদীৰ্ঘ প্ৰায় ৭ বছৰৰ মুৰত ছবিখনে মুক্তিৰ ফালে আগবাঢ়িছে। ইতিমধ্যে ছবিখনৰ এটি টিজাৰ, এটি ট্ৰেইলাৰ তথা তিনিটাকৈ গীতৰ ভিডিঅ' ইউটিউবত মুক্তি দিয়া হৈছে আৰু দৰ্শকৰ মাজত ছবিখনৰ প্ৰতি উৎসুকতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। টিজাৰ, ট্ৰেইলাৰ প্ৰত্যক্ষ কৰি এই কথা সহজে অনুমেয় যে এখন অসমীয়া ছবি হিচাপে মহাবাহুৰ বিষয় বস্তুত পূৰামাত্ৰাই নতুনত্ব আছে। মহাবাহুক এখন এডভেনচাৰ থ্ৰীলাৰ হিচাপে এক নতুন ধাৰা অসমীয়া ছবি বুলি অভিহিত কৰিব পাৰি। জানিব পৰা মতে সকলো শ্ৰেণীৰ দৰ্শকৰ উপভোগ্য হোৱাকৈ দু সাহসিক অভিযানৰ লগতে একচন ৰোমাঞ্চ আদিৰে পৰিপূৰ্ণ মহাবাহু ছবিখনত ব্ৰহ্মপুত্ৰ নদীখনৰ কথা, বানপানী-গৰাখহনীয়া আদি বিষয়বস্তুক সাঙুৰি লোৱা হৈছে। কাহিনীকাৰ, পৰিচালক তথা অন্যতম মুখ্য চৰিত্ৰত মুখ্য চৰিত্ৰত অভিনয় কৰা প্ৰাঞ্জল প্ৰতিম চেতিয়াৰ এইখন প্ৰথম পূৰ্ণদৈৰ্ঘ্যৰ ছবি যদিও তেখেত সৰু পৰ্দাৰ বাবে টেলিফিল্ম, ধাৰাবাহিক, ছুটি ছবি, তথ্যচিত্ৰ আদি নিৰ্মাণ কৰাৰ প্ৰায় দুই দশকজোৰা অভিজ্ঞতা পুষ্ট। তেখেতে নিৰ্মাণ কৰা ছুটি ছবি, তথ্যচিত্ৰৰ বাবে ইতিমধ্যে একাধিক বাৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সন্মান লাভ কৰিছে। আনহাতে ছবিখনৰ নায়িকা হৈছে অসমৰ এগৰাকী আগশাৰীৰ মোহময়ী অভিনেত্ৰী প্ৰীতি কংকনা। শৰীৰ চৰ্চাবিদ সুদৰ্শন অভিনেতা প্ৰয়াস (কল্প) আৰু নৱাগতা অভিনেত্ৰী দীয়াশ্ৰীৰ যুতিয়ে দৰ্শকক আমোদ যোগাব। অন্যান্য চৰিত্ৰত অভিনয় কৰিছে এন এচ ডি (দিল্লী) ৰ স্নাতক পলাশ প্ৰতীম মেছ, ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি লাভ কৰা অভিনেতা সেৱান সিং য়েইন, জনপ্ৰিয় অভিনেত্ৰী পল্লৱী গোহাঁই পাঠক আদি কৰি বহু ন-পুৰণি শিল্পীয়ে এই ছবিখনত অভিনয় কৰিছে। ছবিখনৰ প্ৰযোজনা কৰিছে মনোজ চাংবুন ফুকনে। ফুকনে প্ৰযোজনা কৰা ছুটি ছবিয়েও দেশ বিদেশৰ সন্মান বুটলিছে। সহযোগী প্ৰযোজক প্ৰাঞ্জল প্ৰতিম চেতিয়া, বিদ্যুত কোঁৱৰ, আকাশ দুৱৰী আৰু হেমন্ত ফুকন। কাৰ্যবাহী প্ৰযোজক সমীৰ দত্ত। ইয়াৰ উপৰিও প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু দীপলীনা ডেকাই কণ্ঠদান কৰা ইউটিউবত উপলব্ধ সাতোৰঙী শীৰ্ষক গীতটিয়ে জনপ্ৰিয়তা অৰ্জন কৰিছে। চৰ্চা হৈছে যে চিত্ৰগৃহত মুক্তি পাব লগীয়া ছবিৰ ভিতৰত হয়তো মহাবাহুৰেই হ'ব জুবিন গাৰ্গে কণ্ঠদান কৰা শেষৰখন অসমীয়া ছবি। আনহাতে শংকুৰাজ কোঁৱৰে কণ্ঠদান কৰা মহাবাহু শীৰ্ষক গীতটিয়েও ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অন্য এটি গীতত কণ্ঠ নিগৰাইছে পাপৰি গগৈ আৰু সীমান্ত শেখৰে। ছবিখনত অন্তৰ্ভূক্ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি কভাৰ গীতত কণ্ঠ দান কৰিছে গৰীমা কৃষ্টিয়ে। সংগীত পৰিচালনা শংকুৰাজ কোঁৱৰ, চাৰি সৰৱাল, আৰু সুকুমাৰ দত্তৰ। গীতৰ কথা ধৰ্ম ফুকন, সমীৰ দত্ত আৰু মনোজ ফুকনৰ, কৰিঅগ্ৰাফী কৰিছে অসীম গগৈ আৰু পবিত্ৰ বৰায়ে। আৱহ সংগীত সুকুমাৰ দত্তৰ। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত ছবিখনৰ চিত্ৰগ্ৰহণ কৰাৰ উপৰিও প্ৰাঞ্জল প্ৰতীম আৰু প্ৰীতি কংকনাই অভিনয় কৰা এটি গীতৰ চিত্ৰগ্ৰহণ কৰা হৈছে সুদূৰ ভিয়েটনামত। ইউটিউবত 'উপলব্ধ প্ৰথম প্ৰণয়' শীৰ্ষক এই গীতটিয়ে দৰ্শকৰ সমাদৰ লাভ কৰিছে। ছবিখনৰ চিত্ৰগ্ৰহণকাৰী ৰিপু কাশ্যপ আৰু ৰাজা গগৈ। সম্পাদনা তাপস ফুকনৰ। ডি আই, কালাৰিষ্ট-অসীম শৰ্মা, চাউণ্ড ডিজাইন কৰিছে বলিউদ ছবি জগতৰ টেজায়ে। পূণ শব্দগ্ৰহণ আৰু ফলি ৰাজউত্তম বৰাৰ। কাহিনীৰ পটভূমিত নতুনত্ব, দুসাহসিক অভিযান, একচন তথা ৰোমাঞ্চেৰে পৰিপূৰ্ণ মহাবাহু ছবিখনক দৰ্শকে আকোঁৱালি লোৱাৰ পূৰ্ণ সম্ভাৱনা পৰিলক্ষিত হৈছে।

সমজিলা আয়ুক্ত কাৰ্যালয়ত সংবাদমেল

# গহপুৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াবিদ তথা একক চাইকেল আৰোহী আশা মালব্যা

**অসম বাৰ্তা, গহপুৰ, ১৬ জুন ঃ** দেশপ্ৰেম, নাৰী সৱলীকৰণ আৰু অদম্য সাহসৰ বাৰ্তা লৈ সমগ্ৰ ভাৰত ভ্ৰমণ কৰি থকা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াবিদ, পৰ্বতাৰোহী তথা একক চাইকেল আৰোহী আশা মালব্যা আজি গহপুৰত উপস্থিত হয়। ভাৰতীয় সেনা দিৱসৰ ৭৮ সংখ্যক বৰ্ষ উপলক্ষে আশা মালব্যাই দেশৰ পশ্চিম প্ৰান্তৰ পৰা পূব সীমান্তলৈ প্ৰায় ৭, ৮০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক বিশেষ চাইকেল অভিযান আৰম্ভ কৰিছে। ২০২৬ চনৰ ১১ জানুৱাৰীত জয়পুৰৰ পৰা আৰম্ভ হোৱা এই অভিযানৰ অংশ হিচাপে তেওঁ ইতিমধ্যে ৭, ৭৭০ কিলোমিটাৰ পথ অতিক্ৰম কৰি আজি গহপুৰত উপস্থিত হৈছে। এই দুঃসাহসিক যাত্ৰাৰ অন্তিম গন্তব্যস্থান হ'ব অৰুণাচল প্ৰদেশৰ কিবিথু। এই অভিযানৰ মূল উদ্দেশ্য হৈছে নাৰী সৱলীকৰণ, দেশপ্ৰেমৰ চেতনা জাগ্ৰত কৰা আৰু অদম্য সাহসৰ বাৰ্তা দেশবাসীৰ মাজত প্ৰচাৰ কৰা। দেশৰ বিভিন্ন প্ৰান্তত চাইকেল চলাই আশা মালব্যাই বিশেষকৈ যুৱ সমাজ আৰু মহিলাসকলক আত্মবিশ্বাসেৰে আগুৱাই যাবলৈ উৎসাহিত কৰি আহিছে। উল্লেখ্য যে, আশা মালব্যাই ইয়াৰ পূৰ্বেও বহু উল্লেখযোগ্য অভিযান সফলতাৰে সম্পন্ন কৰিছে। ইয়াৰ ভিতৰত আছে ফাজিলকাৰ আছাৰৱালা যুদ্ধ স্মাৰকৰ পৰা জয়পুৰলৈ ৮০০ কিলোমিটাৰ চাইকেল ৰেলী, ভূপাল-পাচমাৰ্হী একক চাইকেল অভিযান, "With Soldiers, For Soldiers" অভিযান, ১৭, ৫০০ কিলোমিটাৰৰ "Empowered Army, Prosperous India" ৰাষ্ট্ৰীয় অভিযান আৰু ২৬, ০০০ কিলোমিটাৰৰ ৰাষ্ট্ৰীয় নাৰী সৱলীকৰণ চাইকেল অভিযান। চলিত বৰ্ষত এতিয়ালৈকে আশা মালব্যাই প্ৰায় ৬৪, ০০০ কিলোমিটাৰ চাইকেল যাত্ৰা সম্পন্ন কৰি এক অনন্য নজিৰ স্থাপন কৰিছে। গহপুৰত তেওঁৰ আগমনে স্থানীয় লোকসকলৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি কৰিছে। তেওঁৰ এই চাইকেল যাত্ৰাৰ বিষয়ে গহপুৰ সমজিলা আয়ুক্তৰ কাৰ্য্যলয়ৰ সভাগৃহত আজি এক সংবাদমেল সম্বোধন কৰে। উক্ত সংবাদমেলত গহপুৰ সমজিলাৰ আয়ুক্ত আদিত্য প্ৰতাপ সিঙো উপস্থিত থাকে।


# পথালিপাহাৰ বৰ নামঘৰৰ প্ৰাক্তন নামঘৰীয়া বকুল বৰাৰ দেহাৱসান

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ জুন ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ নিবাসী, পথালিপাহাৰ বৰ নামঘৰৰ প্ৰাক্তন নামঘৰীয়া, এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি প্ৰায় ৭৫ বছৰীয়া বকুল বৰাৰ আজি সোমবাৰে পুৱা ১০.১৫ বজাত নিজা বাসগৃহত ইহ সংসাৰ ত্যাগ কৰি স্বৰ্গগ্ৰামী হয়। উল্লেখ্য যে তেওঁ বহুদিন এক জটিল ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হৈ আছিল। আজি তেওঁৰ পত্নী, একমাত্ৰ পুত্ৰ-বোৱাৰী আৰু এগৰাকী নাতি সহ ইষ্ট-কুটুম্ব সকলোকে এৰি থৈ বৈকুণ্ঠগ্ৰামী হয়।

# লুইত খাবলু পঞ্চায়তৰ অন্তৰ্গত লিগিৰামুখ চানং গাঁৱত 'শিশু আৰু মহিলাৰ সুৰক্ষা তথা অধিকাৰ' সম্পৰ্কীয় সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুন ঃ** মাজুলী জিলা প্ৰশাসন আৰু জিলা মহিলা তথা শিশু বিকাশ বিভাগৰ যৌথ উদ্যোগত লুইত খাবলু পঞ্চায়তৰ অন্তৰ্গত লিগিৰামুখ চানং ৰংগমঞ্চত 'শিশু আৰু মহিলাৰ সুৰক্ষা তথা অধিকাৰ' সম্পৰ্কীয় এখনি জিলা পৰ্যায়ৰ সজাগতা সভা অনুষ্ঠিত হৈ যায়। মাজুলীৰ জিলা আয়ুক্ত সৃষ্টি সিংহ, IAS-ৰ উপস্থিতিত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সভাত জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেখেতে সমাজৰ পৰা বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি দূৰ কৰাৰ লগতে এক সুস্থ, সুৰক্ষিত আৰু কুসংস্কাৰমুক্ত সমাজ গঠনত ছাত্ৰ-ছাত্ৰীসকলক সক্ৰিয় ভূমিকা ল'বলৈ আহ্বান জনায়। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ আইনী প্ৰতিৰক্ষা অধিবক্তা বোধেশ্বৰ পামেগামে বাল্য বিবাহ প্ৰতিৰোধ আইন আৰু মহিলা তথা শিশুৰ সাংবিধানিক আৰু আইনী সুৰক্ষাৰ বিভিন্ন দিশ সামৰি এক বিস্তৃত ব্যাখ্যা আগবঢ়ায়। আনহাতে, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ড° কিশোৰ কামানে কিশোৰী অৱস্থাৰ গৰ্ভধাৰণৰ কুফল আৰু ইয়াৰ ফলত মাতৃ তথা শিশুৰ জীৱনলৈ অহা বিভিন্ন স্বাস্থ্যজনিত জটিলতাৰ বিষয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে আলোকপাত কৰে। উক্ত সজাগতা সভাত অতিৰিক্ত জিলা আয়ুক্ত মনীষা কলিতা, সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, জিলা টীকাকৰণ বিষয়া ড° পুষ্পধৰ দেউৰী, লুইত খাবলু পঞ্চায়তৰ সচিব, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী আৰু নিকটবৰ্তী কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# শুৱালকুছিত দক্ষিণ কামৰূপ ক্ৰীড়া সমাজৰ সফলতা



অসম বাৰ্তা, মিৰ্জা, শুৱালকুছি ষ্টেডিয়ামত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত তথা শুৱালকুছি ক্ৰীড়া সন্থাৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এথলেটিকছ প্ৰতিযোগিতাত দক্ষিণ কামৰূপৰ ক্ৰীড়া সমাজৰ খেলুৱৈসকলে উজ্জ্বল সফলতা লাভ কৰি অঞ্চলটোক গৌৰৱান্বিত কৰিবলৈ সক্ষম হৈছে। বিভিন্ন শাখাত অংশগ্ৰহণ কৰা খেলুৱৈসকলে একাধিক প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনত মহিলা শাখাত অংকিতা ৰাভাই ৩ হাজাৰ মিটাৰ দৌৰত প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে মনালিছা ৰাভাই ৮০০ মিটাৰ দৌৰত প্ৰথম আৰু ৪০০ মিটাৰত দ্বিতীয় স্থান লাভ কৰে। সুকন্যা ৰাভাই ২০০ আৰু ৪০০ মিটাৰ দৌৰত তৃতীয় স্থান লাভ কৰে। ১৮ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত দীপা কুমাৰীয়ে ডিচকাছ থ্ৰোত প্ৰথম আৰু ১ হাজাৰ মিটাৰ দৌৰত দ্বিতীয় স্থান লাভ কৰে। অমানিশা দাসে জেভলিন থ্ৰো আৰু চটপুটত প্ৰথম স্থান লাভ কৰাৰ লগতে শাখাটোৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। দীপামণি কলিতাই জেভলিন থ্ৰো আৰু ডিচকাছ থ্ৰো দুয়োটাতে দ্বিতীয় স্থান লাভ কৰে। নয়না ঠাকুৰীয়াই চটপুটত দ্বিতীয় আৰু ১ হাজাৰ মিটাৰ দৌৰত তৃতীয় স্থান লাভ কৰে। ২০ বছৰ অনুৰ্ধৰ শাখাত আফৰিদ হুছেইনে জেভলিন থ্ৰোত প্ৰথম আৰু ডিচকাছ থ্ৰোত দ্বিতীয় স্থান লাভ কৰে। ১৮ বছৰ অনুৰ্ধৰ ল'ৰা শাখাৰ মানস কলিতাই চটপুট আৰু ডিচকাছ থ্ৰোত দ্বিতীয় স্থান দখল কৰে। ১৬ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত কংকনা দাসে লং জাম্পত দ্বিতীয় স্থান লাভ কৰে। আনহাতে, ১৪ বছৰ অনুৰ্ধৰ ল'ৰা শাখাত জ্যোতিময় ঠাকুৰীয়াই ট্ৰাইএথলন 'বি'ত তৃতীয় স্থান লাভ কৰে। উল্লেখ্য যে, দক্ষিণ কামৰূপৰ ক্ৰীড়া সমাজে চাৰি বছৰ ধৰি অঞ্চলটোৰ ক্ৰীড়া বিকাশত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। প্ৰশিক্ষক তাপত্যে ডেকাৰ তত্বাৱধানত খেলুৱৈসকলে বিভিন্ন প্ৰতিযোগিতাত সফলতা অৰ্জন কৰি সংস্থাটোৰ সুনাম বৃদ্ধি কৰিছে।

# মাজুলীত 'শিশু আৰু মহিলা সুৰক্ষা তথা অধিকাৰ' সম্পৰ্কীয় জিলা পৰ্যায়ৰ সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ১৬ জুন ঃ** আজি মাজুলী জিলা প্ৰশাসন আৰু জিলা মহিলা তথা শিশু বিকাশ বিভাগৰ যৌথ উদ্যোগত লুইত খাবলু পঞ্চায়তৰ অন্তৰ্গত লিগিৰামুখ চানং ৰংগমঞ্চত 'শিশু আৰু মহিলাৰ সুৰক্ষা তথা অধিকাৰ' সম্পৰ্কীয় এখনি জিলা পৰ্যায়ৰ সজাগতা সভা অনুষ্ঠিত হৈ যায়। মাজুলীৰ জিলা আয়ুক্ত সৃষ্টি সিংহ, IAS-ৰ উপস্থিতিত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সভাত জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেখেতে সমাজৰ পৰা বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি দূৰ কৰাৰ লগতে এক সুস্থ, সুৰক্ষিত আৰু কুসংস্কাৰমুক্ত সমাজ গঠনত ছাত্ৰ-ছাত্ৰীসকলক সক্ৰিয় ভূমিকা ল'বলৈ আহ্বান জনায়। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ আইনী প্ৰতিৰক্ষা অধিবক্তা বোধেশ্বৰ পামেগামে বাল্য বিবাহ প্ৰতিৰোধ আইন আৰু মহিলা তথা শিশুৰ সাংবিধানিক আৰু আইনী সুৰক্ষাৰ বিভিন্ন দিশ সামৰি এক বিস্তৃত ব্যাখ্যা আগবঢ়ায়। আনহাতে, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডঃ কিশোৰ কামানে কিশোৰী অৱস্থাৰ গৰ্ভধাৰণৰ কুফল আৰু ইয়াৰ ফলত মাতৃ তথা শিশুৰ জীৱনলৈ অহা বিভিন্ন স্বাস্থ্যজনিত জটিলতাৰ বিষয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে আলোকপাত কৰে। উক্ত সজাগতা সভাত অতিৰিক্ত জিলা আয়ুক্ত মনীষা কলিতা, সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, জিলা টীকাকৰণ বিষয়া ডঃ পুষ্পধৰ দেউৰী, লুইত খাবলু পঞ্চায়তৰ সচিব, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী আৰু নিকটবৰ্তী কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# জাঁজীত অমৰ শ্বহীদ কুশল কোঁৱৰলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, জাঁজী, ১৬ জুন ঃ** ১১শ স্বতন্ত্ৰ সৈনিক ভলনতিয়াৰৰ কৰ্ম্ম ক্ষেত্ৰ জাঁজী বামণপুখুৰীৰ মুক্তি যুঁজাৰু পৰিয়াল সমন্বয়ৰক্ষী সমিতিৰ মুখ্য কাৰ্যালয়ত আজি দিন জোৰা কাৰ্যসূচীৰে শ্বহীদ কুশল কোঁৱৰৰ ৮৪ তম মৃত্যু দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা ৮ বজাত মুক্তি যুঁজাৰু পৰিয়াল সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সুব্ৰত ভট্টাচাৰ্য্যই পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে দিনযোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আনহাতে পুৱা ১০ বজাৰ পৰা বিয়লি তিনি বজালৈ শ্বহীদ জনাৰ মুকলি পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠান আৰু তেওঁৰ জীৱনকালৰ ঘটনাৰাজীৰ ওপৰত আলোকপাত কৰি সভাপতি ভট্টাচাৰ্য্যই শ্বহীদ জনাৰ ফাঁচিকাঠত উথাৰ ঠিক আগমুহূৰ্তত কোৱা অমৰ বাণী এটাৰে দিনযোৰা কাৰ্যসূচীৰ সামৰণি মাৰে। উল্লেখযোগ্য যে ফাচিৰ আগ দিনা যোৰহাট জেলত থকা সকলো সহ ৰাজনৈতিক বন্দী একত্ৰিত হৈ কোঁৱৰক সম্বৰ্ধনা জনোৱাৰ লগতে কনিষ্ঠ সকলে তেওঁৰ চৰণ স্পৰ্শ কৰি সেৱা কৰি কান্দোনত ভাগি পৰে। তেতিয়া তেওঁ সকলোকে সান্ত্বনা দি দেশৰ কাৰণে প্ৰাণ দিবলৈ পোৱাতকৈ জীৱনত আৰু কি সুখ লাগে বুলি সান্ত্বনা দিয়ে। লগতে ফাচিৰ বাবে আগুৱাই যোৱা সময়ত সহ স্বাধীনতা সংগ্ৰামী গৰমূৰীয়া সত্ৰাধিকাৰ পৰা নিৰ্মালি আৰু আশীৰ্বাদ গ্ৰহণ কৰি সকলোকে প্ৰণাম জনাই বিদায় লয়।

# বিমান প্ৰতীম মাছৰেং আৰু প্ৰমোদ ছাগ্ৰা অধীনৰ সদৌ তিৱা ছাত্ৰ সন্থাৰ সমিতিক ভুৱা আখ্যা সদৌ তিৱা ছাত্ৰ সন্থাৰ মৰিগাঁও জিলা সমিতিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ১৬ জুন ঃ** সোমবাৰে এক প্ৰেছ বিবৃতি জৰিয়তে সদৌ তিৱা ছাত্ৰ সন্থাৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি দিপাংকৰ পাটৰ আৰু সম্পাদক প্ৰশান্ত দেউৰীয়ে জনায় যে দুদিন আগত ছপা আৰু বৈদ্যুতিন মাধ্যমত এটি বাতৰি আমাৰ দৃষ্টিগোচৰ হৈছে, যে সদৌ তিৱা ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিয়ে ৩জন নেতাক বহিষ্কাৰ কৰিছে। কিন্তু কথা হল যিসকলে নিজকে কেন্দ্ৰীয় সমিতি বুলি ভাবিছে তেওঁলোক হালধীয়া আৰু স্বয়ম্ভু কেন্দ্ৰীয় সমিতি। অসমত তেওঁলোকৰ কোনো জিলা সমিতি নাই। কোনো তৃণমূল পৰ্যায়ৰ সাংগাঁথনিক সমিতি নাই। তেওঁলোকে যোৱা ইংৰাজী ৩১ জানুৱাৰী আৰু ১ফেব্ৰুৱাৰী ২০২৬ তাৰিখে নগাঁও জিলাৰ কামপুৰ তেতেলীসৰা গ্ৰাণ্টত অনুষ্ঠিত কৰা অধিৱেশনত কোনো জিলা সমিতি আৰু আঞ্চলিক সমিতিৰ প্ৰতিনিধি উপস্থিত নথকাত তেওঁলোকক আহ্বায়ক সমিতি গঠন কৰিবলৈহে মৰিগাঁও জিলা সমিতিৰ তৰফৰ পৰা পৰামৰ্শ আগবঢ়োৱা হৈছিল। উক্ত অধিৱেশনত মৰিগাঁও জিলা সমিতিৰ বাহিৰে অন্য কোনো জিলা সমিতিয়ে অংশগ্ৰহণ নকৰাত পূৰ্ণাংগ কেন্দ্ৰীয় সমিতি গঠন কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছিল। মাথোঁ পৰৱৰ্তী পৰ্যায়ত আটাইবোৰ জিলা আৰু প্ৰাথমিক সমিতিৰ উপস্থিতিতহে কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যজনক আৰু লজ্জাজনক কথা যে প্ৰতিনিধি সভাত কোনো প্ৰতিনিধি উপস্থিত নথকাকৈয়ে বৰ্তমানৰ বিমান প্ৰতীম মাছৰেং আৰু প্ৰমোদ ছাগ্ৰাই নিজে নিজে নিজৰ নাম লিখি সভাপতি সম্পাদক বুলি সংবাদ মাধ্যমলৈ বিবৃতি প্ৰেৰণ কৰিছিল আৰু যোৱা ইংৰাজী ২৫ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত সংবাদ মাধ্যমৰ জৰিয়তে তেওঁলোক অবৈধ আৰু অসাংবিধানিক সমিতি বুলি প্ৰকাশ কৰা হৈছিল। যি হালধীয়া আৰু স্বয়ম্ভু কেন্দ্ৰীয় সমিতিয়ে আনক অসাংবিধানিক বুলি অনুশাসনমূলক ব্যৱস্থাৰ কথা বাতৰিৰ জৰিয়তে প্ৰকাশ কৰিছে তেওঁলোক নিজেই অবৈধ আৰু অসাংবিধানিক সমিতি। তেওঁলোক হৈছে কামপুৰ, কঠীয়াতলি, ভকচং, নেলী, সীতা জখলা, আমলিঘাট আৰু জাগীৰোড অঞ্চলত বিভিন্ন ধৰণৰ চিনডিকেটৰ লগত জড়িত থকা ডকাইতৰ দল। ভালেকেইখন আৰক্ষী চকী আৰু থানাত তেওঁলোকৰ নাম বিভিন্ন গোচৰত অভিযুক্ত হৈ আছে। গৰু, মহ, গাহৰি কয়লা, বাঁহ, শিল, বালি, ঝাড়ু, ব্ৰয়লাৰ ঠেং পেটুকা আৰু মাছৰ দানা ইত্যাদি চিনডিকেটৰ সৈতে তেওঁলোক নিবিড়ভাৱে জড়িত অনুসন্ধানত সকলো তথ্য উপলব্ধ। গতিকে, কোনো জিলা সমিতি নথকা কোনো আঞ্চলিক সমিতি নথকা অসাংবিধানিক কেইজনমান ব্যক্তিক আমি জাতীয় সংগঠনৰ মৰ্যাদা দিব নোৱাৰোঁ। কেৱলমাত্ৰ সিদ্ধিশৰ, ৰৌমাৰি, বিহিতা, পলাশবাৰী, নলধৰা এই গাওঁসমূহৰ জনজাতি তিৱা, কাৰ্বি, বড়ো নেপালী, ফৰেষ্ট মাটিত বসবাস কৰা লোকসকলক জাগীৰোড ছেটেলাইট টাউনশ্বিপ নিৰ্মাণৰ বাবে ভূমি উচ্ছেদৰ আশংকাযুক্ত প্ৰতিবাদত নেতৃত্ব লোৱা ব্যক্তি বাবেহে আমি সকলোৱে একমুখে প্ৰতিবাদ সাব্যস্ত কৰি আহিছো। এই ইচ্ছুটোকে গইনা হিচাপে লৈ প্ৰতিষ্ঠা লাভ কৰিবলৈ অপপ্ৰয়াস কৰা অসাংবিধানিকভাৱে গঠিত হালধীয়া তথা অবৈধ সমিতিক নিজকে সুসংগঠিত বুলি জাহিৰ কৰিবলৈ সুযোগ গ্ৰহণ কৰাটো নিন্দনীয় আৰু লজ্জাজনক। আমি মৰিগাঁও জিলা সমিতিয়ে গৰিহণা আৰু ধিক্কাৰ দিছো। এইবোৰ ঘৃণনীয় আৰু অক্ষমণীয় অপৰাধ। তেনে জাতিধ্বংসী কাৰ্যকলাপ আৰু ঘৃণনীয় অপৰাধৰ পৰা বিৰত থাকি সুসংগঠিত আৰু সংস্কাৰমুক্ত হৈ প্ৰকৃত জাতীয় ঐক্য আৰু সংহতিৰে অস্তিত্ব ৰক্ষা সংগ্ৰাম খনত সংপৃক্ত আৰু চামিল হবলৈ আহ্বান জনালো। সেয়েহে তেনেকুৱা হালধীয়া আৰু অসাংবিধানিক ব্যক্তিৰ সমষ্টিক আমি সদৌ তিৱা ছাত্ৰ সন্থা মৰিগাঁও জিলা সমিতিয়ে মান্যতা প্ৰদান নকৰো। অৰাজকতা আৰু নৈৰাজ্যবাদৰ জৰিয়তে জাতীয় সংগঠন পৰিচালিত নহয়। জাতীয় সংগঠন পৰিচালিত হয় নীতি নিয়ম, সংবিধান, শৃংখলা আৰু অনুশাসনমূলক ব্যৱস্থাৰ জৰিয়তে। বৈধতা নথকাচ অসাংবিধানিক সমিতিক সদৌ তিৱা ছাত্ৰ সন্থা মৰিগাঁও জিলা সমিতিয়ে স্বীকৃতি নিদিয়ে বুলি বাতৰি কাকতলৈ প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰে।

# বৰপেটাৰ মাজদিয়া আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, চেঙা, ১৬ জুন ঃ** বৰপেটা জিলাত অপৰাধ দমনৰ ক্ষেত্ৰত পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিছে মাজদিয়া আৰক্ষীয়ে। চুৰি হোৱা মূল্যবান সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে এক সুপৰিকল্পিত অভিযান চলাই চাৰিজনকৈ অভিযুক্ত চোৰক আটক কৰিবলৈ সক্ষম হৈছে আৰক্ষী। আৰক্ষীৰ এই সফল অভিযানৰ খবৰে সমগ্ৰ মাজদিয়া আৰু সৰ্থেবাৰী অঞ্চলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে সাধাৰণ লোকৰ মাজত সন্তোষৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি, মাজদিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলী আহমেদৰ নেতৃত্বত সোমবাৰে নিশা গোপন তথ্যৰ ভিত্তিত এক বিশেষ অভিযান চলোৱা হয়। বিগত কিছুদিন ধৰি অঞ্চলটোত সংঘটিত চুৰিৰ কেইবাটাও ঘটনাৰ তদন্ত অব্যাহত থকাৰ মাজতে আৰক্ষীয়ে এক গুৰুত্বপূৰ্ণ সূত্ৰ লাভ কৰে। সেই সূত্ৰৰ ভিত্তিতে সৰ্থেবাৰী থানাৰ অন্তৰ্গত মাজদিয়া গাঁৱৰ নিবাসী আনাৰ আলীৰ বাসগৃহত অভিযান চলাই তেওঁক চুৰিৰ অভিযোগত আটক কৰা হয়। আৰক্ষীৰ জেৰাত আনাৰ আলীয়ে চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰাৰ লগতে আন কেইবাজনো সহযোগীৰ নাম প্ৰকাশ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত মাজদিয়া আৰক্ষীয়ে ধাৰাবাহিকভাৱে বিভিন্ন ঠাইত অভিযান চলাই নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত চাউলখোৱাৰ ফজল হক, সৰ্থেবাৰী থানাৰ গৰিয়া ছটলাৰ আৰাণ আলী আৰু আজগৰ আলীক আটক কৰিবলৈ সক্ষম হয়। ধৃতসকলৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে বিভিন্ন স্থানত তালাচী চলাই চুৰি হোৱা বহু মূল্যবান সামগ্ৰী উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা সামগ্ৰীৰ ভিতৰত দুটা পিতলৰ কলহ, আঠখন কাঁহৰ কাঁহী, চাৰিটা কাঁহৰ বাতি, এযোৰ ৰূপৰ পায়েল আৰু এডাল ৰূপৰ চেইন আছে। এই সামগ্ৰীসমূহ বিভিন্ন ঠাইত লুকুৱাই ৰখা হৈছিল বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। তদন্তত

**চুৰি সামগ্ৰী উদ্ধাৰ, চাৰিজন চোৰ আটক**

পোহৰলৈ অহা মতে, যোৱা ১৪ জুনত সৰ্থেবাৰী থানাৰ অন্তৰ্গত গৰিয়া ছটলাৰ নিবাসী চাহাবুদ্দিনৰ বাসগৃহত সংঘটিত চুৰি কাণ্ডৰ সৈতে উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জড়িত। নিশাৰ আন্ধাৰত ঘৰত প্ৰৱেশ কৰি দুষ্কৃতিকাৰীয়ে এই সামগ্ৰীসমূহ চুৰি কৰিছিল। ঘটনাৰ পিছতে ভুক্তভোগী পৰিয়ালে মাজদিয়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। অভিযোগ লাভ কৰাৰ পিছৰে পৰা আৰক্ষীয়ে বিভিন্ন দিশত তদন্ত চলাই আহিছিল আৰু অৱশেষত গোপন তথ্যৰ ভিত্তিত অভিযান চলাই এই সফলতা লাভ কৰিবলৈ সক্ষম হয়। মাজদিয়া আৰক্ষীৰ এই তৎপৰ অভিযানত চুৰি হোৱা সামগ্ৰীসমূহ উদ্ধাৰ হোৱাৰ লগতে চুৰি চক্ৰৰ সৈতে জড়িত চাৰিজন অভিযুক্ত আৰক্ষীৰ জালত পৰাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। অঞ্চলটোত সাম্প্ৰতিক সময়ত বৃদ্ধি পোৱা চুৰিৰ ঘটনাসমূহৰ মাজত আৰক্ষীৰ এনে সফল অভিযানক অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। ইফালে, আৰক্ষীয়ে ধৃত চাৰিজন অভিযুক্তক অধিক সোধা-পোছা অব্যাহত ৰাখিছে। এই চক্ৰটোৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি, অথবা পূৰ্বে সংঘটিত আন চুৰি কাণ্ডৰ সৈতেও তেওঁলোকৰ সম্পৰ্ক আছে নেকি, সেই দিশত গভীৰ তদন্ত চলি আছে। আৰক্ষীৰ মতে, তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত এই ঘটনাৰ সৈতে জড়িত আন তথ্যও পোহৰলৈ অহাৰ সম্ভাৱনা আছে। মাজদিয়া আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলী আহমেদৰ নেতৃত্বত চলোৱা এই সফল অভিযানক অঞ্চলবাসীয়ে প্ৰশংসা কৰাৰ লগতে আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আৰক্ষীৰ ভূমিকাক আদৰণি জনাইছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ আইনী প্ৰক্ৰিয়া সম্পন্ন কৰি প্ৰকৃত গৰাকীৰ হাতত চমজাই দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে।

# বৰপেটা জিলাৰ বাঘবৰত কিশোৰীৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ অভিযোগত তিনি কিশোৰ আটক

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ জুন ঃ** সোমবাৰে বৰপেটাৰ বাঘবৰৰ ২ নং চাছৰা গাঁৱত সংঘটিত হৈছিল এজনী ১০ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰি হত্যাৰ লোমহৰ্ষক ঘটনা হয়। আৰক্ষীৰ ওচৰত তিনি কিশোৰে স্বীকাৰ কৰা মতে- তিনি কিশোৰে মিলি বিদ্যালয়ৰ পৰা ঘৰলৈ আহি থকা কিশোৰীজনীক মৰাপাট খেতিৰ মাজলৈ নি অতি নিৰ্দয়ভাবে ধৰ্ষণ কৰি হত্যা কৰিছিল। বিদ্যালয়লৈ যোৱা কিশোৰাগৰাকী ঘৰলৈ উভতি অহা নাছিল। পিচত নিশাৰ ভাগত পৰিয়ালৰ লোকে মৰাপাট খেতিৰ মাজত কিশোৰীগৰাকীৰ ৰক্তাক্ত শৰীৰ উদ্ধাৰ কৰিছিল। এই ঘটনাৰ পিচতে নিশাৰ ভাগতে বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য, উপ আৰক্ষী অধীক্ষক ভাৰ্গিছ কুমাৰ ডেকাৰ নেতৃত্বত আৰক্ষুয়ে তদন্ত চলাই কিশোৰীগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ সৈতে জড়িত তিনি কিশোৰক আটক কৰে আৰক্ষীয়ে। জানিব পৰামতে, তিনি অভিযুক্তৰ ভিতৰত এটা অভিযুক্ত ভুক্তভোগী কিশোৰী গৰাকী মোমায়েকৰ কন্যা। জানিবপৰামতে, সোমবাৰে কিশোৰীগৰাকীৰ গা বেয়া লগা বাবে আধাতে বিদ্যালয় সামৰি ঘৰলৈ উভতি আহিছিল কিশোৰীগৰাকী। জনবসতি নথকা তথা মৰাপাট খেতিৰ কাষেৰে কিশোৰীগৰাকীয়ে অকলশৰে ঘৰলৈ আহি থকা অৱস্থাত তিনি অভিযুক্তই কিশোৰী গৰাকীক মৰাপাট খেতিৰ মাজলৈ নি অতি পাশৱিক ভাবে ধৰ্ষণ কৰি পিচত কিশোৰীজনীৰ স্কুল ইউনিফৰ্মেৰে ডিঙিত ফাচ লগাই হত্যা কৰে। প্ৰাৰম্ভিক অৱস্থাত কিশোৰীগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ সৈতে কোন জড়িত থাকিব পাৰে তাৰ কোনো সুংসূত্ৰ উলিয়াব পৰা নাছিল আৰক্ষীয়ে। অৱশ্যে বহু অনুসন্ধানৰ পিচত আৰক্ষীয়ে তিনি কোশোৰক আটক কৰি সোধপোচ কৰাৰ পিচতেই ঘটনাটোৰ বিষয়ে আৰক্ষীৰ আগত সকলো কথা স্বীকাৰ কৰে। জীৱন কি বুজি নুঠোতেই অতি ১০ বছৰীয়া কিশোৰীয়ে এইদৰে ধৰ্ষিতা হৈ মৃত্যুক সাৱটিবলগীয়া ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰীয়াৰ সৃষ্টি হৈছে। আনহাতে তিনি কিশোৰে মিলি এনে বৰ্বৰ হত্যাৰ ঘটনা সংঘটিত কৰা কথাই সামাজিক অপৰাধৰ ভয়ানক ছবি এখন তুলি ধৰিছে। ঘটনাস্থলীত বৰপেটা জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাৰে জড়িত অপৰাধীক ২৪ ঘণ্টাৰ ভিতৰত এনকাউণ্টাৰৰ দাবী কৰিছিল স্থানীয় লোকে।

# প্ৰেমৰ বাবেই আত্মজাহ কাৰিকৰী প্ৰতিষ্ঠানৰ মেধাবী ছাত্ৰৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ জুন ঃ** মৃত দীপাংকৰ গগৈ লখিমপুৰৰ এখন ব্যক্তিগত কাৰিকৰি প্ৰতিষ্ঠানৰ ছাত্ৰ আছিল। প্ৰেমৰ বাবেই নিজকে শেষ কৰাৰ সিদ্ধান্ত ল'লে এজন মেধাৱী ছাত্ৰই। শিমলুগুৰি থানাৰ অন্তৰ্গত জুটুলীবাৰীৰ নিৱাসী যতীন গগৈ আৰু লাৱণ্য গগৈৰ পুত্ৰ দীপাংকৰ গগৈৰ লগত সোণাজুলী ধৰ্মপুৰ গাঁৱৰ প্ৰতাপ গগৈৰ কণ্যা টিনা গগৈৰ দীৰ্ঘদিনীয়া প্ৰেমৰ সম্পৰ্ক আছিল। দীপাংকৰ পৰিয়াল তথা বন্ধুবৰ্গৰ পৰা জানিব পৰা মতে টিনাৰ এই সম্পৰ্ক দেউতাক প্ৰতাপ গগৈয়ে কেতিয়াও মানি লোৱা নাছিল। সেইবাবেই প্ৰতাপ গগৈয়ে কৌশলগত ভাৱে দীপাংকৰ ক নিজ গৃহলৈ মাতি নি যোৱা দেওবাৰে নিশা শাৰীৰিক আৰু মানসিক ভাৱে হাৰাশাস্থি কৰে। দীপাংকৰে এই অপমান সহ্য কৰিব নোৱাৰি যোৱা সোমবাৰে পুৱা ভোগপুৰৰ ট্ৰেইন লাইনৰ উজনীমুৱা ডেকাগাঁও-মুকুঙচেলেক যাত্ৰীবাহী ট্ৰেন খনৰ সন্মুখত পৰি আত্মজাহ যায়। এই ঘটনাই সমগ্ৰ জুটুলীবাৰী অঞ্চলত তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। পৰিয়াল তথা দীপাংকৰ বন্ধুবৰ্গই সহজে মানি ল'ব পৰা নাই এই মৃত্যুক। স্থানীয় ৰাইজে এইয়া পৰিকল্পিত ঘটনা বুলি আখ্যা দিছে আৰু লগতে প্ৰশাসনক উচিত তদন্ত দাবী জনাইছে। দীপাংকৰ মৃতদেহটো ৰেলোৱে আৰক্ষীয়ে মৰনোত্তৰ পৰীক্ষা কৰাৰ পাছত পৰিয়ালক চমজাই দিয়ে। সোমবাৰে আবেলি ৪ বজাত ছাত্ৰ জনৰ মৃতদেহ জুটুলীবাৰী ঘৰ পোৱাৰ পাছতেই কান্দোনত ভাগি পৰে পৰিয়াল তথা অঞ্চলবাসী।

**উন্নত মানদণ্ডেৰে শীঘ্ৰে নিৰ্মাণৰ দাবীত পেঙেৰীত অৱস্থান ধৰ্মঘট**

# ডিগবৈ-বৰডুমচা পথৰ দুৰৱস্থাক লৈ গৰজি উঠিল আছু



**অসম বাৰ্তা, বৰডুমচা, ১৬ জুন ঃ** অসম মালা' আঁচনিৰ অধীনত নিৰ্মীয়মান ডিগবৈ-বৰডুমচা পথটোৰ উন্নত মানদণ্ডৰে অতিশীঘ্ৰে নিৰ্মাণৰ দাবীত আজি গৰজি উঠিল বৰডুমচা-পেঙেৰী আঞ্চলিক ছাত্ৰ সন্থা (আছু)। দীৰ্ঘদিন ধৰি নিৰ্মাণকাৰ্য বন্ধ হৈ থকা পথটোৰ শীঘ্ৰে নিৰ্মাণৰ দাবীত সংগঠনটোৱে এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। অভিযোগ মতে, ৰাজনৈতিক কমিচন তথা অতি নিম্ন মানদণ্ডৰে নিৰ্মাণ কৰাৰ বাবেই বিভাগীয় কৰ্তৃপক্ষই পথটোৰ কাম বন্ধ কৰি দিছিল। ইয়াৰ ফলত স্থানীয় ৰাইজে যাতায়াতৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি যমৰ যাতনা ভুগিবলগীয়া হৈছে। জৰাজীৰ্ণ পথটোৱে এতিয়া সৰ্বসাধাৰণৰ বাবে এক ডাঙৰ অভিশাপ হৈ পৰিছে। পথটো অতিশীঘ্ৰে আৰু উন্নত মানদণ্ডৰে সম্পূৰ্ণ কৰিবলৈ দাবী আছু নেতৃত্বৰ। উল্লেখ্যে যে অসম-মালা অধিনত ১৩০ কোটি টকাৰে নিৰ্মাণ হোৱা পথটো নিৰ্মাণৰ ঠিকা লাভ কৰিছিল ভাস্কৰ গোস্বামী আৰু মতলেবুদ্দিন আহমেদ মালিকানাধীন প্ৰতিষ্ঠানে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ (AASU) কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াও উপস্থিত থাকে। তেওঁ বিভাগীয় কৰ্তৃপক্ষক সঁকিয়াই দি কয় যে শীঘ্ৰে ৰাজনৈতিক কমিছনৰাজ বন্ধ কৰি ভিভাগীয় নীতি নিয়ম অনুসৰি নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ দাবী জনায়। সু-ব্যৱস্থা কৰা নহয়, তেন্তে আগন্তুক দিনত ইয়াতকৈও অধিক ভয়াৱহ গণ-আন্দোলন গঢ়ি তোলা হ'ব।

# দেওবাৰে নিশা বৰপেটা চহৰৰ গায়নহাটীত সংঘটিত হত্যাকাণ্ডৰে জড়িত তিনি অভিযুক্তক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ জুন ঃ** দেওবাৰে নিশা বৰপেটা চহৰৰ গায়নহাটীত সংঘটিত বিপুল গায়নৰ হত্যাকাণ্ডৰে জড়িত তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ধৃত তিনিও জৰ্ন অভিযুক্ত সমীৰণ গায়ন, গনেন দাস আৰু জিতুল ভূঞা। বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত তদন্ত চলাই আৰক্ষীয়ে তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰে। দেওবাৰে নিশা বৰপেটা চহৰৰ বিপুল গায়ন নামৰ যুৱকজনক ঘৰৰ ওচৰতে কোনো লোকে নিশা হত্যা কৰি পেলাই থৈ গৈছিল। এই ঘটনাৰ পিচতে আৰক্ষীয়ে তদন্ত চলাই ঘটনাৰ ২৪ ঘণ্টাৰ ভিতৰতে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰে। অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই সংবাদমেলযোগে জনোৱামতে, সুৰাৰ বাবেই এই হত্যাকাণ্ডৰ ঘটনাটো সংঘটিত হয়। তিনি অভিযুক্তই সমীৰণ গায়নৰ ঘৰত সুৰাপান কৰি ওলাই অহাৰ পিচতে ঘৰৰ সন্মুখত থকা বিপুল গায়ন নামৰ যুৱকজনক তিনি অভিযুক্তই কাঠেৰে মৰিয়াই মৰিয়াই হত্যা কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰিছে। নিহত বিপুল গায়ন আৰু হত্যাত অভিযুক্ত তিনি অভিযুক্তৰ ঘৰ গায়নহাটীৰে ওচৰা ওচৰি বুলিও সদৰি কৰে আৰক্ষী বিষয়াগৰাকীয়ে।

# গহপুৰৰ বাকৰিদলনী-ডাঠকলাত অৰুনাচলী সুৰাৰ অবাধ বেহা

**অসম বাৰ্তা, গহপুৰ, ১৬ জুন ঃ** গহপুৰ সমজিলাৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত বাকৰি দলনী, ডাঠকলা অঞ্চলত দিনক দিনে বৃদ্ধি পাইছে অৰুনাচলী সুৰাৰ অবাধ বেহা। অভিযোগ মতে-এই অৰুণাচলী সুৰাৰ মুখ্য যোগানকাৰী হৈছে ৰাঙলীয়ালৰ জনৈক মইনা দাস। মইনা দাসে দৈনিক পুৱা ৭ ৰ পৰা ৮ বজাৰ ভিতৰত এখন স্কুটীৰে অসম-অৰুণাচল সীমান্তৰ পৰা গোপনে গহপুৰৰ ভোলাগুৰি হৈ কাৰ্টনে কাৰ্টনে অৰুনাচলী সুৰা কঢ়িয়াই আনি গ্ৰামাঞ্চল সমূহত পাইকাৰী দৰত বিক্ৰী কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। তদুপৰি বাকৰিদলনীৰ নিবাসী জনৈক ৰোহিত প্ৰধান, জনৈক ৰাজেন প্ৰধানৰো অৰুনাচলী সুৰাৰ ৰমৰমীয়া বেহা অব্যাহত থকাৰ অভিযোগ উত্থাপন হৈ আহিছে। অভিযোগত প্ৰকাশ পোৱা মতে ডাঠকলাৰ জনৈক মানে প্ৰধানক অৰুনাচলী সুৰা যোগান ধৰে মইনা দাসে। মদ অনা নিয়াৰ দৃশ্যবোৰ সাধাৰণ জনতাই চকুৰ আগত দেখি থাকে যদিও ভয়ভৃত হৈ কাৰোৰে আগত প্ৰকাশ নকৰে। এনে ৰমৰমীয়া ব্যৱসায় চলি থকাৰ পিছতো গহপুৰৰ যি আবকাৰী বিভাগ আছে সম্পূৰ্ন নিমাত। প্ৰাপ্ত খবৰ মতে অবৈধ সুৰা ব্যৱসায়ী জনৈক ৰোহিত প্ৰধানে অৰুনাচলী সুৰা গোপন স্থানত ৰাখি উক্ত অবৈধ বেহা চলাই আহিছে। অভিযোগ অনুসৰি জনৈক ৰোহিত প্ৰধানৰ ঘৰত দৈনিক মদ বিচাৰি দিনৰ পৰা নিশালৈকে মানুহৰ শাৰী থাকে। আনহাতে বাকৰি দলনীৰ ৰাজেন প্ৰধানৰ বাসগৃহত সন্ধিয়া হ'লেই "বাৰ" লৈ ৰূপান্তৰিত হয় বুলি অভিযোগ পোৱা গৈছে। এনেবোৰ অবৈধ সুৰাৰ ব্যৱসায় চলি থকাৰ পিছতো গহপুৰ আবকাৰী বিভাগে খবৰ নোপোৱাটো চৰম দুৰ্ভাগ্য জনক কথা। এনে অবৈধ অৰুনাচলী সুৰাই বহুতৰে পৰিয়াললৈ ঘোৰ অমানিষা কঢ়িয়াই আনিছে। বহু নৱপ্ৰজন্ম ধ্বংসৰ গৰাহলৈ গতি কৰিছে। গতিকে সময় থাকোঁতেই এনেধৰণৰ অবৈধ অৰুনাচলী সুৰাৰ ব্যৱসায় বন্ধ কৰিবলৈ সচেতন ৰাইজে গহপুৰ সমজিলা প্ৰশাসনক আহ্বান জনাইছে।

# মৰিগাঁও জনজাতি অতিথি গৃহত CRISIL Foundationৰ উদ্যোগত জিলা পৰ্যায়ৰ সন্মিলন অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ জুন ঃ** সোমবাৰে মৰিগাঁও জনজাতি অতিথি গৃহত CRISIL Foundation-ৰ উদ্যোগত এখন গুৰুত্বপূৰ্ণ জিলা পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিনিধিসকল উপস্থিত থাকি বিভিন্ন উন্নয়নমূলক বিষয় আৰু সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জিলা কৃষি বিভাগৰ SDAO মেহদি আৰিফ হুছেইন, ৰেছমা আহমেদ, প্ৰাঞ্জল নাথৰ লগতে জিলা পৰ্যায়ৰ বিভিন্ন বিভাগৰ বহু সংখ্যক লোক উপস্থিত থাকে আৰু বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আৰু দিশ-নিৰ্দেশনা আগবঢ়োৱা হয়। বক্তাসকলে স্থানীয় জনসাধাৰণৰ উন্নয়ন, আত্মনিৰ্ভৰতা বৃদ্ধি, মহিলা সশক্তিকৰণ আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত CRISIL Foundation-ৰ ভূমিকা বিশেষভাৱে উল্লেখ কৰে সন্মিলনত অংশগ্ৰহণকাৰী সকলে নিজৰ অভিজ্ঞতা আৰু সমস্যাসমূহ আগবঢ়াই আৰু সেইবোৰ সমাধানৰ বাবে একমত প্ৰকাশ কৰে। অনুষ্ঠানটোত বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কে আলোচনা কৰাৰ লগতে আগন্তুক দিনত অধিক কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আহ্বান জনোৱা হয়। এই সন্মিলনে জিলা পৰ্যায়ত উন্নয়নৰ ক্ষেত্ৰত এক নতুন দিশ প্ৰদৰ্শন কৰিব বুলি অংশগ্ৰহণকাৰীসকলে আশা প্ৰকাশ কৰে।

**উপাচাৰ্যয়ো কৰি দেখুৱালে যোগাসন; ১৩৮ প্ৰতিযোগীৰ অংশগ্ৰহণ**

# নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত যোগাসন প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬জুন ঃ** আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি নগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ যৌথ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বয়স ভিত্তিক চাৰিটা ভিন ভিন শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত মুঠ ১৩৮ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। সকলো প্ৰতিযোগীকে যোগদানৰ প্ৰমাণপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। প্ৰমাণ পত্ৰ প্ৰদান কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, অতিৰিক্ত আয়ুক্ত কমলজিৎ শৰ্মা, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° নৰ প্ৰসাদ নাথ আৰু স্বাস্থ্য বিভাগৰ জিলা সমন্বয়ক পাৰ্থ সেনাপতিয়ে। এই উপলক্ষে আয়োজিত এটি অনুষ্ঠানত উপাচাৰ্য ড° ডেকাই কয় যে, "যোগাসন বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ব্যায়াম। এয়া প্ৰাচীন ভাৰতীয় মহান সভ্যতাৰ অবদান, যাক আজি সমগ্ৰ বিশ্বই আঁকোৱালি লৈছে।" তেওঁ যোগাভ্যাস নিয়মীয়াকৈ কৰা বুলি উল্লেখ কৰাৰ লগতে সকলোৰে সন্মুখত কে'বাটাও যোগাসন সুন্দৰকৈ কৰি দেখুৱাই সকলোকে বিস্মিত কৰে। অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত কমলজিৎ শৰ্মায়ো যোগাভ্যাসৰ গুৰুত্বৰ বিষয়ে দুআষাৰ কয়। আয়ুসৰ জিলা নোডেল বিষয়া ডাঃ ৰীমা ভট্টাচাৰ্যৰ পৰিচালনাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় যোগ ৰেফাৰীদ্বয় সুমন ৰাজবংশী আৰু ডাঃ ৰবিপ্ৰসাদ শৰ্মাৰ লগতে যোগ প্ৰশিক্ষক ধৰ্মেন্দ্ৰ সিঙে। শেষত ঘোষিত প্ৰতিযোগিতাৰ ফলাফল অনুসৰি ১০ বছৰৰ অনুৰ্দ্ধৰ শাখাত যথাক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে প্ৰিঞ্চি দেৱী, নীলাভ প্ৰতিম ভৰদ্বাজ আৰু আৰাধনা আৰ্যই। ১০-১৮ বছৰৰ শাখাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে যথাক্ৰমে উদীপ্তা ৰাণী বৰা আৰু নিয়ৰ নীলম শিবমে। যুটীয়াভাবে তৃতীয় স্থান লাভ কৰিছে কস্তুৰী ৰাণী বৰা আৰু হংসবী নাথে। ১৮-৩৫ বছৰৰ শাখাত শ্ৰেষ্ঠ বিবেচিত হৈছে প্ৰীয়ম বৰা আৰু ৩৫ বছৰৰ উৰ্ধৰ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰিছে মানসী শইকীয়াই। বিজয়ীসকলক অহা ২১ জুনত নগাঁও আৰক্ষী ছাউনীত অনুষ্ঠিত হ'বলগীয়া যোগ দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত বিশিষ্ট অতিথিৰ দ্বাৰা বঁটা প্ৰদান কৰা হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই জনাইছে।

# অসম সাহিত্য সভাৰ অসমতত্ত্ব গৱেষণা সংস্থানৰ গৱেষণামূলক প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, যোৰহাট, ১৬ জুন ঃ** অসম সাহিত্য সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানে সভাৰ প্ৰাক্তন সভাপতি, অসমৰ এগৰাকী প্ৰথিতযশা কবি-সাহিত্যিক নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি গৱেষণামূলক প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু পিএইচ.ডি.ডিগ্ৰীৰ গৱেষক সকলে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। ইচ্ছুকসকলে অসম বাৰ্তা, কুমুল্লী পৰা, নামনি অসমৰ বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অন্তৰ্গত যশিহাটী গাঁৱত এক উদ্বেগজনক ঘটনাই অঞ্চলজুৰি শোক আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছে। গাঁওখনৰ বাসিন্দা ৰূপচান শিকদাৰৰ ১৩ বছৰীয়া পুত্ৰ তথা জয়পুৰ বজাৰস্থিত লক্ষ্মীনাথ বেজবৰুৱা একাডেমীৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ হামিদ শিকদাৰ যোৱা ১৫ জুন দুপৰীয়া বেঁকী নদীত গা ধুবলৈ গৈ ৰহস্যজনকভাৱে সন্ধানহীন হোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, সমনীয়াৰ সৈতে বেঁকী নদীত গা ধুবলৈ যোৱা হামিদ শিকদাৰ হঠাতে নদীৰ পানীত সন্ধানহীন হৈ পৰে। ঘটনাটো সংঘটিত হোৱাৰ পিছতে স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকসকলে নিজাববীয়াকৈ ব্যাপক অনুসন্ধান চলায় যদিও কিশোৰজনৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহয়। ঘটনাটোৰ খবৰ লাভ কৰাৰ লগে লগে হাউলী আৰক্ষী তৎপৰ হৈ উঠে আৰু তাৎক্ষণিকভাৱে ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনী (SDRF)ক অৱগত কৰে। পিছত এছডিআৰএফৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ সন্ধিয়া পৰলৈকে বেঁকী নদীত উদ্ধাৰ অভিযান অব্যাহত ৰাখে। কিন্তু এই বাতৰি লিখা পৰলৈকে সন্ধানহীন কিশোৰজনৰ কোনো শুংসূত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। ইফালে, হামিদ শিকদাৰৰ সন্ধানহীন হোৱাৰ ঘটনাই পৰিয়ালটোক গভীৰ উদ্বেগ আৰু শোকত নিমজ্জিত কৰাৰ লগতে সমগ্ৰ যশিহাটী অঞ্চলটোত এক উৎকণ্ঠাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজেও কিশোৰজনৰ শীঘ্ৰে সন্ধান পোৱাৰ আশাৰে উদ্ধাৰ অভিযান সফল হোৱাৰ কামনা কৰিছে। আৰক্ষী আৰু এছডিআৰএফ বাহিনীয়ে নদীৰ বিভিন্ন স্থানত তীব্ৰ অনুসন্ধান অব্যাহত ৰাখিছে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলবাসীয়ে কিশোৰজনৰ সু-সংবাদৰ বাবে উৎকণ্ঠাৰে অপেক্ষা কৰি আছে।

# টেলিগ্ৰাম নিষিদ্ধৰে পুনঃ নীট পৰীক্ষা

প্ৰকাশ কৰিছে। ইতিমধ্যে বিহাৰ আৰু গুজৰাট আৰক্ষীকে ধৰি কেইবাটাও ৰাজ্যিক তদন্তকাৰী সংস্থাই এনে চাইবাৰ গেঙৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। গুজৰাটৰ আহমেদাবাদত ধৰা পৰা এটা চাইবাৰ গেঙে ৮টাকৈ টেলিগ্ৰাম চেনেল চলাই কোটি কোটি টকাৰ লেনদেন কৰা বুলি জানিব পৰা গৈছে। ইফালে, ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই এনটিএৰ পৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত কেইবাহাজাৰ সন্দেহজনক চেনেল, গোট আৰু হোৱাটছএপ গোট বন্ধ কৰি দিছে। বিষয়াসকলে কয় যে এই অভিযান অহা দিনবোৰতো জাৰি থাকিব। এনটিএই ইতিমধ্যে স্পষ্ট কৰি দিছে যে অহা ২৮ জুন, ২০২৬ তাৰিখে নিৰ্ধাৰিত সময়তেই পুনঃ পৰীক্ষা অনুষ্ঠিত হ'ব। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সামাজিক মাধ্যমত প্ৰচাৰিত যিকোনো অসত্য তথ্য বা উৰাবাতি বিশ্বাস নকৰিবলৈ কঠোৰভাৱে আহ্বান জনাইছে সংস্থাটোৱে। এনটিএই উল্লেখ কৰিছে যে পৰীক্ষাৰ পূৰ্বে কোনো ধৰণৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই আৰু এনেধৰণৰ দাবীসমূহ সম্পূৰ্ণ বিভ্ৰান্তিকৰ। সংস্থাটোৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনাত কোৱা হৈছে, নীট পৰীক্ষা সম্পৰ্কীয় যিকোনো বৈধ তথ্য কেৱল এনটিএৰ অফিচিয়েল ৱেবছাইট আৰু অনুমোদিত সামাজিক মাধ্যমৰ হেণ্ডেলসমূহৰ পৰাহে লাভ কৰিব। কোনো অচিনাকি ব্যক্তি বা চেনেলৰ দ্বাৰা প্ৰলোভিত নহ'ব আৰু কাকো অজ্ঞাতভাৱে ধন প্ৰেৰণ নকৰিব বুলিও স্পষ্টকৈ উল্লেখ কৰা হৈছে। সন্দেহজনক কাৰ্যকলাপ দেখিলে তৎক্ষণাৎ নেচনেল চাইবাৰ ক্ৰাইম হেল্পলাইন ১৯৩০, চাইবাৰ ক্ৰাইম পৰ্টেল cybercrime.gov.inবা এনটিএ হেল্পলাইন নম্বৰ ০১১-৪০৭৫৯০০০ আৰু ০১১-৬৯২২৭৭০০ত অভিযোগ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে। চৰকাৰ আৰু এনটিএই পুনঃ পৰীক্ষা সম্পূৰ্ণ স্বচ্ছ আৰু নিৰাপদ পৰিৱেশত সম্পন্ন কৰিবলৈ সকলো পদক্ষেপ গ্ৰহণ কৰি থকা বুলি জনাইছে।

# তৰাৱতী মিলি বড়িলৈ কলাগুৰু

উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এক বৰ্ণাঢ্য অনুষ্ঠানৰ মাজেৰে এই বঁটা প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই আজি সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক যুটীয়া বিজ্ঞপ্তিত এই কথা নিশ্চিত কৰে। বিজ্ঞপ্তিত উল্লেখ কৰা মতে, দুয়োটা প্ৰতিষ্ঠানৰ যৌথ পৃষ্ঠপোষকতাত প্ৰথমবাৰৰ বাবে আয়োজিত হ'বলগীয়া এই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত অসমীয়া সমাজৰ শিল্প-সংস্কৃতি, সাহিত্য আৰু ভাষা চৰ্চালৈ উল্লেখনীয় অৱদান আগবঢ়োৱা বৰেণ্য শিল্পীগৰাকীক এই সন্মান প্ৰদান কৰাটো এক বিশেষ দিশ বুলি মত প্ৰকাশ কৰে সংগঠন দুটাৰ প্ৰধান সম্পাদকদ্বয়ে। আয়োজক সমিতিয়ে প্ৰকাশ কৰা কাৰ্যসূচী অনুসৰি, ২০ জুনৰ পুৱা ৮ বাজি ৪৫ মিনিটত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে পতাকা উত্তোলন কৰি এই স্মৃতি দিৱসৰ শুভাৰম্ভ কৰিব। ইয়াৰ পিছতে পুৱা ৯ বাজি ২০ মিনিটত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধেমাজি জিলা শাখাৰ সভাপতি টংকেশ্বৰ গগৈয়ে বন্তি প্ৰজ্জ্বন কৰিব, আনহাতে ধেমাজি জিলা সাহিত্য সভাৰ সভাপতি বঞ্জিত চিৰিঙে স্মৃতি তৰ্পণ অনুষ্ঠান সম্পন্ন কৰিব। পুৱা ৯ বাজি ৩৫ মিনিটত ধেমাজি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নন্দেশ্বৰ বৰগোহাঁয়ে গছপুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰদান কৰিব। ইফালে, পুৱা ১০ বাজি৷ ৩০ মিনিটৰ পৰা গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মূল মণ্ডপত অনুষ্ঠিত হ'ব মুকলি অধিৱেশন। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনৰ আৰম্ভণিতে গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী...' শীৰ্ষক গীতেৰে দৰ্শকৰ হৃদয় জয় কৰিব। ধেমাজি জিলা উন্নয়ন আয়ুক্ত দেবেশ্বৰ বৰাই বন্তি প্ৰজ্জ্বলন কৰাৰ পিছত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ড° ভবেন্দ্ৰ নাথ ডেকাই এই অধিৱেশনৰ উদ্বোধন ঘোষণা কৰিব। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানখনৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু। ইয়াৰ উপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱা আৰু বিশিষ্ট শিক্ষাবিদ, শিল্পী-সাহিত্যিক ড° কনজিৎ ভট্টই নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰিব। সভাত বিশিষ্ট অতিথি হিচাপে অৰণ্য মানৱ প্ৰখ্যাত পদ্মশ্ৰী যাদৱ পায়েং, অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া উপস্থিত থাকিব। আমন্ত্ৰিত অতিথিৰ তালিকাত মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰমানন্দ চায়েঙীয়া, গোগামুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ ঝা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কো-অপাৰেটিভ ছ'চাইটীৰ সভাপতি হৰেন বৰা, গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জিতেন শইকীয়া আৰু অসম সাহিত্য সভাৰ ধেমাজি জিলা প্ৰতিনিধি ড° জয় কুমাৰ দলে অন্তৰ্ভুক্ত হৈ আছে। উল্লেখ্য যে, অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যৌথ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে আয়োজিত হ'বলগীয়া এই দিনজোৰা অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিবলৈ সকলোকে আগ্ৰহে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে আদৰণী সমিতিৰ যুটীয়া সম্পাদক প্ৰেমানন্দ তালুকদাৰ আৰু বিনন্দ চাংমায়ে। সমগ্ৰ ধেমাজি জিলাবাসী তথা অসমৰ শিল্পী-সাহিত্যিক মহলৰ বাবে এই দিৱস এক মহান প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

# ১৭ জুনত আৰম্ভ হ'ব ছাত্ৰ আন্দোলন

গান্ধীয়ে। তেওঁ কয় যে এই ঘটনাসমূহ কেৱল চৰকাৰী প্ৰশাসনৰ সীমাবদ্ধতা বা অক্ষমতা নহয়, বৰঞ্চ ই দেশৰ ক'টি ক'টি যুৱক-যুৱতীৰ সপোন, আকাংক্ষা আৰু ভৱিষ্যতৰ বিৰুদ্ধে এক প্ৰত্যক্ষ আঘাত। সামাজিক মাধ্যম এক্সত আজি প্ৰকাশ কৰা এক পোষ্টত ৰাহুল গান্ধীয়ে যুৱ সমাজক উদ্দেশ্যি কয় যে বৰ্তমানৰ পৰিস্থিতিত কঠোৰ পৰিশ্ৰমী যুৱক-যুৱতীসকলৰ পৰিশ্ৰমৰ কোনো মূল্য নাথাকিল, বৰঞ্চ সপোন দেখা মানুহকেই যেন শাস্তি দিয়া হৈছে। তেওঁৰ ভাষাত, "প্ৰতিটো পেপাৰ লিক, প্ৰতিটো বাতিল পৰীক্ষা আৰু প্ৰতিটো অসম্পূৰ্ণ নিযুক্তি প্ৰক্ৰিয়া কেৱল ব্যৱস্থাগত দুৰ্বলতাৰ পৰিচায়ক নহয়, ই সপোন দেখাসকলৰ বিৰুদ্ধে চলোৱা এক সুপৰিকল্পিত আক্ৰমণ।" কংগ্ৰেছ নেতাগৰাকীয়ে যুৱ সমাজৰ হতাশা আৰু ক্ষোভ সম্পূৰ্ণৰূপে অনুধাৱন কৰা বুলি উল্লেখ কৰি কয় যে যেতিয়া চৰকাৰে ছাত্ৰ-ছাত্ৰী আৰু চাকৰিপ্ৰাৰ্থীসকলৰ কাতৰোক্তি শুনিবলৈ অস্বীকাৰ কৰে, তেতিয়া জনতাই একেলগে এক শক্তিশালী কণ্ঠত নিজৰ দাবী উত্থাপন কৰিব লাগে। এই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ অহা ১৭ জুনত ৰাজস্থানৰ কোটা চহৰত অনুষ্ঠিত হ'বলগীয়া 'ষ্টুডেণ্টছ ইকো' কাৰ্যসূচীত যোগদান কৰিবলৈ ছাত্ৰ-ছাত্ৰী তথা যুৱ সমাজক আহ্বান জনাইছে। তেওঁ দৃঢ়তাৰে কয় যে এই আন্দোলন কেৱল কোটাতে সীমাবদ্ধ নাথাকি ইয়াৰপৰা দেশৰ প্ৰতিখন ৰাজ্য, প্ৰতিটো জিলালৈ বিস্তৃতি লাভ কৰিব। যুৱক-যুৱতীসকল যদি নিজৰ অধিকাৰ আৰু ভৱিষ্যতৰ বাবে একত্ৰিত হয়, তেন্তে কোনো চৰকাৰেই তেওঁলোকৰ মাত উপেক্ষা কৰিব নোৱাৰে বুলিও ৰাহুল গান্ধীয়ে মন্তব্য কৰে। ইফালে, ৰাহুল গান্ধীৰ এই আহ্বানৰ পিছতে কংগ্ৰেছ দলটোৱে নীট, ইউজিচি-নেটকে ধৰি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত হোৱা অনিয়মৰ বিৰুদ্ধে নিজৰ প্ৰতিবাদী কাৰ্যসূচী আৰু অধিক তীব্ৰতৰ কৰি তুলিছে। দলটোৰ অভিযোগ, কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে পৰীক্ষা-সংক্ৰান্তিয় অনিয়ম ঘটিবলৈ দি ছাত্ৰ-ছাত্ৰী আৰু চাকৰিপ্ৰাৰ্থীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। এই প্ৰেক্ষাপটত দিল্লী, মুম্বাই, জয়পুৰ, গুৱাহাটীকে ধৰি দেশৰ কেইবাখনো মুখ্য চহৰত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে প্ৰতিবাদ সমাৱেশৰ আয়োজন কৰিছে। তেওঁলোকে পৰীক্ষাৰ অনিয়মৰ বাবে দায়ী লোকসকলক দ্ৰুত বিচাৰৰ মুখামুখি কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে আগন্তুক পৰীক্ষাসমূহ নিৰাপদ আৰু স্বচ্ছ কৰাৰ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে, কংগ্ৰেছৰ মতে, অতি শেহতীয়াকৈ প্ৰশ্নকাকত ফাদিল আৰু নিযুক্তি প্ৰক্ৰিয়াত সৃষ্টি হোৱা বিঘিনিয়ে দেশৰ লাখ লাখ পৰীক্ষাৰ্থীৰ ভৱিষ্যত অনিশ্চিত কৰি তুলিছে। এই পৰিস্থিতিয়ে আত্মহত্যাৰ দৰে সাংঘাতিক ঘটনালৈও ইংগিত দিয়া বুলি কংগ্ৰেছে সতৰ্কবাণী জাৰি কৰিছে। ৰাহুল গান্ধীৰ কোটাত অনুষ্ঠিত হ'বলগীয়া সমাৱেশে এই বিষয়টোক ৰাষ্ট্ৰীয় স্তৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে কাম কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# বড়োলেণ্ড শ্বহীদৰ পৰিয়ালবৰ্গলৈ

সংঘত বড়োলেণ্ড শ্বহীদসকলৰ পৰিয়ালবৰ্গৰ বাবে এক বিশেষ চেক বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে বিটিচিৰ উপ-প্ৰধান তথা বিধায়ক ৰিহন দৈমাৰী উপস্থিত থকাৰ লগতে সন্মানীয় অতিথি হিচাপে বিটিচিএলএৰ অধ্যক্ষ ত্ৰিদিপ দৈমাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য ফ্ৰেশ মুছাহাৰী উপস্থিত থাকে। অনুষ্ঠানটোত বিটিচিৰ উপ-প্ৰধান ৰিহন দৈমাৰী, বিটিচিএলএৰ অধ্যক্ষ ত্ৰিদিপ দৈমাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ফ্ৰেশ মুছাহাৰী, উদালগুৰিৰ জিলা আয়ুক্ত জয় বিকাশ আৰু অন্যান্য গণ্যমান্য ব্যক্তিৰ উপস্থিতিত বড়োলেণ্ড শ্বহীদৰ পৰিয়ালৰ ছয়গৰাকী সদস্যক আনুষ্ঠানিকভাৱে প্ৰ লাখ টকাৰ চেক প্ৰদান কৰা হয়। বিটিচি চৰকাৰৰ এই পদক্ষেপৰ অধীনত প্ৰথম পৰ্যায়ত মুঠ চন্ত্ৰিছ্ৰ গৰাকী হিতাধিকাৰীক ৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। স্বাগত ভাষণত কাৰ্যবাহী সদস্য ফ্ৰেশ মুছাহাৰীয়ে শ্বহীদ পৰিয়ালবৰ্গক আদৰণি জনাই কয় যে, বিটিচিৰ প্ৰধান হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বৰ্তমানৰ বিটিচি চৰকাৰে শ্বহীদসকলৰ পৰিয়ালৰ সমস্যা আৰু কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে চৰকাৰখন শ্বহীদসকলৰ ত্যাগক শ্ৰদ্ধা জনাবলৈ আৰু ভৱিষ্যতে সকলো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ দায়বদ্ধ বুলি উল্লেখ কৰে। সভাত ভাষণ প্ৰদান কৰি বিটিচিৰ উপ-প্ৰধান ৰিহন দৈমাৰীয়ে শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয় যে, বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ শচবিএচিয়্ন, বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) আৰু বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ) এই সকলোবোৰ শ্বহীদসকলৰ মহান ত্যাগৰ ফল। সেয়েহে, তেওঁলোকৰ ত্যাগক স্মৰণ কৰা আৰু সন্মান জনোৱাটো সকলোৰে সামূহিক দায়িত্ব। তেওঁ লগতে জনায় যে, হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিটিচি চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই সাহায্য প্ৰদান কৰা হৈছে। লগতে তেওঁ আশ্বস্ত কৰে যে, প্ৰথম পৰ্যায়ত ২০৪ গৰাকীক সামৰি লোৱা হৈছে আৰু পৰ্যায়ক্ৰমে সকলো প্ৰকৃত শ্বহীদ পৰিয়ালক এই সাহায্য প্ৰদান কৰা হ'ব। নাম তালিকাভুক্ত হ'বলৈ বাকী থকা পৰিয়ালসমূহক ধৈৰ্য ধৰিবলৈ আহ্বান জনাই তেওঁ কয় যে, চৰকাৰ প্ৰতিগৰাকী হিতাধিকাৰীৰ প্ৰতি দায়বদ্ধ। তেওঁ হিতাধিকাৰীসকলক এই ধন তেওঁলোকৰ জীৱিকা আৰু ভৱিষ্যতৰ মংগলৰ বাবে উচিতভাৱে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। অনুষ্ঠানত অধ্যক্ষ ত্ৰিদিপ দৈমাৰীয়ে শ্বহীদসকলৰ ত্যাগৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও সহযোগিতা অব্যাহত ৰখাৰ আশ্বাস প্ৰদান কৰে। উদালগুৰিৰ জিলা আয়ুক্ত জয় বিকাশেও সভাত ভাষণ ৰাখে। এই অনুষ্ঠানত বিটিচিৰ এমচিএলএ ৰতন ৰাভা, উদালগুৰিৰ আৰক্ষী অধীক্ষক পদ্ম নাথ বৰুৱা, বিটিচিৰ সচিব ভাস্কৰ জ্যোতি মান্তা, জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়া, বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু শ্বহীদ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত শলাগৰ শৰাই অৰ্পণ কৰা হয় আৰু ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# জলশক্তি মন্ত্ৰী পাটিলক অসমৰ ২৭

বুলি বিবেচনা কৰা হৈছে। প্ৰথমতে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ চৰকাৰী বাসভৱনত অনুষ্ঠিত হোৱা বৈঠকখনত মন্ত্ৰী হাজৰিকাই অসমৰ জল সম্পদৰ বিপুল সম্ভাৱনাৰ বিষয়ে বিস্তাৰিতভাৱে অৱগত কৰে। তেওঁ স্পষ্টকৈ উল্লেখ কৰে যে অসমত প্ৰায় ২৭ লাখ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও বৰ্তমান নানা প্ৰকল্পৰ জৰিয়তে মাত্ৰ ৭ লাখ হেক্টৰ ভূমিহে জলসিঞ্চনৰ আওতালৈ আনিব পৰা হৈছে। এই প্ৰেক্ষাপটত ৰাজ্যৰ প্ৰতিখন পথাৰলৈ পানী প্ৰবাহ নিশ্চিত কৰিবলৈ বৰ্তমান ব্যৱস্থাটোক আৰু অধিক সম্প্ৰসাৰণ আৰু উন্নীতকৰণৰ প্ৰয়োজনীয়তা তেওঁ গুৰুত্ব সহকাৰে দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰী পাটিলে অসম চৰকাৰৰ এই সক্ৰিয় প্ৰচেষ্টাক উচ্চপ্ৰশংসা কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ 'হৰ খেত ক' পানী' (প্ৰতিখন পথাৰলৈ পানী) অভিলাষী আঁচনিৰ অধীনত অসমলৈ বিশেষ সহায় আগবঢ়াবলৈ আশ্বাস প্ৰদান কৰে। অসমৰ জলসিঞ্চন আন্তঃগাঁথনিৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰ্থিক আৰু কাৰিকৰীভাৱে সম্পূৰ্ণ সহায় আগবঢ়াব আৰু প্ৰয়োজনীয় পুঁজি যোগান ধৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰতিশ্ৰুতি দিয়ে। ইফালে, কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ বিভাগৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি মন্ত্ৰী হাজৰিকাই অসমৰ উৰ্বৰ কৃষিভূমিৰ ব্যাপক সম্ভাৱনা আৰু ৰাজ্য চৰকাৰে কৃষকসকলৰ বাবে হাতত লৈ থকা বিভিন্ন মংগলমূলক আঁচনিৰ বিষয়ে বিস্তাৰিতভাৱে ব্যাখ্যা কৰে। ৰাজ্যখনৰ কৃষি খণ্ডক অধিক চহকী কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা বিভিন্ন আঁচনি সম্পৰ্কেও তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ফলপ্ৰসূ আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী চৌহানে অসমৰ কৃষক ৰাইজৰ উত্তৰণ আৰু কৃষি খণ্ডৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। বৈঠক শেষ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে এই সাক্ষাৎ দুখনৰ বিষয়ে আভাস দিয়ে। জলশক্তি মন্ত্ৰীগৰাকীৰ সৈতে হোৱা বৈঠক প্ৰসংগত তেওঁ লিখে যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ জলপ্ৰৱাহ ব্যৱস্থাই অসমলৈ প্ৰদান কৰা বিপুল জলসিঞ্চন সম্ভাৱনাৰ বিষয়ে তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। লগতে, অসমৰ জলসিঞ্চন পৰিস্থিতিৰ বাস্তৱ চিত্ৰ আগত ধৰি 'হৰ খেত ক' পানীৰ দৃষ্টিভংগীৰ লগত সংগতি ৰাখি ৰাজ্যৰ কৃষকসকলক অধিক উপকৃত কৰাৰ দিশত কেন্দ্ৰীয় চৰকাৰে ইতিবাচক মনোভাৱ প্ৰকাশ কৰা বুলিও উল্লেখ কৰে। ইয়াৰ উপৰিও কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে হোৱা বৈঠকৰ বিষয়ে অন্য এক ফেচবুক পোষ্টত তেওঁ কয় যে অসম চৰকাৰৰ কৃষি বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সান্নিধ্য লাভ কৰাটো তেওঁৰ বাবে পৰম সৌভাগ্যৰ বিষয়। অসমৰ কৃষি খণ্ডৰ বিকাশ আৰু কৃষক ৰাইজৰ কল্যাণৰ দিশত ভাৰত চৰকাৰে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰদান কৰা আশ্বাসে তেওঁক অত্যন্ত সুখী আৰু আনন্দিত কৰি তুলিছে বুলিও মন্ত্ৰী হাজৰিকাই উল্লেখ কৰে। এই সাক্ষাৎ দুখনৰ ফলত অসমৰ জলসিঞ্চন আৰু কৃষি খণ্ডত এক নতুন গতি আহি পোৱাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। আগন্তুক দিনবোৰত কেন্দ্ৰীয় সাহায্য আৰু পুঁজিৰে অসমৰ বিভিন্ন প্ৰান্তত কেইবাটাও নতুন জলসিঞ্চন প্ৰকল্প আৰম্ভ কৰাৰ পথ মুকলি হোৱাৰ লগতে ৰাজ্যৰ লাখ লাখ কৃষকে পোনপটীয়াভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

# মানকাচৰৰ ৯৮ গৰাকী শিক্ষক-

শিক্ষক-শিক্ষয়িত্ৰী বিভাগীয় কৰ্তৃপক্ষৰ ৰোষত পৰিছে। জিলা শিক্ষা বিভাগে এই ৯৮ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীলৈ কাৰণ দৰ্শোৱাৰ আনুষ্ঠানিক জাননী প্ৰেৰণ কৰিছে। বিভাগীয় সূত্ৰই জানিবলৈ দিয়া মতে, চৰকাৰী নিয়ম উলংঘা কৰি কোনো প্ৰকাৰৰ আইনী ছুটী বা অনুমোদন নোলোৱাকৈ তেওঁলোকে দীৰ্ঘদিন ধৰি বিদ্যালয়ত অনুপস্থিতি দেখুৱাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। জিলা শিক্ষা বিভাগৰ নিৰ্দেশনাত চলা তদন্তত প্ৰকাশ পাইছে যে এই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কিছু অংশই 'পবিত্ৰ শিক্ষা বৃত্তি'ৰ দৰে অন্যান্য কাৰ্যকলাপত জড়িত হৈ পৰি মূল কৰ্তব্যৰ পৰা আঁতৰি থাকিছে। আনহাতে, কোনোৱে ব্যক্তিগত কামত ব্যস্ত থকাৰ বাবেও নিয়মীয়াকৈ বিদ্যালয়লৈ উপস্থিত নোহোৱা বুলি অভিযোগ উঠিছে। ফলস্বৰূপে, মানকাচৰ শিক্ষাখণ্ডৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষাব্যৱস্থা চৰম অৰাজকতাৰ সন্মুখীন হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ দান বিৰূপভাৱে প্ৰভাৱিত হৈছে। বিভাগীয় কৰ্তৃপক্ষৰ মতে, একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে সেৱাৰ বিনিময়ত ব্যক্তিগত সন্মানী গ্ৰহণ কৰি পবিত্ৰ শিক্ষা বৃত্তিৰ দৰে শিক্ষা-বহিৰ্ভূত কামত নিজকে জড়িতি কৰিছিল, যাৰ বাবে বিদ্যালয়সমূহত গুৰুত্বপূৰ্ণ পঢ়া-শুনাৰ সময়খিনি নষ্ট হৈছিল। এই পৰিস্থিতিৰ প্ৰতি গুৰুত্ব দি বিভাগে এতিয়া নীতি-নিৰ্দেশনা মানি চলিবলৈ নিৰ্দেশ দিয়াৰ উপৰিও নিয়ম উলংঘাকাৰীসকলক কঠোৰ জেৰা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰি বিভাগীয় কৰ্তৃপক্ষই আগন্তুক সাত দিনৰ ভিতৰত লিখিতভাৱে উত্তৰ দাখিল কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক নিৰ্দেশ দিছে। এই জাননীত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে, যদি তেওঁলোকে যথোপযুক্ত কাৰণ সহকাৰে বিভাগক সন্তুষ্ট কৰিব নোৱাৰে বা অনুপস্থিতিৰ ন্যায্যতা প্ৰমাণ কৰিব নোৱাৰে তেন্তে বিভাগীয় পদক্ষেপ হিচাপে তেওঁলোকৰ বেতন কাটি ৰখা, চাকৰিৰ পৰা বৰ্খাস্ত কৰা বা আন শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আনহাতে, এই ঘটনাই সমগ্ৰ মানকাচৰ তথা আশে-পাশে থকা শিক্ষাখণ্ডসমূহত এক গুৰুত্বপূৰ্ণ সতৰ্কবাণী সৃষ্টি কৰিছে। অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীমহলে বিভাগৰ এই পদক্ষেপক স্বাগতম জনাইছে, কিয়নো ইয়াৰ ফলত আহিবলগীয়া দিনবোৰত শিক্ষকসকল অধিক শৃংখলাবদ্ধ হৈ নিয়মীয়া কাম-কাজত যোগদান কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰিছে। মানকাচৰ শিক্ষাখণ্ডৰ শিক্ষাব্যৱস্থা উন্নত কৰিবলৈ জিলা শিক্ষা বিভাগে প্ৰয়োজনীয় নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ জাৰি ৰখাৰ লগতে অহা মাহবোৰত থানাবিদ্যালয় পৰিদৰ্শনও তীব্ৰতৰ কৰিব বুলি জনাইছে।

# ব্ৰিটিছ লাইব্ৰেৰীত 'আসাম বিলাসিনী'

তেওঁ ব্ৰিটিছ লাইব্ৰেৰীত সংৰক্ষিত আউনীআটী সত্ৰৰ ঐতিহাসিক প্ৰকাশনা 'আসাম বিলাসিনী'ৰ এক সংখ্যা আৰু ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি বৃন্দাৱনী বস্ত্ৰ প্ৰত্যক্ষ কৰে। 'আসাম বিলাসিনী' পৰিদৰ্শনৰ সময়ত সত্ৰাধিকাৰগৰাকীয়ে কয় যে, ১৮৭১ চনতেই আউনীআটী সত্ৰৰ দত্তদেৱ গোস্বামীয়ে কলিকতাৰ পৰা ছপাশাল আনি 'আসাম বিলাসিনী', 'আসাম তাৰা' আৰু 'আসাম দীপিকা' প্ৰকাশ কৰাৰ লগতে শংকৰদেৱ-মাধৱদেৱৰ গ্ৰন্থসমূহ ছপা কৰি এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছিল। সেই প্ৰচেষ্টাই অসমীয়া ভাষা-সাহিত্য আৰু সনাতন সংস্কৃতিৰ বিকাশত বিশেষ ভূমিকা পালন কৰিছিল বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পিছত সত্ৰাধিকাৰগৰাকীয়ে ব্ৰিটিছ মিউজিয়ামত বৃন্দাৱনী বস্ত্ৰ প্ৰত্যক্ষ কৰে। অসমৰ বৈষ্ণৱীয় সংস্কৃতিৰ এই অনন্য নিদৰ্শন বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সংগ্ৰহালয়ত সংৰক্ষিত হৈ থকাটো গৌৰৱৰ বিষয় বুলি তেওঁ উল্লেখ কৰে। এই ভ্ৰমণত সত্ৰাধিকাৰগৰাকীৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জ্যেষ্ঠ ভাতৃ জয়ন্ত বিশ্ব শৰ্মা, ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, আদিত্য গোস্বামী আৰু কেইবাগৰাকীও প্ৰৱাসী অসমীয়াই সংগ দিয়ে। উল্লেখ্য যে, আজি ব্ৰিটিছ সংসদৰ কমিটি কক্ষ ১৫ত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত "অসমৰ বৈষ্ণৱীয় সংস্কৃতি আৰু বহুসাংস্কৃতিক সমাজত ইয়াৰ প্ৰভাৱ" শীৰ্ষক বিষয়ত মুখ্য ভাষণ প্ৰদান কৰিব ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। অসমৰ বৈষ্ণৱীয়-সত্ৰীয়া সংস্কৃতিক বিশ্বদৰবাৰত তুলি ধৰাৰ ক্ষেত্ৰত এই অনুষ্ঠানক এক উল্লেখযোগ্য পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

# প্ৰধানমন্ত্ৰী মোদীৰ বিদেশী সন্মানত

মোদীক সন্মানিত কৰাৰ ঘটনাই ভাৰতীয় ৰূপে আমাৰ জাতীয় গৌৰৱক আৰু সুদৃঢ় কৰিছে। এনে আন্তৰ্জাতিক সন্মান আমাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে লাভ কৰিলে আমি প্ৰত্যেকেই নিজকে ধন্য আৰু গৌৰৱান্বিত বুলি অনুভৱ কৰোঁ।" বিজেপি সভাপতি গৰাকীয়ে আজিৰ পৰা আৰম্ভ হোৱা এই তিনিদিনীয়া প্ৰদৰ্শনীখনৰ শুভাৰম্ভ কৰে। ইতিমধ্যে অহা ১৮ জুনলৈকে চলিবলৈ অনুমান কৰা প্ৰদৰ্শনীখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গত ১২ বছৰীয়া কাৰ্যকালৰ বিভিন্ন উন্নয়নমূলক আঁচনি, জনকল্যাণমূলক প্ৰকল্প আৰু বৈদেশিক সাফল্যৰে ভৰপূৰ। সভাপতি গৰাকীয়ে প্ৰদৰ্শনীৰ উদ্দেশ্য স্পষ্ট কৰি কয়, "এই প্ৰদৰ্শনীৰ জৰিয়তে আমি ৰাইজক প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশে লাভ কৰা অভূতপূৰ্ব সাফল্য, বিশ্বাস আৰু বিকাশৰ দিশবোৰ আগত তুলি ধৰিছো। ইয়াত দেখুওৱা হৈছে কেনেদৰে ভাৰতে গত ১২ বছৰত আত্মনিৰ্ভৰশীল, শক্তিশালী আৰু গৌৰৱময় ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হৈছে।" প্ৰদৰ্শনীখন উদ্বোধনী অনুষ্ঠানত ৰাজ্যখনৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু, গুৱাহাটী মহানগৰীৰ মেয়ৰ মৃগেন শৰণীয়া, জিলা বিজেপি সভাপতি তপন দাসকে ধৰি দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা, কৰ্মী আৰু বহু মাননীয় ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সামৰণিত ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দলীয় কৰ্মী, সমৰ্থক আৰু সচেতন নাগৰিকসকলক প্ৰদৰ্শনীখন পৰিদৰ্শন কৰি উন্নয়নৰ গতিপথৰ বিষয়ে অৱগত হ'বলৈ আহ্বান জনায়। তেওঁ কয়, "এই প্ৰদৰ্শনী কেৱল বিজেপিৰ কৰ্মীসকলৰ বাবে নহয়, গোটেই অসমৰ জনতাই ইয়াৰ পৰা জনকল্যাণমূলক কামবোৰৰ বিষয়ে জানিব পাৰিব।" উল্লেখ্য যে, ইতিমধ্যে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশলৈ দিয়া অৱদানৰ চিনস্বৰূপে অসমৰ বিভিন্ন প্ৰান্তত বিজেপিৰ তৰফৰ পৰা একাধিক কাৰ্যসূচী আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীও তাৰে এটি অংশ। শ্বহীদ স্মাৰক ক্ষেত্ৰত পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে উন্মুক্ত থাকিব এই প্ৰদৰ্শনী।

# বছৰৰ প্ৰথমটো বানৰ কবলত

অৰুণাচল প্ৰদেশৰ পৰা বৈ অহা খৰস্ৰোতা তৰাজান নৈৰ বানত কলবাৰী-নলাতল গাঁও অংশত গাইড বান্ধ ছিঙি বিচ্ছিন্ন নলাতল-জয়ৰামপুৰ ৰৰ পিঠিলে গড়কাপ্তানী পথৰ যাতায়াত। পথৰ ওপৰেৰে বাগৰিছে বৈজেন্তীপুৰ, কল্যাণপুৰত পানী। পুৱা অহা এই বানপানীয়ে বুৰাই পেলায় জয়ৰামপুৰ, নলবাৰী, বৰদলনি মিছামাৰী আৰু মধ্যমিংমাং পঞ্চায়তৰ ১৫খনৰো অধিক গাঁও। বানত নষ্ট হৈছে খেতিয়কৰ কঠীয়া। নিমিষতে বুৰাই পেলায় বহু পুখুৰী। অকস্মাতে অহা পুৱা বানত উটি যায় বহুতৰে হাঁহ-কুকুৰা। বিদ্যালয় গৃহৰ ভিতৰত এককাঁল-একাঁঠু বোকা- পানী সোমোৱাৰ ফলত বন্ধ হৈ পৰিছে বিদ্যালয়ৰ পাঠদান। বৈজেন্তীপুৰ, নগাঁও, গাডাতুলা, চাওঁতালপুৰ, বামুণপুৰ আদি একাধিক বিদ্যালয়ত বান পৰিস্থিতিৰ বাবে ব্যাহত ৰাখিবলগীয়া হৈছে পাঠদান। গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ মণ্ডলে পৰিস্থিতিৰ বুজ লয় যদিও ধেমাজি প্ৰশাসনে প্ৰদান কৰা নাই সাহায্য। ধেমাজিত দুদিন পূৰ্বে প্ৰথম বানপানীৰ কবলত পৰে প্ৰায় ১০খন গাঁও। গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ননদী-চেনিয়া-বুঞ্জীসুতীৰ বানত প্লাৱিত ঘৰভেটিৰ লগতে বিস্তীৰ্ণ পথাৰ অঞ্চল।

# ৰূপকোঁৱৰৰ 'জন্ম দিৱস' উদযাপন, কিছু

এগৰাকী মহান সংস্কৃতিৰ পূজাৰী শিল্পীৰ আবিৰ্ভাৱৰ দিনটোক 'জন্ম দিৱস' হিচাপে অসমবাসীয়ে বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰাটো উচিত বুলি ভাবোঁ। এই দিৱস উদযাপনৰ প্ৰসঙ্গত আমাৰ বক্তব্য এয়ে যে - জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ দৰে এক গুণধৰ মনীষীক কেৱল মাত্ৰ মৃত্যু দিনা অৰ্থাৎ বিয়োগৰ দিনা স্মৰণ কৰি 'শিল্পী দিৱস' নামকৰণেৰে দিৱসটো বিস্তৃত কাৰ্যসূচী উদযাপন কৰা হয়। কিন্তু তেখেতৰ জন্ম দিৱসটো বিস্তৃত কাৰ্যসূচীৰে অসমৰ দুই-এটা অনুষ্ঠানৰ বাহিৰে উদযাপন কৰা নহয় বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহ'ব। কেৱল মাত্ৰ অসমৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ বাহিৰে পৃথিৱীৰ কোনো ঠাইতে কোনো বিখ্যাত-অখ্যাত মনীষীৰ মৃত্যু তিথি ব্যতিক্ৰমী ৰূপত উদ্‌যাপন কৰাৰ উদাহৰণ পাবলৈ নাই। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সুধকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ মৃত্যু তিথি জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ মৃত্যু তিথিৰ দৰে ব্যতিক্ৰমী ৰূপত উদ্‌যাপন কৰা হোৱা নাই যদিও অনাগত দিনত তেখেতৰ মৃত্যু তিথিও যে একে ৰূপ নল'ব বুলি তাক ন দি ক'ব নোৱাৰি, যদিহে আমি এই ক্ষেত্ৰত সচেতনতা অৱলম্বন নকৰোঁ। ভাৰতবৰ্ষৰ পণ্ডিত জৱাহৰলাল নেহৰু, জাতিৰ পিতা মহাত্মা গান্ধী, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, স্বামী বিবেকানন্দ আদি মহান ব্যক্তিসকলৰ মৃত্যু তিথি সমগ্ৰ ভাৰতবৰ্ষতে পালন কৰা দেখিবলৈ পোৱা নাযায়। দুই-এগৰাকী মহান ব্যক্তিৰ মৃত্যু তিথি পালন কৰে যদিও শ্বহীদ দিৱস, শোক দিৱস, শ্ৰদ্ধাঞ্জলি দিৱস হিচাপে পালন কৰা হয়। পুনৰ দোহাৰিছোঁ - "সংস্কৃতিৰ পূজাৰীয়েই শিল্পী। শিল্পীয়ে মৃত্যুক জয় কৰি অমৰ হৈ চিৰদিন মানুহৰ মাজত পোহৰ বিলায়।" সেয়েহে হ'য়তো শিল্পীক অমৰ বুলি কোৱা হয়। তেনেস্থলত অসমৰ এই দুগৰাকী মহান সংস্কৃতিৰ পূজাৰী-শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ মৃত্যু তিথি কিয় ব্যতিক্ৰমী ৰূপত 'দিৱস' হিচাপে আমি পালন কৰি আহিছোঁ ? এয়া এক ডাঙৰ প্ৰশ্ন। আমাৰ বক্তব্য হ'ল যে - "জন্ম আৰু মৃত্যুৰ মাজত যিদৰে আনন্দ আৰু শোক প্ৰকাশ পায় সেই অনুভূতিৰেই আমি শ্ৰদ্ধেয় ব্যক্তিসকলৰ স্মৃতি গ্ৰহণ কৰা উচিত। "জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ কায়িকভাৱে মৃত্যু হ'ব পাৰে, কিন্তু মানসিকভাৱে প্ৰত্যেকজন অসমবাসীয়ে এই দুজনা প্ৰবাদ পুৰুষক হৃদয়ত ধৰি ৰাখিছে আৰু চিৰকাল ধৰি ৰাখিব। দোকান-পোহাৰ, ৰাস্তা-ঘাট আদিত দান-বৰঙনি সংগ্ৰহ কৰি, ৰং-বিৰঙৰ কাপোৰ আঁৰি ডাঙৰ মণ্ডপ বনাই, নামী-দামী শিল্পী মাতি গীত পৰিৱেশন কৰাই নেপথ্যত উদণ্ড নৃত্য কৰি আদি কৰ্মকাণ্ডীয় ব্যৱস্থাৰে বছৰেকীয়া শ্ৰাদ্ধ পাতি বন্তি জ্বলোৱাতকৈ জন্মদিনত আমাৰ হৃদয়স্থিত মনীষী দুজনাৰ কৃতিসমূহ চৰ্চা আৰু অনুশীলন কৰাহে এটা জাতিৰ বাবে অধিক ফলপ্ৰসূ আৰু বিজ্ঞানসন্মত হ'ব বুলি ভাবো। আমাৰ চিন্তা - "এই দুগৰাকী মনীষীৰ মৃত্যু তিথিও উদযাপন কৰা হওক - এগছি বন্তি জ্বলাই, তেখেতসকলৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি, মৌন প্ৰাৰ্থনা কৰি, তেখেতসকলক এবাৰ স্মৰণ কৰি তেখেতসকলে লিখি যোৱা দুই-এটা গীত গাই, দুই-এটা কবিতা পাঠ কৰি, তেখেতসকলৰ জীৱন আলোকপাত কৰি; সেই বুলি ব্যতিক্ৰমী ৰূপত 'দিৱস' হিচাপে নহয়। সেয়েহে আজি এই শুভ দিনটোতে অসমবাসীলৈ কাতৰে আহ্বান জনাও যে - "এই দুগৰাকী মহান ব্যক্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱক সন্মান জনাই তেখেতসকলৰ আবিৰ্ভাৱ তিথি উদ্‌যাপন কৰিবলৈ লওঁ আহক। ই নিশ্চয় অসমবাসীৰ বাবে ইতিবাচক সিদ্ধান্ত হ'ব।"

ঠিকনা ঃ ৰঙাজান গাঁও, ডুমডুমা (তিনিচুকীয়া)

# ফ্ৰান্সৰ অনুদানৰ ধনৰ অপব্যৱহাৰ

ভিতৰত আছে মেছাৰ্চ বদ্ৰী ৰায় এণ্ড কোম্পানী (দুলিয়াজান), মেছাৰ্চ গ্ৰামীণ বিকাশ ট্ৰাষ্ট (উত্তৰ প্ৰদেশ) আৰু মেছাৰ্চ সাৰদা প্ৰজেক্টলিমিটেড (হায়দৰাবাদ)। এই ঠিকাবোৰৰ মুঠ চুক্তিৰ মূল্য আছিল কেইবা কোটি টকা আৰু ঠিকাদাৰসকলক বহুতো প্ৰথম কিস্তি মুকলি কৰি দিয়া হৈছিল, যদিও সেই সময়ত বন বিভাগৰ কোনো ঠিকাদাৰে পোনপটীয়াকৈ খেতি কৰাৰ কোনো স্পষ্ট নিয়ম নাছিল। আৰটিআইৰ পৰা লাভ কৰা তথ্য অনুসৰি, এপিএফবিচি ছ'চাইটিৰ প্ৰকল্প সঞ্চালক কেএছপিভি পৱন কুমাৰ, আইএফএছৰ বিৰুদ্ধে তেওঁৰ পছন্দৰ ঠিকাদাৰসকলৰ সহযোগত ৰাজহুৱা ধনৰ এক বৃহৎ অংশ অবৈধভাৱে হস্তগত কৰাৰ অভিযোগ আছে। জানিব পৰা অনুসৰি ঠিকাদাৰসকলক প্ৰকল্প নিৰ্দেশকৰ "চুক্তি"ত সন্মত হোৱাৰ পিছতহে প্ৰথম কিস্তি মুকলি কৰি দিয়া হৈছিল। সাংবাদিকে বদ্ৰী ৰায় এণ্ড কোম্পানীৰ কামৰ বিষয়ে বাতৰি পৰিৱেশন কৰাৰ পিছত, এই ঠিকাদাৰজনে এটা অভিযোগ দাখিল কৰিছিল আৰু অভিযোগ নং ১৯৬৪/২০২২ৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল। অভিযোগটোত এইটোও অভিযোগ কৰা হৈছিল যে সাংবাদিকে বেৰৰ সামগ্ৰী চুৰি কৰিছিল। গোচৰটোৰ শুনানিৰ সময়ত, আদালতে ঠিকাদাৰৰ কোনো দৃঢ় প্ৰমাণৰ অভাৱত সাংবাদিকজনক নিৰ্দোষী বুলি ঘোষণা কৰে। আদালতে ০৬-০২-২০২৬ তাৰিখে সাংবাদিকজনক নিৰ্দোষী বুলি ঘোষণা কৰে। শুনানিৰ সময়ত, অভিযোগকাৰী কেইবাদিনো হাজিৰ হোৱা নাছিল আৰু কোনো চূড়ান্ত প্ৰমাণ প্ৰদান কৰিব পৰা নাছিল। আনহাতে, ০৫-০৪-২০২৩ তাৰিখে APFBCৰ পুঁজিৰ পৰা ১২৯খন বাহন ক্ৰয় কৰাৰ অনুমোদন দিয়া হৈছিল। আৰটিআই আৰু তদন্তৰ নথিত দেখা গৈছে যে এই বাহনবোৰ ক্ৰয় কৰাৰ বাবে কেৰালা স্থিত কোম্পানী এছবিএল নলেজ চাৰ্ভিচেছ প্ৰাইভেট লিমিটেডৰ পৰা প্ৰায় ১০.৯৪ কোটি টকাৰ সন্দেহজনক নথিপত্ৰৰ ভিত্তিত চুক্তি কৰা হৈছিল। এই ক্ৰয়ৰ ক্ষেত্ৰতো বৰ্তমান তদন্ত চলি আছে আৰু ক্ৰয়ৰ সৈতে সম্পৰ্কিত অনিয়মৰ তাৎক্ষণিক তদন্তৰ দাবী উত্থাপন কৰা হৈছে। এই অভিযোগৰ মাজত, পৱন কুমাৰ, আইএফএছে বৰ্তমান পিচিচিএফ (বন্যপ্ৰাণী) পদৰ বাবে কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণত আপীল দাখিল কৰা পৰিলক্ষিত হৈছে। স্থানীয় আৰটিআই কৰ্মী দিলীপ নাথে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক চলি থকা তদন্ত আৰু ইয়াৰ ওপৰত স্বচ্ছতা নিশ্চিত নকৰালৈকে বন্যপ্ৰাণী বিভাগৰ পিচিচিএফৰ পদত কোনো প্ৰকাৰে এই নিযুক্তি নিদিবলৈ বিনম্ৰ অনুৰোধ জনাইছে। বিষয়টোৰ ওপৰত সচেতন মহলত মুক্ত, নিৰপেক্ষ আৰু দ্ৰুত তদন্তৰ দাবী বৃদ্ধি পাইছে যাতে বিদেশী পুঁজিৰ অপব্যৱহাৰ আৰু ৰাজহুৱা ধনৰ সম্ভাব্য অপব্যৱহাৰৰ বিষয়ে এক স্পষ্ট তদন্ত হয়। এতিয়া দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিব বিচৰা মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মাই এই দুৰ্নীতিৰ সন্দৰ্ভত অৱগত হোৱাৰ পিছত ইয়াৰ বিৰুদ্ধে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব সেয়া সময়তহে হ'ব লক্ষণীয়।

# তিনি বছৰত শূন্য গঁড়-বাঘ নিধন

সুখবৰটো সামাজিক মাধ্যম এক্স (পূৰ্বৰ টুইটাৰ)ৰ জৰিয়তে ৰাইজৰ আগত সদৰি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "এসময়ত মানস ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী চিকাৰৰ ঘটনাই সঘনাই বাতৰিৰ শিৰোনাম দখল কৰিছিল। কিন্তু আজি সেই একে উদ্যানখনে এনে এক পৰ্যায়ত উপনীত হৈছে য'ত 'শূন্য বন্যপ্ৰাণী চিকাৰ' এক নতুন স্বাভাৱিক কথাত পৰিণত হৈছে।" একেলেঠাৰিয়ে তিনি বছৰ ধৰি গঁড় আৰু বাঘৰ চিকাৰ সম্পূৰ্ণ শূন্য হৈ থকাটো অসমৰ বন্যপ্ৰাণী সংৰক্ষণৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সফলতাৰ সম্পূৰ্ণ কৃতিত্ব ৰাজ্য চৰকাৰৰ বন্যপ্ৰাণী সংৰক্ষণ বিভাগ, বন বিভাগৰ কৰ্মচাৰী, গ্ৰাম্য সুৰক্ষা দল আৰু স্থানীয় সমাজৰ নিৰন্তৰ তথা কঠোৰ প্ৰচেষ্টাক দিয়ে। তেওঁ কয় যে ৰাজ্য চৰকাৰে বন্যপ্ৰাণীক সুৰক্ষা দিয়া আৰু জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ বাবে গ্ৰহণ কৰা বিভিন্ন কৌশলগত পদক্ষেপ, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, নিতৌ নিৰীক্ষণ আৰু চিকাৰীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থাই এই ঐতিহাসিক উত্তৰণ সম্ভৱ কৰি তুলিছে। বিশেষকৈ, উদ্যানখনৰ ভিতৰত আৰু পৰিধি অঞ্চলত বিশেষ সুৰক্ষা দল মোতায়েন কৰা, নজৰদাৰী বৰ্ধিত কৰা আৰু স্থানীয় জনজাতি সমাজৰ সৈতে সংযোগ স্থাপন কৰি কৰা যুটীয়া উদ্যোগসমূহেই এই সফলতাৰ মূল চালিকা শক্তি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে অভিহিত কৰে। তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে যে এই ঐতিহাসিক সাফল্যই অসমৰ জৈৱ-বৈচিত্ৰ্যৰ ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা "নিৰালস্য প্ৰচেষ্টা" আৰু "সুদূৰপ্ৰসাৰী দৃষ্টিভংগী"ক সমগ্ৰ বিশ্বৰ দৰবাৰত পুনৰ প্ৰতিষ্ঠা কৰিলে। উল্লেখ্য যে, মানস ৰাষ্ট্ৰীয় উদ্যানখন গঁড়, বাঘ, হাতী, বনৰীয়া ম'হকে ধৰি কেইবাবিধো বিপন্ন প্ৰজাতিৰ বাসস্থান হিচাপে পৰিচিত। অতি সম্প্ৰতিকাললৈকে এই উদ্যানখন বন্যপ্ৰাণী চিকাৰীৰ বাবে এটা ডাঙৰ লক্ষ্যস্থল আছিল, কিন্তু ৰাজ্য চৰকাৰ আৰু বন বিভাগৰ কঠোৰ প্ৰচেষ্টাৰ ফলত বৰ্তমান চিকাৰৰ ঘটনা সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণলৈ অনা সম্ভৱ হৈছে। এই সফলতাক আৰু অধিক সুদৃঢ় কৰিবলৈ ৰাজ্য চৰকাৰে অহা দিনবোৰত উন্নত প্ৰযুক্তিৰ যোগে নজৰদাৰী আৰু অধিক জোৰদাৰ কৰাৰ লগতে স্থানীয় সমাজক বন্যপ্ৰাণী সংৰক্ষণৰ কামত অধিক সক্ৰিয়ভাৱে জড়িত কৰিবলৈ পৰিকল্পনা গ্ৰহণ কৰা বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মানস ৰাষ্ট্ৰীয় উদ্যানৰ এই সফলতা অসমৰ আন আন সংৰক্ষিত বনাঞ্চলৰ বাবেও এক উজ্জ্বল আদৰ্শ হিচাপে থাকিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# ভৌগোলিক স্বীকৃতি লাভ অৰুণাচলৰ

যাত্ৰাত নাবাৰ্ডৰ সহযোগত পৰৱৰ্তী সময়ত খামতি চাউল, যাক চুৰ্পি, টাংছা বস্ত্ৰ, হস্তনিৰ্মিত কাৰ্পেট, ৱাংচো কাঠৰ শিল্প, আদি কেকিৰ (আদা), আপাটানি বস্ত্ৰ, মনপা বস্ত্ৰ, নিছি বস্ত্ৰ, মনপা হস্তনিৰ্মিত কাগজ, আদি বস্ত্ৰ, চিংফো চাহ, গালো বস্ত্ৰ, আদি আপং, দাও, অংগনাত বাজৰা, মৰুৱা আপো আৰু টাই খামতি বস্ত্ৰই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। জি আই টেগৰ জৰিয়তে কোনো সামগ্ৰীৰ ভৌগোলিক স্বকীয়তা আৰু গুণগত মান সুৰক্ষিত হোৱাৰ লগতে ইয়াৰ অপব্যৱহাৰ ৰোধ হয় আৰু উৎপাদকসকলে আন্তঃৰাষ্ট্ৰীয় বজাৰত সামগ্ৰীৰ উচিত মূল্য লাভ কৰাৰ পথ প্ৰশস্ত হয়। নাবাৰ্ডৰ এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি, এই পঞ্জীয়ন কেৱল স্বীকৃতি প্ৰদানৰ মাজতে সীমাবদ্ধ নাৰাখি প্ৰতিষ্ঠানটোৱে উৎপাদক আৰু শিল্পীসকলৰ বাবে ব্ৰেণ্ডিং, পেকেজিং, গুণগত মানকৰণ, আৰু বজাৰ সংযোগৰ দৰে পদক্ষেপসমূহো গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ মূল লক্ষ্য হৈছে জি আই স্বীকৃতিৰ জৰিয়তে অৰুণাচলৰ জনজাতীয় জনগোষ্ঠীসমূহৰ বাবে বৰ্ধিত বজাৰৰ সুযোগ সৃষ্টি কৰা, পৰম্পৰাগত দক্ষতা সংৰক্ষণ কৰা আৰু বহনক্ষম গ্ৰাম্য উন্নয়ন নিশ্চিত কৰা। বৰ্তমানো ৰাজ্যখনৰ বিভিন্ন জিলাৰ আৰু কেইবাটাও অনন্য সামগ্ৰী জি আই পঞ্জীয়নৰ বাবে প্ৰক্ৰিয়াধীন হৈ আছে। এই ২০ বিধ সামগ্ৰীৰ সফলতাই অনাগত দিনত অৰুণাচলৰ কৃষক, শিপিনী, আৰু শিল্পীসকলৰ জীৱিকা উন্নত কৰাৰ লগতে ৰাজ্যখনৰ সাংস্কৃতিক উত্তৰাধিকাৰক সুৰক্ষিত কৰাত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

# ৰূপকোঁৱৰৰ - বহুমাত্ৰিক অভ্ৰভেদী সৃষ্টি প্ৰতিভা

নেতৃত্বত স্বৰাজৰ সপোন দেখিবলৈ আৰম্ভ কৰিছিল। ১৯১৬ চনত গঠন হোৱা 'অসম ছাত্ৰ সম্মিলনী'ৰ কোলাৰ পৰাই চন্দ্ৰনাথ শৰ্মাৰ দৰে প্ৰবল স্বদেশানুৰাগী ব্যক্তিৰ প্ৰযত্নত অসমত জাতীয় কংগ্ৰেছৰ সংগঠনে মূৰ দাঙি উঠিছিল। ১৯১৭ চনত 'অসম সাহিত্য সভা'ৰ গঠন হয়। যি ঔপনিৱেশিক শাসনৰ পৰিৱেশত আধুনিক ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰ হৈছিল, সেই ঔপনিৱেশিক শোষণৰ অমানবীয়তাৰ বিৰুদ্ধে ১৯২১ চনত অসহযোগ আন্দোলনৰ জুই দপদপাই জ্বলি উঠিছিল। এফালে সাধাৰণ প্ৰজাৰ ওপৰত ঔপনিৱেশিক শাসন- শোষণৰ দুৰ্বিষহ বোজা, আনহাতে ভাৰতীয় ঐতিহ্যৰ অভিশাপস্বৰূপ জাত-পাত, ধৰ্মীয় সংকীৰ্ণতা, অস্পৃশ্যতা আৰু লিংগ-বৈষম্যৰ ধাৰাই কোঙা কৰি ৰখা ভাৰতীয় তথা অসমীয়া সমাজ। গান্ধীজীৰ নেতৃত্বত জাগি উঠাৰ সমান্তৰালভাৱে শিল্প-সাহিত্য সকলো ক্ষেত্ৰতে জাতীয় ঐতিহ্যৰ বুকুত গঠনমূলক উপাদান আৰু জাতীয় জাগৰণ মন্ত্ৰস্বৰূপ গৌৰৱময় সম্পদ বিচৰাৰ এক প্ৰশংসনীয় প্ৰযত্ন চলিছিল। কিন্তু নতুন যুগ চেতনাই কঢ়িয়াই অনা বিশ্বমুখী জিজ্ঞাসাও এলাগী হোৱা নাছিল। গতিকে ভাৰতীয় শ্ৰেষ্ঠ মনীষী আৰু প্ৰতিভাসকলে পাশ্চাত্য আৰু প্ৰাচ্যৰ সমন্বয়েৰে, আধুনিকতা আৰু ঐতিহ্যৰ সহাৱস্থানেৰে এক নতুন সভ্যতা নিৰ্মাণৰ দ্বাৰা ভাৰতীয় প্ৰাণক উজ্জীৱিত কৰিবলৈ বিচাৰিছিল।

উপৰিউক্ত সমগ্ৰ পৰিক্ৰমাত জ্যোতিপ্ৰসাদৰ পৰিপূৰ্ণ অংশগ্ৰহণ মন কৰিবলগীয়া। এই সময়ৰ অসমীয়া মধ্যশ্ৰেণীৰ তুলনাত জ্যোতিপ্ৰসাদ এটা বিশেষ দিশত আপেক্ষিকভাৱে আগবঢ়া আছিল। সেয়া হ'ল- বিশ্বদৰ্শনৰ প্ৰত্যক্ষ অভিজ্ঞতা। তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা যাত্ৰা আৰু তাৰ পৰা ১৯২৬ চনত উচ্চ শিক্ষাৰ বাবে বিলাত যাত্ৰাৰ মাজেদি জ্যোতিপ্ৰসাদৰ আলসুৱা শিল্পী মনৰ সমৃদ্ধিৰ কথা তেওঁৰ পৰৱৰ্তী কৰ্মৰ মাজত আপুনি অনুধাৱন কৰিব পাৰিব। এই বিলাত যাত্ৰাই জ্যোতিপ্ৰসাদক শৈক্ষিক ডিগ্ৰী নিদিলে; কিন্তু ১৯২৬ চনৰ পৰা ১৯৩০ চনলৈ এই প্ৰায় পাঁচ বছৰ কাল জ্যোতিপ্ৰসাদ পাশ্চাত্য আধুনিকতাৰ সমৃদ্ধ পৰম্পৰাৰ লগত যিদৰে পৰিচিত হ'ল সিয়ে জ্যোতিপ্ৰসাদৰ মানসিক জগতত নতুন উদ্দীপনাৰ সঞ্চাৰ কৰিলে। এই সময়তে তেওঁ জাৰ্মানীত হিমাংশু ৰায়ৰ তত্ত্বাৱধানত চলচ্চিত্ৰ প্ৰযোজনা আৰু পৰিচালনাৰ শিক্ষা লয়। ইউৰোপৰ বিভিন্ন দেশ পৰিভ্ৰমণ কৰি সেই সেই দেশবোৰৰ সাংস্কৃতিক সমৃদ্ধিৰ বুজ ল'ব পৰাকৈ জ্যোতিপ্ৰসাদৰ এক সাংস্কৃতিক মন আছিল বাবেই জ্যোতিপ্ৰসাদে বিস্ময়-বিমুগ্ধ চিত্তে শংকৰী সংস্কৃতিৰ বৈভৱঋদ্ধ সম্পদ-সম্ভাৰৰ মূল্য অনুধাৱন কৰিব পাৰিছিল- ইউৰোপীয় সংস্কৃতিৰ সৈতে অসমৰ ঐতিহ্যপ্ৰবাহী সংস্কৃতিৰ তুলনাৰ মাজেদি।

মন কৰিবলগীয়া, বিদেশ যাত্ৰাৰ আগতেই জ্যোতিপ্ৰসাদে ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। তেতিয়া জ্যোতিপ্ৰসাদৰ বয়স মাত্ৰ ১৮ বছৰ। বিলাতৰ পৰা ঘূৰি আহি ১৯৩০ চনৰ আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰাই নহয়, অমিয় কুমাৰ দাস, হেম বৰুৱা, বিষ্ণুৰাম মেধি আদি আগশাৰীৰ নেতাৰ বিশ্বস্ত সঙ্গীৰূপে আন্দোলনটোৰ নেতৃত্ব দিছিল। ১৯৩০ চনৰ আন্দোলনটোৱে ১৯২১ চনৰ দৰে ৰাইজৰ কাংক্ষিত সঁহাৰি নোপোৱাত জাতীয় কংগ্ৰেছে ৰায়ত সভা গঠনেৰে জনমত গঠনৰ যি প্ৰচেষ্টা চলাইছিল, তাতো জ্যোতিপ্ৰসাদ আছিল আগৰণুৱা। তাৰ ফলত ১৯৩২ চনত জ্যোতিপ্ৰসাদে গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া হয় আৰু ৰপ্ত মাহ সশ্ৰম কাৰাবাস খাটিবলগীয়া হয়। জ্যোতিপ্ৰসাদৰ এই সময়খিনিৰ দৃষ্টি-সৃষ্টি আক দৰ্শন সম্পৰ্কে বৰেণ্য সমালোচক ড° হীৰেন গোহাঁয়ে তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা জ্যোতিপ্ৰসাদৰ ৰচনাৱলীৰ পাতনি উল্লেখ কৰা এষাৰ মন্তব্য এই প্ৰসংগত নিশ্চয় অৰ্থপূৰ্ণ হব- "আনন্দৰাম ঢেকিয়াল ফুকনৰ দিনৰ পৰা প্ৰৱাহিত অসমীয়া নৱযুগৰ আৰ্হিৰেই জ্যোতিপ্ৰসাদে পোনতে তন্দ্ৰাচ্ছন্ন অসমৰ কলাঘুমটি ভাঙি বিশ্বৰ প্ৰগতিশীল জাতিবোৰৰ মাজত তাক নিজ গুণে স্থান লোৱাৰ যোগ্য কৰি তোলাৰ সপোন দেখিছিল। সেই সাধনাৰ ধাৱা আছিল গঠনমূলক কৰ্মোদ্যোগ। অসহযোগ আন্দোলনৰ সংস্পৰ্শলৈ আহি তেওঁ ঔপনিবেশিক শাসনকে ভাৰতবাসী তথা অসমীয়াৰ হীনতাৰ বাবে জগৰীয়া কৰিছিল। আকৌ মহাত্মা গান্ধীৰ প্ৰভাৱত আত্মশক্তিকে মুমূৰ্ষু ভাৰতৰ সঞ্জীৱনী মন্ত্ৰ বুলি ভাবিছিল। ত্ৰিশৰ দশকৰ পৰা বিবিধ সাংস্কৃতিক সৃষ্টিৰে জাতীয় জীৱনক পুনৰুজ্জীবিত কৰাৰ আৰ্হি গ্ৰহণ কৰিছিল। এই সময়ৰে পৰা ভাৰতীয় মানসিকতা তথা আমাক ঔপনিবেশিক বিদেশী প্ৰভাৱে আত্মবিস্মৃত আৰু মূৰ্তমান কৰি ৰখা বুলি তেওঁ গভীৰভাৱে অনুভৱ কৰিছিল আৰু তাক দূৰ কৰিবলৈ সাংস্কৃতিক ক্ষেত্ৰত পুনৰ্নিৰ্মাণৰ প্ৰয়োজনবোধ কৰিছিল।"

জ্যোতিপ্ৰসাদৰ ব্যক্তিত্বৰ আটাইতকৈ মনোজ্ঞ দিশ হ'ল আদৰ্শ আক কৰ্মৰ ঐক্য। তেওঁৰ প্ৰতিটো কৰ্ম তেওঁ সঠিক বুলি ভবা আৰু কোৱা কথাৰে প্ৰকাশ মাথোন। ব্যক্তি হিচাপে জীৱনৰ বিভিন্ন ক্ষণত সমাজ- সংস্কৃতি আৰু জীৱন সম্বন্ধীয় তেওঁৰ দৃষ্টিভঙ্গী সলনি হৈছে। সেইবাবে তেওঁৰ কৰ্মময় জীৱনৰ আগছোৱা অত্যন্ত উৎসাহী, উদ্যোগী। জ্যোতিপ্ৰসাদ জীৱনৰ শেষৰ ফালে নিজৰ চিন্তা-আদৰ্শৰ সীমাবদ্ধতা প্ৰত্যক্ষ কৰি ম্ৰিয়মাণ হৈ পৰিছিল। ১৯৫১ চনত তেওঁৰ মৃত্যু হয়। কিন্তু মৃত্যুৰ আগতে তেওঁ ভয়াবহ দেশ বিভাজনৰ নৰসংহাৰ দেখিলে। যিঃ স্বাধীনতাৰ বাবে আজীৱন দেহে-মনে-প্ৰাণে অমানুষিক পৰিশ্ৰম কৰিলে, সেই স্বাধীনতা প্ৰাপ্তিৰ পিছত জাতীয় কংগ্ৰেছৰ নেতৃবৃন্দৰ জনগণ বিমুখী আওভাও প্ৰত্যক্ষ কৰি বিমৰ্ষ জ্যোতিপ্ৰসাদ বাঁওপন্থী মতাদৰ্শৰ প্ৰতিও আকৰ্ষিত হৈছিল। কিন্তু পাৰ্টিৰ সাঁচত নিজকে গঢ়াৰ মানসিকতা জ্যোতিপ্ৰসাদৰ নাছিল। কাৰণ, জ্যোতিপ্ৰসাদৰ আছিল নিজা চিন্তা, দৰ্শন আৰু আদৰ্শ।

ৰূপান্তৰৰ প্ৰতি জ্যোতিপ্ৰসাদৰ আছিল আপোচহীন আকৰ্ষণ। তেওঁৰ মনন আৰু চিন্তণত প্ৰৱাহিত হৈছিল ৰূপান্তপকামী সেই আদৰ্শ - "ৰূপান্তৰেহে জগত ধুনীয়া কৰে।" ঐতিহ্যৰ মহৎ উপাদানৰ প্ৰতি তেওঁৰ সশ্ৰদ্ধ মনোভাৱ থকাৰ পিছতো ৰূপান্তৰৰ প্ৰতি সদৰ্থক দৃষ্টিভঙ্গীৰ মূলতে আছিল জ্যোতিপ্ৰসাদৰ প্ৰগতিশীল মনোভঙ্গী-নতুন সৃষ্টি মানেই পুৰণিৰ ভাঙোন, ৰূপান্তৰ অবিহনে নতুনৰ বাবে ঠাই ক'ত? সেইবাবেই সমকালীন কবি-সাহিত্যিকতকৈ জ্যোতিপ্ৰসাদ পৃথক। ড° হীৰেন গোহাঁয়ে পূৰ্বোক্ত গ্ৰন্থখনত এই প্ৰসঙ্গত কৈছে- "যি সময়ত আঁৰ-বেৰ নোহোৱাকৈ ব্যক্তিগত প্ৰেমৰ উচ্ছাস, বিৰহ-বেদনা আৰু স্বপ্নভঙ্গৰ দুৰ্বাৰ নৈৰাশ্য প্ৰকাশ কৰি অসমৰ কবিয়ে এক দুৰ্লভ মুক্তিৰ আস্বাদ পাইছিল, সেই সময়ত জ্যোতিপ্ৰসাদে সুন্দৰ কোঁৱৰ আৰু মণিমুগ্ধৰ মাজেৰে প্ৰেমৰ এক বিস্তৃত নৈৰ্ব্যক্তিক স্বৰূপ আৱিষ্কাৰ কৰিছিল।" একেদৰে, অসমীয়া আধুনিক সঙ্গীতৰ ক্ষেত্ৰলৈ জ্যোতিপ্ৰসাদৰ অৱদান চিৰস্মৰণীয়। এই বিষয়ে অতুলচন্দ্ৰ হাজৰিকাৰ এষাৰ সোণসেৰীয়া কথা উল্লেখ কৰিব পাৰি - "....চাওঁতে চাওঁতে সময়ৰ লগে লগে অসমৰ নাটশালবোৰৰ মোট সলনি হ'ল। এলাগী চেচুক-কুঁৱৰী হৈ থকা অসমীয়া গীত-নাচ, মঞ্চকুঁৱৰী হ'ল। এই বিষয়ত আগভাগ লৈ জ্যোতিপ্ৰসাদৰ শোণিত কুৱঁৰীয়ে অসমীয়া মানুহৰ মনৰ এলান্ধুকলীয়া ধ্যান-ধাৰণাৰ সলনি কৰিলে। শোণিত কুঁৱৰীয়ে তেজপুৰত সুখ্যাতিৰে আত্মপ্ৰকাশ কৰাৰ পিছতো জতুৱা-ঠাঁচৰ অসমীয়া গীত-মাতৰ ভৱিষ্যতৰ কথা ভাবি জ্যোতিপ্ৰসাদৰ মনৰ খুদুৱনি ভাব মাৰ যোৱা নাছিল। ধ্ৰুপদ সঙ্গীতত্ত্ব আক গতানুগতিক সংস্কৃতিপ্ৰেমীসকলে জ্যোতিপ্ৰসাদৰ সৃষ্টিক ভাল চকুৰে চাবলৈ টান পাইছিল। সেই সময়ত মনত আছিল শ্বেইক্সপীয়েৰৰ হেমলেটৰ দৰে মনৰ দোধোৰ-মোধোৰ ভাব। সুখৰ বিষয় তাৰ অলপ দিন পিছতে ১৯২৪ চনত সাহিত্যৰথী বেজবৰুৱাৰ সভাপতিত্বত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ মুকলি অধিৱেশনত সমবেত হোৱা বিপুল জনগণে জ্যোতিসঙ্গীতক গজগজীয়া স্বীকৃতি দিলে।"

উনবিংশ শতিকাৰ আত্মপ্ৰত্যয়হীন অসমীয়া জাতিৰ ওপৰত বঙ্গীয় সংস্কৃতিৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ ফলত অসমীয়া সংস্কৃতিৰ সমৃদ্ধ ঐতিহ্যও ম্ৰীয়মান হৈ পৰিছিল। বৈষ্ণৱ সঙ্গীতৰ উচ্চস্তৰীয় ৰাগাশ্ৰিত ধাৰাৰ চৰ্চা সাময়িকভাৱে স্তিমিত হৈ পৰিছিল, লোকসঙ্গীতৰ বিচিত্ৰ বৰ্ণিল পৰম্পৰাও আলাই-আথানি হৈ পৰিছিল। এনে সময়ত বেজবৰুৱা, চন্দ্ৰকুমাৰ আদিয়ে 'পুৰণি পৃথিৱীক ন- দৃষ্টিৰে চোৱাৰ' নতুন দৃষ্টিভঙ্গীৰ ফলত অসমৰ থলুৱা গীত-মাত, সাধু, সুৰ আদিৰ প্ৰতি সশ্ৰদ্ধ মনোভাৱ এটা পুনৰ সজীৱ হৈ উঠিছিল আৰু য়েই জ্যোতিপ্ৰসাদৰ হাতত সঙ্গীতৰ নতুন সৃষ্টিৰ পৰম সম্পদ হৈ উঠিল। অসমীয়া বিয়ানামৰ সুৰেই 'গছে গছে পাতি দিলে' গীতত ন-সাঁজ পিন্ধি অসমীয়া আধুনিক সঙ্গীতৰ নতুন ধাৰাৰ বাহক হৈ পৰিল। বীৰেন্দ্ৰ কুমাৰ ফুকনে লিখিছে- "তথাপি আঙ্গিক, শব্দচয়ন, ছন্দ-বৈচিত্ৰ্য, কথা আৰু সুৰৰ সামঞ্জস্য ৰক্ষাৰ দিশৰ পৰা জ্যোতিপ্ৰসাদে অসমীয়া গীতিকাৰ আৰু সুৰ কবিসকলক এটা নতুন পথৰ সন্ধান দি গ'ল। সুৰ সৃষ্টিৰ ক্ষেত্ৰত কেৱল মাত্ৰ ৰাগ-সঙ্গীতৰ সহায় নলৈ তেওঁ বুটলি আনিলে বিয়ানাম, বনগীত, বিহুগীতৰ সুৰ। অসমৰ জনসাধাৰণৰ সাতামপুৰুষীয়া চিৰ চিনাকি সুৰবিলাক প্ৰতিধ্বনিত হ'ল জ্যোতিপ্ৰসাদৰ ৰচনাত। অসমীয়া সঙ্গীত জগতত এয়া আছিল জ্যোতিপ্ৰসাদৰ সাহসী আৰু বলিষ্ঠ পদক্ষেপ আৰু সেইবাবে আমাৰ আধুনিক গীতৰ নৱন্যাস বা Rennaissance যুগৰ বাটকটীয়া আৰু অপ্ৰমাদী নায়ক হিচাপে জ্যোতিপ্ৰসাদকে প্ৰথম স্থান দিব লাগিব।" মুঠৰ ওপৰত ভাৰতীয় ৰাগ-সঙ্গীত, অসমীয়া থলুৱা সঙ্গীত পৰম্পৰা আৰু পাশ্চাত্য সঙ্গীতৰ প্ৰধান বৈশিষ্ট্য হাৰ্মনি আৰু কাউণ্টাৰ পয়ণ্টৰ জ্ঞানেৰে জ্যোতিপ্ৰসাদে আধুনিক অসমীয়া সঙ্গীতলৈ নৱজাগৰণ আনিলে। সেইবাবেই স্বাধীনতা সংগ্ৰামৰ জ্বালাময় দিনবোৰত জ্যোতিপ্ৰসাদৰ গীতবোৰ আছিল জনতাৰ উদ্যম আৰু অনুপ্ৰেৰণাৰ অব্যৰ্থ হাতিয়াৰ স্বৰূপ।

শিল্পীমনৰ অধিকাৰী জ্যোতিপ্ৰসাদৰ আলসুৱা মনটো কিন্তু কলা সাধনাৰ ক্ষেত্ৰত অত্যন্ত কঠোৰ আছিল। এই বিষয়ে তেওঁৰ একালৰ সহযোগী পুষ্পলতা দাসে উল্লেখ কৰা এটা উদাহৰণ দিব পাৰি- "১৯৩১ চনত ন-দুৱাৰত বহা ৰায়ত সভাৰ বাবে এদল সেৱকক ছয়দুৱাৰৰ পৰা বাতিৰ ভিতৰতে গান শিকাই সমদলৰ ৰূপত যাত্ৰা কৰাই অনা হৈছিল। জ্যোতিপ্ৰসাদে সেই গান যাত্ৰাৰ প্ৰতি পদক্ষেপৰ লগত সংযোগ কৰি ৰচনা কৰিছিল, লগে লগে সুৰ দি গাই আহিছিল। 'বিশ্ব বিজয়ী নৱ জোৱান' গীতটো স্বেচ্ছাসেৱকসকলক জ্যোতিপ্ৰসাদে শিকাই গোৱাইছিল। যিয়ে গানৰ লগত পদক্ষেপ ভুল কৰে তেওঁক এনে কাণতলীয়া চৰ শোধাই যে তেওঁ বেজাৰে লাজে দল এৰি যায়গৈ। এনেকৈ কেবাজনো যোৱাৰ পিছত এদিন অমিয়কুমাৰ দাসে কৈছিল- 'জ্যোতি, ইহঁতক লাঠীৰ কোব খাবলৈ আনিছো যেতিয়া মাৰ খোৱাত নিশ্চয় তাহাতৰ আপত্তি নাই, পিছে গানৰ বাবেহে ভয় খাইছে নেকি? অলপ ভুল কৰে যদিও বৰকৈ নধৰিবা।' জ্যোতিপ্ৰসাদে হেনো কৈছিল- 'দাদা মই গানৰ ভুল সহিব নোৱাৰোঁ'।"

শিশুৰ বাবে ৰচনা কৰা গীত আৰু কাহিনীবোৰৰ মাজতো জ্যোতিপ্ৰসাদৰ বিস্ময়কৰ প্ৰতিভাৰ চমক অনুভৱ কৰিব পাৰি। শিল্পী জ্যোতিপ্ৰসাদৰ সভাত চিৰন্তন শিশুমন জীয়াই আছিল আৰু সেই কাৰণেই শিশুৰ এই অবাক পৃথিৱী, যুক্তিৰ ঊৰ্ধ্বৰ মনোজগতখনৰ লগত তেওঁ নিবিড়ভাৱে একাত্ম হ'ব পাৰিছিল। অৰ্থহীন শব্দৰ অপূৰ্ব ধ্বনিময়তাই ছন্দৰ আলসুৱা বোকোচাত বগাই জ্যোতিৰ শিশু কবিতাবোৰে শিশুৰ কোমল মনত কল্পনাৰ আশ্চৰ্যকৰ জগত নিৰ্মাণ কৰে। 'অকমানি ছোৱালী', 'ভূত-পোৱালি' আদি কবিতাবোৰ অসমীয়া শিশু-সাহিত্যৰ চিৰ-অম্লান, নজহা-নপমা সম্পদ হৈ থাকিব। জ্যোতি ৰামায়ণখনৰ বিষয়ে নিৰ্মলপ্ৰভা বৰদলৈয়ে বৰ উপযুক্ত মন্তব্য এষাৰ দি গৈছে- "ধ্বনিৰ এই বৈচিত্ৰ্যময় জগতখনক যাদুকৰী কুশলতাৰে ধৰি ৰাখিছে জ্যোতিপ্ৰসাদে তেওঁৰ জ্যোতি- ৰামায়ণ নামৰ অসম্পূৰ্ণ গ্ৰন্থখনত। কঠিন, জটিল কথাবোৰকো অপূৰ্ব প্ৰাণময়তাৰে অতি নিমজ কৰি লিখা এই গ্ৰন্থৰ 'বাল্মীকি বন'ৰ বৰ্ণনা অদ্ভুতপূৰ্ব। ...... নিখুঁত, নিমাত যেন লগা সেই অৰণ্যখনৰ খাঁজে খাঁজে কিন্তু সোমাই আছে বিচিত্ৰ ধ্বনি। ... কবিৰ এনেহে লাগিছে যেন বাঘ বাঘ, ঘোং বাঘেৰে গোটেইবোৰ অৰণ্যত গায়ন-বায়ন ওজা-পালিহে গাইছে- হাউম, হাউমকৈ বাঘে ভোৰ তাল বাইছে, কাঠ-বোকাই খোটোক-খাটাক তাল বাইছে, গোটেইবোৰ যেন কাৰ দোৱানেৰে গাইছে এক কনঘোষা। যেন বাল্ট ডিজনীৰ ডিজনীলেণ্ডৰ এনিমেল চিম্ফনীহে।"

বহুমাত্ৰিক প্ৰতিভাৰে সমৃদ্ধ জ্যোতিপ্ৰসাদৰ সৃষ্টিকৰ্মৰ অন্য এক সোণসেৰীয়া দিশ হ'ল চলচ্চিত্ৰ নিৰ্মাতা জ্যোতিপ্ৰসাদ। জকাইচুকীয়া অসমত তেতিয়াও নাৰীশিক্ষা, সহ-অভিনয় ভাবিব নোৱাৰা কথা। জাত-পাতৰ এলাজুকুলীয়া বিচাৰেৰে আৱৰা সমাজখন চিনেমাৰ দৰে আধুনিক দৃশ্য-শ্ৰাব্য কাৰিকৰী মাধ্যমৰ প্ৰতি প্ৰস্তুত হৈ উঠাই নাই। তেনে অৱস্থাতে জ্যোতিপ্ৰসাদে ১৯৩৪ চনত পৰিয়ালৰ ভোলাগুৰি চাহ বাগিচাত অস্থায়ী ষ্টুডিঅ' (চিত্ৰবন) নিৰ্মাণ কৰি বেজবৰুৱাৰ কাহিনীৰে জয়মতী চিনেমা নিৰ্মাণৰ কামত হাত দিয়ে। নিজৰ গাঁঠিৰ ধন খৰচ কৰি, দুঃসাহসিকতাৰ পৰিচয় দি, প্ৰয়োজনীয় কাৰিকৰী সামগ্ৰী, ব্যক্তিৰ অভাৱৰ মাজত প্ৰায় অকলে Script লেখা, অভিনেতা-অভিনেত্ৰী গোটোৱা, সঙ্গীত দিয়া, Recording কৰা, Editing কৰা, Print প্ৰস্তুত কৰা আদি সমস্ত কাম কৰি অটাই ১৯৩৫ চনত জয়মতী চিনেমা মুক্তি দিলে। অফুৰন্ত সাহস আৰু কৰ্মোদ্যমেৰে শিল্পীৰ গভীৰ আত্মনিষ্ঠা আৰু হৃদয় মথি ওলাই অহা সৃষ্টিৰ তাগিদাৰে নিৰ্মাণ কৰা জয়মতীয়েই অসমীয়া প্ৰথম চিনেমা। যুগল দাসে লিখিছে- "তেতিয়া অসমত বোলছবি নিৰ্মাণৰ ষ্টুডিঅ'তো নাছিলেই, শব্দ নিয়ন্ত্ৰণৰ (Acoustic) সাধাৰণ জ্ঞানো আমাৰ কাৰো নাছিল। আনকি সাধাৰণ উদ্যোগ এটাৰ বাবেও কোনো বাতাবৰণেই নাছিল। আমাৰ বোধেৰে এনে পৰিস্থিতিত জ্যোতিপ্ৰসাদৰ এই পদক্ষেপ সৎ সাহস নাছিল, আছিল মৰসাহ।"

জয়মতীয়ে অসমীয়া সাংস্কৃতিক চেতনাত এটা অভূতপূৰ্ব আলোড়ন তুলিলে যদিও য়েই জ্যোতিপ্ৰসাদক আৰ্থিকভাৱে জুৰুলা কৰি পেলালে। সেয়ে ১৯৩৯ চনত কলিকতাৰ ষ্টুডিঅ'ত দুদিনৰ শুটিঙেৰে এখন সামাজিক ৰোমাণ্টিকধৰ্মী চলচ্চিত্ৰ ইন্দ্ৰমালতী নিৰ্মাণ কৰিলে। য়ে তেওঁক আৰ্থিকভাৱে সামান্য সকাহ দিছিল। চিনেমা কৰিবলৈ গৈ অভিনেত্ৰী বিচাৰি ৰক্ষণশীল সমাজত জ্যোতিপ্ৰসাদ আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। নানা যত্নৰ মূৰত গোলাঘাটৰ পৰা জ্যোতিপ্ৰসাদে উলিয়াই আনিছিল আইদেউ সন্দিকৈ, মোহিনী, স্বৰ্গজ্যোতি আদি অসমীয়া ছোৱালীক আৰু ইয়াৰ জৰিয়তে অসমীয়া নাৰীৰ মুক্তিৰ বাট কাটি যুগাগ্ৰগামী চিন্তাৰ সাহসিক নিদৰ্শন দাঙি ধৰিলে। আকৌ, জ্যোতিপ্ৰসাদে চিনেমা নিৰ্মাণ কৰা সময়ত অসমত চিনেমা হলেই নাছিল। ১৯৩৭ চনত সেয়ে তেজপুৰত তেওঁ নিৰ্মাণ কৰিলে 'জোনাকী' চিনেমা হল। আনবোৰ শিল্পীকৰ্মৰ দৰে এই হলটো নিৰ্মাণ কৰোঁতেও তেওঁ নতুন চাপ এটা দিয়াৰ যত্ন কৰিছিল। বিজয় চন্দ্ৰ ভাগৱতীক তেওঁ কৈছিল- "চোৱা, এই ঘৰটো অসমীয়া ধৰণৰ দুচলীয়া টিনৰ ঘৰ। কিন্তু ইয়াৰ সন্মুখখন এটা বিশেষ গঢ়ত, ইটাৰে পকা দেৱাল কৰি দিয়াত, ঘৰটোৰ চেহেৰাই বদলি হৈ গৈছে- যেন ই এটা ডাঙৰ অট্টালিকাহে।"

জ্যোতিপ্ৰসাদ আছিল স্বৰূপতে কবি। আধুনিক অসমীয়া কবিতাকে বৈষ্ণৱ যুগীয় ছন্দৰ বান্ধোনৰ পৰা মুক্ত কৰি নতুন আঙ্গিক প্ৰদান কৰা আৰু ভাববস্তুৰ ফালৰ পৰা প্ৰচলিত ৰোমাণ্টিকতাৰ বিপৰীতে এক নতুন ধৰণৰ দায়বদ্ধতা প্ৰদান কৰাৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদ ধীৰেন্দ্ৰনাথ দত্ত, অমূল্য বৰুৱা আদিৰ সমগোত্ৰীয়।

শিল্পকলা সম্বন্ধে জ্যোতিপ্ৰসাদৰ আছিল নিজা বীক্ষা। 'শিল্পীৰ পৃথিৱী', 'নতুন দিনৰ সৃষ্টি', 'নতুনৰ পূজা', 'অসমীয়া সংস্কৃতি', 'পোহৰলৈ', 'অসমীয়া স্থাপত্যৰ নৱৰূপ' আদি প্ৰবন্ধ শচভাষণগ্ন সমূহত জ্যোতিপ্ৰসাদৰ মনোজগতৰ এক দাৰ্শনিক ৰূপ প্ৰত্যক্ষ কৰিব পাৰি। সংস্কৃতিক তেওঁ এক ব্যাপক অৰ্থত গ্ৰহণ কৰিছিল আৰু ইয়াকো তেওঁ অপৰিৱৰ্তনীয় বুলি ভবা নাছিল। ৰূপান্তৰৰ আদৰ্শই জ্যোতিপ্ৰসাদৰ সংস্কৃতি-চিন্তাৰ কেন্দ্ৰবিন্দু। ৰাজনীতি, সমাজনীতি, অৰ্থনীতি সকলোবোৰেই তেওঁৰ সংস্কৃতিৰ ভিতৰুৱা আছিল আৰু সমাজৰ উত্তৰণৰ বাবে শিল্পীৰ একান্ত অংশ গ্ৰহণৰ প্ৰয়োজনীয়তাত তেওঁ গভীৰ আস্থা স্থাপন কৰিছিল। আনহাতে, শিল্পী বাস্তৱ জীৱনৰ পৰা আঁতৰৰ বিশেষ কিবা নহয়; ছবি আঁকা, গান গোৱা, কবিতা লিখাই শিল্প নহয়; শিল্প তেওঁৰ বাবে জীৱনৰ এক অখণ্ড ৰূপ। ই অমলিন, শাশ্বত আক সত্য। মেহনতী জনতাৰ জীৱন সংগ্ৰামৰ খণ্ডিত ৰূপবোৰৰ সামগ্ৰিকতাৰ প্ৰতি তেওঁৰ আছিল অগাধ আস্থা আৰু ইয়াক তেওঁৰ শিল্পদৰ্শনৰ মৰ্মস্থানতে স্থান দিছিল। মানুহৰ অখণ্ডতাৰ ওপৰত বিশ্বাসৰ বাবেই জ্যোতিপ্ৰসাদৰ শিল্পীসত্তা বিশ্ব মানৱৰে প্ৰতীক স্বৰূপ। তেওঁৰ সংস্কৃতিৰ আঞ্চলিক কৰূপবোৰৰ প্ৰতি সশ্ৰদ্ধ মনোযোগ আছিল যদিও ইয়াকো তেওঁ অখণ্ডতাৰ অংশৰূপেই বিবেচনা কৰিছিল।

জ্যোতিপ্ৰসাদ স্বৰূপতেই আছিল জীৱন-শিল্পী। তেওঁ স্পষ্টভাৱেই লিখিছে- "শিল্পী, সাহিত্যিক, কবি, দাৰ্শনিক হৈ দেশক সাংস্কৃতিক ভ্ৰষ্টতাৰ পৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্তব্য অৱহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ, দেশৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চ'ৰাতেই থাকিব খুজিব, সেইসকল নিশ্চয় আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালন নকৰাৰ দোষত পৰিব লাগিব। (পোহৰলৈ) কৃষ্ণৰ মাজত জ্যোতিপ্ৰসাদে তেওঁৰ আদৰ্শৰ সমৰ্থন বিচাৰি পাইছিল আৰু ইয়াকে তেওঁ ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ প্ৰতীক ৰূপে গ্ৰহণ কৰিছিল।"

চেমনীয়া বয়সতে জ্যোতিপ্ৰসাদে গল্প ৰচনাতো হাত দিছিল। অৱশ্যে গল্প ৰচনাত দীৰ্ঘকাল তেওঁ মনোনিবেশ কৰা নাছিল, ই আছিল জ্যোতিপ্ৰসাদৰ 'এক উৎক্ষিপ্ত-স্ফুলিঙ্গ মাথোন'। জ্যোতিপ্ৰসাদে চন্দ্ৰকুমাৰ আগৰৱালাৰ এখন জীৱনী আৰু মহাত্মা গান্ধীৰ কৰ্মময় জীৱনৰ এছোৱা লিখি আধৰুৱাকৈ এৰি যাবলগীয়া হ'ল। চন্দ্ৰকুমাৰৰ জীৱনীখন সম্পূৰ্ণ কৰাহেঁতেন এখন মূল্যবান গ্ৰন্থ হ'লহেঁতেন। তেওঁ ইংৰাজী ভাষাতো দুখন ইংৰাজী নাটক আধা ডুখৰীয়াকৈ এৰি গৈছে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ সপক্ষে জ্যোতিপ্ৰসাদে জনমত সৃষ্টিৰ প্ৰচেষ্টা চলোৱাৰ উপৰি বিশ্ববিদ্যালয়ৰ স্থাপত্য আৰ্হি এটাও নিৰ্মাণ কৰিছিল।

অত্যন্ত চমু জীৱন কালত জ্যোতিপ্ৰসাদে অলেখ কৰিলে। কেৱল সংখ্যাৰ লেখেৰে নহয়। গুণগত দিশেলে প্ৰতিটো কৰ্মই মৌলিক সৃজনশীলতাৰে উজ্জীৱিত। গীত, ছবি, নাটক, কবিতা, প্ৰবন্ধ, ভাষণ সকলোবোৰেই এক আদৰ্শনিষ্ঠ মৌলিক চেতনাৰ প্ৰকাশ। প্ৰতিটো সৃষ্টিৰ মাজত যিদৰে আছিল গভীৰ আত্মনিষ্ঠা আৰু সশ্ৰদ্ধ অনুশীলন, একেদৰে আছিল জাতীয় জীৱনৰ প্ৰতি আন্তৰিক দায়বদ্ধতা। সৰ্বোপৰি, সাহিত্য-শিল্প আদিক অৱসৰৰ উপৰুৱা সৃষ্টি বুলি ভবাৰ সলনি জ্যোতিপ্ৰসাদৰ বাবে সেয়া আছিল নিজা দৰ্শনৰ মূলমন্ত্ৰ। ড° হীৰেন গোহাঁয়ে জ্যোতিপ্ৰসাদ ৰচনাৱলী পাতনিত উল্লেখ কৰা এষাৰ গুৰুত্বপূৰ্ণ কথাৰে আলোচনাটি সামৰিব বিচাৰিছো - "....তেওঁ কেতিয়াবা ভাবিছিল যে স্বাৰ্থমগ্ন ৰাজনীতিবিদতকৈ স্বাৰ্থহীন শিল্পকলাইহে জনগণৰ পথ নিৰ্দেশ কৰিব পাৰে। কিন্তু সাম্যবাদীসকলে তেওঁৰ এই চিন্তাক প্ৰত্যাহ্বান জনাই প্ৰশ্ন তুলিলে- শিল্পী একান্তভাৱে নিঃস্বাৰ্থ আৰু নিৰপেক্ষনে? সমাজৰ কঠোৰ শ্ৰেণীবন্ত শিল্পী কাৰ পক্ষত? জ্যোতিপ্ৰসাদে অৱশেষত সিদ্ধান্ত কৰিছিল যে শিল্পী নিপীড়িত, মুক্তিকামী, সংগ্ৰামী জনতাৰ পক্ষত। কিন্তু শিল্পীৰ কাৰ্যপন্থা ৰাজনীতিবিদতকৈ বেলেগ। শিল্পকলাৰ উদ্দেশ্য কেৱল অৱসৰ বিনোদন নহয়, বা আনকি কেৱল মানুহৰ সুকুমাৰ বৃত্তি সমূহৰ পুষ্টিসাধন নহয়। তাৰ অন্তিম লক্ষ্য জনতাৰ চৈতন্যৰ জাগৰণ আৰু জনতাৰ আত্মপ্ৰতিষ্ঠা।"

## কঠীয়াতলিৰ হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে কাৰ্যকৰী পদক্ষেপ ল'বলৈ বন বিষয়াক নিৰ্দেশ

# নগাঁৱৰ কন্দলিৰ ক্ষতিগ্ৰস্ত লোকৰ কাষত জিলা আয়ুক্ত

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুন ঃ** নগাঁও জিলাৰ কঠীয়াতলি বনাঞ্চলিক কাৰ্যালয়ৰ এলেকাধীন বামুণীৰ তপতজুৰী, কন্দলি অঞ্চলত অলপতে বনৰীয়া হাতীয়ে প্ৰৱেশ কৰি অঞ্চলটোৰ দুগৰাকী বাসিন্দাৰ বাসগৃহত ক্ষয়-ক্ষতি কৰে। এই ঘন জনবসতিপূৰ্ণ অঞ্চলটোত হোৱা হাতী-মানুহৰ সংঘাতৰ বুজ ল'বলৈ কালি সন্ধিয়া জিলা আয়ুক্ত দেৱাশিস শৰ্মাই উক্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ নিৰীক্ষণ কৰে। নিশাৰ অন্ধকাৰত টৰ্চ লৈ কৰা আয়ুক্তগৰাকীৰ পৰিদৰ্শন কালত ক্ষতিগ্ৰস্ত পৰিয়াল আৰু স্থানীয় বাসিন্দাসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁলোকৰ সমস্যাৰ বুজ লয় আৰু ক্ষয়-ক্ষতিৰ চৰজমিন পৰ্যবেক্ষণ কৰে। আয়ুক্তগৰাকীয়ে পৰিদৰ্শন কালত উপস্থিত থকা বনাঞ্চলিক বিষয়া-কৰ্মচাৰীসকলৰ সৈতে অঞ্চলটোত হাতীয়ে প্ৰৱেশ কৰা পথসমূহ নিৰীক্ষণ কৰাৰ লগতে এই সমস্যাৰ পৰা অঞ্চলবাসীক সকাহ দিয়াৰ বাবে



প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ কেতবোৰ পৰামৰ্শ আগবঢ়ায়। অঞ্চলটোত আজি কিছুদিনৰ পৰা হাতী-মানুহৰ সংঘাত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিষয়টোৰ এটা কাৰ্যকৰী সমাধান সূত্ৰ বিচাৰি কৰ্ম-আঁচনি প্ৰস্তুত কৰিবলৈ বন বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিছে।

# শিল্প, সমাজ আৰু সাংস্কৃতিক

সৰ্বস্ব দিশতে জ্যোতিষ্মান ৰূপত জিলিকি থকা এয়া জ্যোতিপ্ৰসাদ। জ্যোতিপ্ৰসাদ আগৰৱালাই গতানুগতিক শিক্ষা-পৰম্পৰাৰ জৰিয়তে জীৱন উজলাই তোলাৰ লগতে সমগ্ৰ মানৱীয় সমাজখন স্বৰূপাৰ্থত শিল্পময়, ৰূপ-লাৱণ্যৰে গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। মানৱ সমাজৰ, মানৱ জীৱনৰ প্ৰতিটো দিশ আৰু আত্মিক সত্ত্বা শিল্পসুলভ কাৰুকাৰ্যৰে গঢ়ি তোলাৰ ক্ষেত্ৰত সদায় সততে অগ্ৰণী ভূমিকা পালন কৰিছিল। শৈল্পিক, সাংস্কৃতিক চিন্তা-কৰ্ষণাদিৰ এক নজহা-নপমা সাহিত্য শিল্পৰ ফচল হিচাপে চিহ্নিত হৈছে তেখেতৰ অনবদ্য প্ৰকাশ 'শিল্পীৰ পৃথিৱী'। এই শিল্পীৰ পৃথিৱীৰ অন্তৰ্ভাগত পৰিলক্ষিত হয় নিকা, নিভাঁজ আৰু বৰ্ণময় ভাৱ-অনুভৱৰ চেকুৰা আৰু শিল্পসৌন্দৰ্যময় ভাৱ বৈচিত্ৰ্যৰ চিৰশ্বাশ্বত, চিৰজাগ্ৰত সৃষ্টি-চেতনাৰ সুশীতল নিজৰা। তেখেতৰ জীৱনজোৰা অন্যান্য শিল্প-কলা সমূহৰ কথা বাদ দিও যদি 'শিল্পীৰ পৃথিৱীৰ' এই যুগান্তকাৰী পুথিখনি অন্তঃকৰণেৰে পাঠন আৰু অধ্যয়ন কৰিলেও সামাজিক পৰিৱেশত মানুহৰ সমাজত স্বৰূপাৰ্থত মানুহ হ'ব পাৰি। বহু উচ্চস্তৰৰ মানৱীয়তাৰ সমৃদ্ধ জ্ঞান-গৰিমা ইয়াৰ মাজত নিহিত হৈ আছে। মুঠৰ ওপৰত আমাৰ জ্ঞান-বিবেকত এটা সত্য, শিৱ আৰু সুন্দৰ বাস্তৱৰ নান্দনিকতা আছে ইয়াৰ মাজত।

ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিটো দিশৰ চিন্তা-চেতনাৰ আঁৰত আলোকিত হৈ আছে এক সুন্দৰ সাংস্কৃতিক গতিধাৰা। জ্যোতিপ্ৰসাদৰ ভাৱত, কথাত ব্যৱহাৰিকতা আৰু ব্যৱহাৰ প্ৰণালী, শিষ্টাচাৰাদিত প্ৰতি পদক্ষেপতে প্ৰতিভাত হৈ উঠে একো একোটা মহৎ আদৰ্শৰ চানেকি, আৰ্হি-প্ৰণালীৰ স্বাক্ষৰ। জ্যোতিপ্ৰসাদৰ সাধাৰণতাৰ মাধ্যমতো কোনো তৰলতাৰ চিন নাছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল স্বৰূপাৰ্থত এক বিপ্লৱী আৰু সংগ্ৰামী মনীষাৰ প্ৰতীক। জ্যোতিপ্ৰসাদৰ মূৰৰ চুলিৰ পৰা আঙুলিৰ মূৰলৈকে অন্তবিপ্লৱৰ এক শীতল শিখা প্ৰজ্বলিত হৈ আছিল। কিন্তু সেইবুলি মানুহে জ্যোতিপ্ৰসাদৰ সেই বিদ্ৰোহানল চকুৰ আগত প্ৰত্যক্ষ কৰিবলৈ পোৱা নাছিল। জ্যোতিপ্ৰসাদৰ বিপ্লৱ বা বিদ্ৰোহৰ অগনি চকুৰে দেখা পোৱা বিধৰ নাছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই অনিৰুদ্ধ গতিৰ বিপ্লৱ আছিল এক অন্ত: সাংস্কৃতিক বিপ্লৱ। আজিৰ যুৱ মানসিকতা, ছাত্ৰ সংগঠন আৰু অন্যান্য স্বেচ্ছাসেৱী সমাজে ভিন্ন কাৰণৰ পৰিপ্ৰেক্ষিতত বৈপ্লৱিক ধ্বনি শ্লোগানেৰে একোটা উত্তাল পৰিস্থিতি উদ্ভৱ কৰি ৰাজপথলৈ ওলাই আহে। তাহানি কালত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদেও নিজৰ ন্যাৰ্যতা দাবী কৰি আন্দোলন কৰিছিল, কিন্তু এনেকুৱাকৈ নহয়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সংগ্ৰাম আছিল সাংস্কৃতিক সংগ্ৰাম। জনসমাজৰ মাজত বা চৰকাৰ-প্ৰশাসন যন্ত্ৰৰ মজিয়া বা মচনদত চিঞৰ-বাখৰ কৰি সমাজত কেতিয়াও একোটা অশান্তজৰ্জৰ পৰিৱেশ সৃষ্টি কৰিব বিচৰা নাছিল। শান্ত-সমাহিত কাৰ্য-কৰ্ষণেৰেহে জ্যোতিপ্ৰসাদে আমাৰ মানৱ সমাজ সংস্কাৰ কৰাৰ দৃঢ় পদক্ষেপ হাতত লৈছিল, যাৰ বাবে সবাউটিৰে আদৰ পাইছিল, সহযোগ আৰু সঁহাৰি লাভ কৰিব পাৰিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাই জনসমাজৰ মাজত সভা পাতি জনমঙ্গলৰ হিতকল্পে সাংস্কৃতিক বক্তৃতা প্ৰদান কৰিছিল আৰু সবাউটিৰে মাজত শান্তি-সম্প্ৰীতি আৰু ঐক্য-সংহতিৰ এক সুদৃঢ় বৰভেঁটি গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। এক সুন্দৰ সাংস্কৃতিক পৰিমণ্ডলৰ গণ্ডীৰ ভিতৰত থাকিয়েই জ্যোতিপ্ৰসাদ আগৰৱালাই বহুতো বৈপ্লৱিক গীত আৰু কবিতা ৰচনা কৰিছিল। কাৰেঙৰ লিগিৰী, সুন্দৰ কোঁৱৰ, শোণিত কুঁৱৰী, ৰূপালীম, লভিতা আদিৰ দৰে কিছুমান জনপ্ৰিয় নাটক ৰচনা কৰি সমাজৰ কেতবোৰ এলান্ধুকলীয়া নীতি-পৰম্পৰা উৎখাত কৰি একোখনহঁত সংস্কাৰিত সাংস্কৃতিক সমাজ গঢ়ি তোলাত আত্মনিয়োগ কৰিছিল। তেখেতৰ চিন্তা-কৰ্ষণৰ জৰিয়তে প্ৰতি ক্ষণে ক্ষণে আমাৰ সামাজিক পৰিমণ্ডলত বিৰাজি থকা কেতবোৰ আমাৰ সমাজ জীৱনৰ অমঙ্গলীয়া ক্ৰিয়া-কাণ্ডবোৰ আঁতৰ কৰিবলৈ নৈমিত্তিকভাৱে যত্ন কৰিছিল। এনেকৈয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অতি নীৰৱ-নিস্তব্ধতাৰে আমাৰ সমাজ জীৱনৰ কলুষতাবোৰ আঁতৰ কৰিছিল একান্ত সাংস্কৃতিক সংগ্ৰামৰ জৰিয়তে।

# মাজুলীৰ দীপক বৰুৱালৈ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ CCRTৰ ২০২৫-২৬ বৰ্ষৰ Junior fellowship প্ৰদান

**অসম বাৰ্তা, উজনি মাজুলী, ১৬জুন ঃ** মাজুলীলৈ পুনৰ কঢ়িয়াই আনিলে এক উল্লেখনীয় গৌৰৱ। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ চি.চি.আৰ.টি. য়ে ঘোষণা কৰা ফলাফল অনুসৰি মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ উদীয়মান বৈষ্ণৱ প্ৰতিভাশালী সত্ৰীয়া নৃত্যশিল্পীক সত্ৰীয়া নৃত্যৰ শিতানত Junior fellowship ২০২৫-২৬ বৰ্ষৰ শিল্পী হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰিছে। তেওঁৰ এই অভূতপূৰ্ব সফলতাই সমগ্ৰ মাজুলী জিলাৰ লগতে ৰাজ্যৰ সাংস্কৃতিক মহললৈ ব্যাপক আনন্দৰ জোৱাৰ আনিছে। শিল্পী গৰাকীৰ এই সাফল্যত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামী, পদ্মশ্ৰী গোপীৰাম বৰবায়ন, সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ভবেন বৰবায়ন, অধ্যাপক ড° ভৱানন্দ বৰবায়ন, অধ্যাপক উপেন বৰবায়ন, বিছমিল্লাহ খান যুৱ বঁটাপ্ৰাপক মুকুন্দ বৰবায়ন আৰু নিৰঞ্জন শইকীয়া বৰবায়ন, উত্তৰ কমলাবাৰী সত্ৰৰ সম্পাদক তীৰ্থ ভূঞা বৰবায়ন, মাজুলী জিলা আপকু প্ৰমুখে সত্ৰৰ ভকত-বৈষ্ণৱসকলে শিল্পী গৰাকীলৈ আন্তৰিক অভিনন্দন আৰু আশীৰ্বাদ জ্ঞাপন কৰিছে। দীপক বৰুৱাই মাত্ৰ ৭ বছৰ বয়সতে নিজৰ ঘৰ-দুৱাৰ এৰি সত্ৰীয়া পৰিৱেশত প্ৰৱেশ কৰিছিল। সত্ৰতে থাকি কঠোৰ অনুশাসন আৰু নিষ্ঠাৰে তেওঁলোকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ গুৰুদুজনাৰ অমৰ সৃষ্টি সত্ৰীয়া নৃত্য, গীত, বাদ্য, অংকীয়া নাট আৰু সত্ৰীয়া ওজাপালি আদিৰ ক্ৰমানুসাৰে আনুষ্ঠানিক শিক্ষা সম্পূৰ্ণ কৰে। নিজৰ একক সাধনাৰ বলত শিল্পী গৰাকীয়ে ইতিমধ্যে অসমৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি দেশৰ বিভিন্ন প্ৰান্ত যেনে— মুম্বাই, নতুন দিল্লী, বেংগালুৰু, উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, কলকাতা, গোৱা, পঞ্জাৱ আৰু পণ্ডিচেৰী আদি গুৰুত্বপূৰ্ণ স্থানত সত্ৰীয়া কলা-সংস্কৃতি প্ৰদৰ্শন কৰি উচ্চ প্ৰশংসা বুটলিবলে সক্ষম হৈছে। কেৱল ৰাষ্ট্ৰীয় পৰ্যায়তে নহয়, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো তেওঁলোকে অসম, ভাৰতবৰ্ষৰ নাম উজ্জ্বল কৰি তুলিছে। ফ্ৰান্স, ছুইজাৰলেণ্ড, জাৰ্মানী আৰু পৰ্তুগালত সত্ৰীয়া নৃত্য, গায়ন-বায়ন, ওজাপালি আৰু অংকীয়া নাট সফলতাৰে প্ৰদৰ্শন কৰি তেওঁলোকে বিশ্ব দৰবাৰত অসমীয়া সংস্কৃতিৰ সুবাস বিলাই দিছে। দীপক বৰুৱাই ইতিপূৰ্বে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ সুনামী ধন্য প্ৰতিষ্ঠান চি.চি.আৰ.টিৰ তৰফৰ পৰা যুৱ শিল্পী হিচাপে জলপানি লাভ কৰি প্ৰতিষ্ঠিত হৈছে। প্ৰসাৰ ভাৰতীৰ তৰফৰ পৰা ও বি গ্ৰেড(২০২৪) আৰু বি-হাই(২০২৬) বৰ্ষৰ নৃত্যশিল্পী হিচাপে স্বীকৃতি লাভ কৰিবলৈও সক্ষম হৈছে।

## 'কুঁহি' আৰু 'আকাশ' উপ সমিতিৰ দ্বাৰা আয়োজন কৰা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুন ঃ** গোলাঘাট শাখা সাহিত্য সভাৰ 'কুঁহি' উপ সমিতিৰ দ্বাৰা আয়োজন কৰা 'হাতে লেখা আলোচনী প্ৰতিযোগিতা ২০২৬'ৰ 'খ' শাখাত কাকডোঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'কিশলয়' নামৰ আলোচনীখনে প্ৰথম স্থান আৰু কুশল কোঁৱৰ বাল্যভৱন, গোলাঘাটৰ 'প্ৰয়াস' নামৰ আলোচনীখনে দ্বিতীয় স্থান লাভ কৰিছে। তৃতীয় স্থান বিবেচিত নহ'ল। অন্যহাতে 'আকাশ' উপ সমিতিয়ে আয়োজন কৰা 'ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱন জিজ্ঞাসা আৰু কবিতাৰ কাব্যিক সৌন্দৰ্য' শীৰ্ষক সদৌ অসম ভিত্তিত আয়োজন কৰা প্ৰবন্ধ লিখা প্ৰতিযোগিতাত, প্ৰথম স্থান লাভ কৰিছে, দীপাঞ্জলি ভট্টাচাৰ্য, গুৱাহাটী, দ্বিতীয় স্থান লাভ কৰিছে দেৱযানী মহন্ত নামতি, শিৱসাগৰ আৰু তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰিছে ডঃ তৰালি গগৈ ক'ৰ্ট ৰ'ড গোলাঘাট আৰু পদ্মাৱতী বৰা বিপিন ফুকন নগৰ, গোলাঘাট। গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি তিলেশ্বৰ তামোলী আৰু সম্পাদিকা অঞ্জলি বাইলুং বুঢ়াগোহাঁয়ে বিজয়ীসকলক অভিনন্দন জনোৱাৰ লগতে জনাইছে যে ড° নিৰ্মলপ্ৰভা বৰদলৈ ডাঙৰীয়ানীৰ জন্ম দিৱসৰ অনুষ্ঠানতে বিজয়ীসকলক ২০ জুনত গোলাঘাট শাখা সাহিত্য সভাৰ কাৰ্যালয়, পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্মৃতি ভৱন, সাহিত্য সভা পথ (আৰ্বত ভৱনৰ কাষত), গোলাঘাটত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত পুৰস্কাৰ সমূহ প্ৰদান কৰিব।

দুগৰাকী অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা আৰু ঘন নাথক সম্বৰ্ধনা

# মাজুলী জিলা সাংবাদিক সন্থাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, মাজুলী, ১৬ জুন ঃ** অসমৰ সংবাদ জগতৰ বাটকটীয়া অসমীয়া লোকৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত অসমৰ প্ৰথম কাকত' আসাম বিলাসিনী 'স্ৰষ্টা আউনীআটী সত্ৰৰ একাদশ গৰাকী সত্ৰাধিকাৰ শ্ৰীশ্ৰী দেৱ দত্তদেৱ গোস্বামীৰ পদাংক অনুসৰণ কৰি মাজুলীৰ মুষ্ঠিমেয় কেইগৰাকীমান সাংবাদিকৰ প্ৰচেষ্টাত ১৯৯০ চনৰ ১৬ জুন তাৰিখে জন্ম লাভ কৰে মাজুলী সাংবাদিক সন্থাই। তেতিয়াৰ পৰাই একাদিক্ৰমে মাজুলীৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন আহিছে সংগঠনটোৱে। তদুপৰি সাংবাদিক সকলৰ সংবাদ কৰ্মৰ প্ৰেৰণা দান কৰিবৰ কাৰণে "দত্ত দেৱ গোস্বামী সাংবাদিকতা বঁটা", " নিত্যানন্দ ভৰালী সোঁৱৰণী বঁটা", "যুৱ সাংবাদিকতা" প্ৰৱৰ্তন কৰি আহিছে। আজি ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা দত্ত দেৱ গোস্বামী সোঁৱৰণী ভৱনৰ সন্মুখত পতাকা উত্তোলন কৰে সন্থাৰ উপ-সভাপতি খগেন হাজৰিকাই আৰু স্মৃতি তৰ্পণ কৰে প্ৰতিষ্ঠাপক সম্পাদক ৰঞ্জিৎ কুমাৰ ভূএগ্ৰই। বিয়লি ১ বজাৰ পৰা সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেণ ঠাকুৰীয়াই। সভাত মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা আৰু পীতাম্বৰ দেৱ কনিষ্ঠ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন নাথক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি সৰ্বেশ্বৰ হাজৰিকাই কয় চতুৰ্থ স্তম্ভৰ আদৰ্শই দেশৰ উন্নয়নৰ চাবিকাঠি। কিন্তু ক্ষেত্ৰ অধ্যয়ন নকৰাকৈ পৰিৱেশন কৰিলে হিতে বিপৰীত হয়। জটিল হৈ পৰা সমাজখনৰ বাবে শুদ্ধ সত্য বাতৰি পৰিৱেশন কৰিবৰলৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীয়ে আহ্বান জনায়। আন এগৰাকী সম্বৰ্ধিত ব্যক্তি ঘন নাথে সাংবাদিক সকলক 'নগৈ গড়গাঁৱৰ বাতৰি' দিয়াতকৈ ক্ষেত্ৰ অধ্যয়নৰ বিষয়ত গুৰুত্ব দিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত কয়- চৰকাৰে মাজুলীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ বাবে প্ৰনয়ন কৰা আইন খনৰ কোনো কাৰ্যকৰী ব্যৱস্থা নকৰিলে। ২০১৪ চনৰ পৰাই এই প্ৰক্ৰিয়া বন্ধ হৈ আছে। এতিয়া কাৰ্যালয়টো উঠাই লৈ যায়। তেওঁ কয় মাজুলীৰ সৰু বৰ ৩৫টা সুতি বন্ধ কৰি দিয়াৰ ফলত খহনীয়া হৈছে। অপ্ৰিয় সত্য নক'বা এই নীতিৰ ওপৰত গুৰুত্ব দিয়াটো প্ৰয়োজন কাৰণ অসমত এতিয়া সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত নহয়। তাৰ মাজতে ড° পীতাম্বৰ দেৱগোস্বামীয়ে লণ্ডনৰ পাৰ্লিয়ামেণ্টত অসমৰ বৈষ্ণৱ সংস্কৃতিৰ ওপৰত বক্তৃতা প্ৰদান কৰিব মাজুলীৰ বাবে ঐতিহাসিক ক্ষণ ৰূপে পৰিগণিত হ'ব। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰা ড° আনন্দ হাজৰিকাই সাংবাদিকৰ কৰ্তব্য দায়িত্বৰ ওপৰত বক্তব্য ৰাখি টুনী নৈখন বন্ধ কৰাৰ প্ৰসংগত এক এক অলিখিত বুৰঞ্জী সদৰি কৰে। তদুপৰি দলঙ নিৰ্মাণৰ প্ৰসংগত যাতায়তৰ উন্নয়ন অবিহনে উন্নয়ন সম্ভৱ নহয় কিন্তু মাজুলীৰ সৌৰ্য বীৰ্য অটুট ৰাখিবলৈ সাংবাদিক সকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। ড° কৰুণা বৰাই সাম্প্ৰতিক কালত সংবাদ পত্ৰৰ ভূমিকা শীৰ্ষক বিষয়ত এক মনোজ্ঞ বক্তব্য আগবঢ়াই বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ স্বীকৃতিৰ বাবে মাজুলীৰ সাংস্কৃতিক সম্পদ ৰক্ষণাবেক্ষণ দি অহা মাজুলীৰ সত্ৰ সমূহৰ যি অৱদান সেয়া কোনো কালে নুই কৰিব নোৱাৰি। সভাত মাজুলীৰ সংবাদ জগতৰ পিতামহ স্বৰূপ জেষ্ঠ সাংবাদিক বিপিন শইকীয়াই আশিস প্ৰদান কৰে। বিশিষ্ট অতিথি আসনৰ পৰা ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰ বৰা, মাজুলী জিলা যুৱছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূএগ্ৰা, বিশিষ্ট প্ৰকৃতিবিদ ড° ৰাজেন বৰাই কয় মাজুলীত সাংবাদিকতা কৰাতো কঠিন সময়, মাজুলীৰ সৌন্দৰ্য বৰ্তাই ৰাখিবলৈ যত্নপৰ হ'ব লাগিব। সমাজকৰ্মী জগত হাজৰিকাই মাজুলীক লৈ সাংস্কৃতিক সুৰক্ষা আইন প্ৰণয়ন কৰিছিল যদিও এতিয়াও কাৰ্যক্ষম হোৱা নাই বুলি অভিযোগ উত্থাপন কৰে। জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। বিশিষ্ট অতিথি প্ৰকৃতি প্ৰেমী অতুল হাজৰিকা, অধ্যাপক তুলসী ৰাজখোৱা, বিশিষ্ট শিল্পী সুৰ শইকীয়া হাজৰিকা, মাজুলী জিলা মইনা পাৰিজাতৰ প্ৰবীণ ভূএগ্ৰা, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক আদিত্য দত্ত, সমাজকৰ্মী সূৰ্য বৰুৱা, প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু সন্থাৰ বিষয়ববীয়া আৰু ছপা আৰু বৈদ্যুতিক মাধ্যমৰ সদস্য সকল উপস্থিত থাকে। আজিৰ সভাৰ অতিথি সকলক আপায়ন কৰাই সন্থাৰ সহকাৰী সম্পাদক তথা প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰাজীৱ পাটিৰে।

# মুক্তিযোদ্ধা চুটোৱা ৰজোৱাৰ আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ শুভ উদ্বোধনী অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, বাদুলিপাৰ, ১৬ জুন ঃ** গোলাঘাটৰ ভুলুকীটিং চাহ বাগিচাত অৱস্থিত মুক্তিযোদ্ধা চুটোৱা ৰজোৱাৰ আদৰ্শ বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ শুভ উদ্বোধনী অনুষ্ঠানটি সফলতাৰে অনুষ্ঠিত হৈ যায়। সেই উপলক্ষে শুভ উদ্বোধনী অনুষ্ঠানত দেৰগাঁও বিধান সভা সমষ্টিৰ সন্মানীয় বিধায়ক ড° মৃদুল কুমাৰ দত্ত আৰু গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক হেমগিৰি নৰহ, (অ. শি. সে-১)এ অংশগ্ৰহণ কৰে। বিধায়কদেৱে সমগ্ৰ অঞ্চলটোৰ শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত বিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। আনহাতে, নৰহদেৱে অভিভাৱকসকললৈ আহ্বান জনাই কয় যে, প্ৰতিগৰাকী শিশোৱে বিদ্যালয়লৈ নিয়মীয়াকৈ আহক আৰু শিক্ষাৰ পোহৰে জীৱন উজলাই তোলক। শিশুক নিয়মীয়াকৈ বিদ্যালয়লৈ প্ৰেৰণ কৰি শিক্ষাৰ জৰিয়তে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত গঢ়ি তোলাত পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি অভিভাৱকসকলক উদ্দেশ্যি অনুৰোধ জনায়। তেওঁ শিক্ষাৰ্থীসকলক শৃংখলাবদ্ধ, কঠোৰ পৰিশ্ৰম আৰু নৈতিক মূল্যবোধেৰে আগুৱাই যাবলৈ উদ্বুদ্ধ কৰে। শেষত, বিদ্যালয়খনৰ উন্নয়ন আৰু শিক্ষাৰ প্ৰসাৰত আগবঢ়োৱা ইতিবাচক পদক্ষেপৰ বাবে সন্মানীয় বিধায়ক ডঃ মৃদুল দত্তদেৱৰ সমন্বিতে নৰহদেৱক গুণগত শিক্ষাৰ উত্তৰণৰ মানসেৰে কৰা সহযোগিতাৰ বাবে ৰাইজে প্ৰশংসা কৰে। অনুষ্ঠানটোৱে নৱাগত শিক্ষাৰ্থীসকলৰ মাজত শিক্ষা, আত্মবিশ্বাস আৰু দায়িত্ববোধৰ এক ইতিবাচক বাৰ্তা প্ৰেৰণাৰ সৃষ্টি কৰে।

# ডিব্ৰুগড়ৰ মানকটাত ব্যতিক্ৰমী প্ৰয়াস

## প্ৰয়াত শাহুৱেকৰ নামত বোৱাৰীয়েকৰ পুথিভঁৰাল মুকলি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুন ঃ** "কিতাপ হৈছে মানুহৰ আটাইতকৈ প্ৰিয় বন্ধু"-ঘৰ এখনত যদি কিতাপৰ পৰিৱেশ থাকে, তেন্তে পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ লগতে শিশুসকলৰ মাজতো স্বাভাৱিকতে কিতাপ পঢ়াৰ প্ৰতি ধাউতি বাঢ়ে। এই উদ্দেশ্য আগত ৰাখিয়েই ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰী গাঁৱত দেখিবলৈ পোৱা গ'ল এক অনন্য ব্যতিক্ৰমী আৰু প্ৰশংসনীয় পদক্ষেপ। মানসিক প্ৰশান্তি লাভৰ উদ্দেশ্যে আৰু নতুন প্ৰজন্মক কিতাপৰ প্ৰতি আকৰ্ষিত কৰিবলৈ মানকটা কছাৰীবাৰী গাঁৱৰ প্ৰয়াত দিগন্ত সোণোৱালৰ বাসগৃহত এক মাংগলিক কাৰ্যসূচীৰে আনুষ্ঠানিকভাৱে মুকলি কৰা হয় এটি ঘৰুৱা পুথিভঁৰাল। প্ৰয়াত দিগন্ত সোণোৱালৰ পত্নী, বিশিষ্ট সাহিত্যানুৰাগী তথা কবি দীপৰেখা সোণোৱালে নিজৰ শাহু মাতৃ প্ৰয়াত ভদ্ৰাৱতী সোণোৱালৰ নামত এই পুথিভঁৰালটি স্থাপন কৰি এক অনন্য আদৰ্শ দাঙি ধৰি পছন্দৰ কিতাপ পঢ়াৰ সম্পূৰ্ণ স্বাধীনতা আগবঢ়াইছে। এই পুথি ভঁৰালটিৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াত পাঠকৰ বাবে পঢ়াৰ কোনো সময়ৰ সময়সীমা বা বান্ধোন নাথাকে। পঢ়ুৱৈসকলে নিজৰ সুবিধা আৰু পছন্দ অনুযায়ী কিতাপ পঢ়াৰ পূৰ্ণ স্বাধীনতা লাভ কৰিব। পুথিভঁৰালটিত 'প্ৰথম প্ৰতিশ্ৰুতি'ৰ দৰে ক্লাছিক উপন্যাসৰ পৰা আৰম্ভ কৰি ৰহস্য- বিস্ময়, প্ৰান্তিক, দস্যু ভাস্কৰ চিৰিজ আৰু বিভিন্ন ধৰণৰ কিতাপ অতি সযত্নে সংৰক্ষণ কৰি ৰখা হৈছে। কেৱল কিতাপেই নহয়, পুথিভঁৰালটিৰ দেৱালত মহাপুৰুষ শংকৰদেৱ, ড° ভৱেন্দ্ৰ নাথ শইকীয়া, ড° ভূপেন হাজৰিকা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গকে ধৰি অসমৰ বৰেণ্য ব্যক্তিসকলৰ আলোকচিত্ৰ অতি সুন্দৰ ৰূপত সজাই তোলা হৈছে। অনুষ্ঠানত বিশিষ্ট ব্যক্তিৰ উপস্থিতিত উন্মোচন কৰা এই বিশেষ পুথি ভঁৰালটি আনুষ্ঠানিকভাৱে মুকলি কৰে মহাবাহু অফছেট্ প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰী দীপক কুমাৰ বৰুৱাই। উন্মোচনী ভাষণত তেওঁ আশা প্ৰকাশ কৰে যে এই পুথিভঁৰালে অঞ্চলটোৰ বৌদ্ধিক, সামাজিক আৰু মানসিক বিকাশত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। লেখিকা ইনু বৰুৱাই আঁতধৰা অনুষ্ঠানত সমাজকৰ্মী দুলাল বৰা, মানকটা শতদল শাখা সাহিত্য সভাৰ সম্পাদিকা নৱনীতা শ্যাম উৰঙীয়া, অঞ্জুমনি কলিতা, নিতুমনি বৰুৱাকে প্ৰমুখ্য কৰি অঞ্চলটোৰ বহু কেইগৰাকী সাহিত্যানুৰাগী আৰু গণ্য-মান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকি উদ্যোক্তাক শলাগ লোৱাৰ লগতে উৎসাহিত কৰে। বৰ্তমান সময়ত মোবাইল ফোনৰ সংস্কৃতিৰ মাজত হেৰাই যাব খোজা কিতাপ পঢ়াৰ অভ্যাসক মানসপটত সজীৱ কৰি ৰাখিবলৈ লোৱা এই ঘৰুৱা প্ৰয়াসে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

# নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**অসমবাৰ্তা, নাজিৰা, ১৬ জুন ঃ** নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি নাজিৰা বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক ময়ূৰ বৰগোহাঁইৰ উপস্থিতিত শিৱসাগৰ জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হয়। শিৱসাগৰ জিলা আয়ুক্ত মৃদুল য়াদৱৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা আজিৰ এই বৈঠক খনত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগসমূহৰ জিলাস্তৰীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে। উক্ত সভাত বিভাগীয় কাম-কাজৰ বিতং পৰ্যালোচনা কৰাৰ লগতে জিলাখনত ৰূপায়ণ হৈ থকা গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণ, অগ্ৰগতিৰ খতিয়ানৰ ওপৰত আলোচনা কৰা হয়। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, শিক্ষা, স্বাস্থ্য, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, ৰাজহ, লোকনিৰ্মাণ (পথ আৰু গৃহ), জনস্বাস্থ্য কাৰিকৰী, পৰিবহণ, মহিলা আৰু শিশু উন্নয়ন, নগৰ উন্নয়ন, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, পশুপালন আৰু পশু চিকিৎসা, মীন, উদ্যোগ আৰু বাণিজ্য, জলসম্পদ, জলসিঞ্চন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আদিকে ধৰি আন কেইবাটাও বিভাগৰ পৰ্যালোচনা কৰা হয়। বিধায়ক ময়ূৰ বৰগোহাঁইয়ে বিভাগীয় আঁচনি সমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় মুৰব্বীসকলক নিৰ্দেশ দিয়ে। লগতে জনহিতকৰ আঁচনিসমূহৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত আন্তঃবিভাগীয় সমন্বয় বৰ্তাই ৰাখিবলৈও উপস্থিত সকলোকে বৈঠকত আহ্বান জনায়। বৈঠকত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ সভানেত্ৰী ক্ৰমে বৰ্ণালী চেতিয়া আৰু কবিতা মেচৰ লগতে শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সকল, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্ত সকল, কাৰ্যবাহী বিষয়াসকল আৰু জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

গোলাঘাট জিলা সাংবাদিক সংস্থাৰ অধিৱেশনত গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ

# সাংবাদিকৰ স্বাস্থ্য আৰু আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী

**অসম বাৰ্তা, দেৰগাঁও, ১৬ জুন ঃ** প্ৰতিষ্ঠাৰ ৬২বছৰ গৰকা গোলাঘাট জিলাৰ মফচলীয় সাংবাদিক সকলৰ সন্মিলিত স্বতন্ত্ৰ মঞ্চ-গোলাঘাট জিলা সাংবাদিক সংস্থাৰ দেৰগাঁৱত অনুষ্ঠিত হৈ যোৱা দ্বি-বাৰ্ষিক অধিবেশনত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। দেৰগাঁও সাংবাদিক সংস্থাৰ সহযোগত দেৰগাঁও সাহিত্য সভা ভৱনত জিলাৰ গত কাৰ্যকালৰ সভাপতি ৰোহিত গগৈৰ সভাপতিত্বত ৭জুনত অনুষ্ঠিত হৈ যোৱা মুকলি সভাত গ্ৰহণ কৰা এটি প্ৰস্তাৱ অনুযায়ী গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সমাজৰ জাগ্ৰত প্ৰহৰী সংবাদ সেৱাৰ লগত জড়িত সকলো সক্ৰিয় সাংবাদিক তথা পৰিয়ালৰ লোকৰ বাবে চৰকাৰী চিকিৎসালয়ত জৰুৰী তৎকালিন চিকিৎসা সেৱা, আইচিইউ আৰু কেবিনৰ সুবিধা প্ৰদান কৰিবলৈ সভাই শাসকীয় চৰকাৰক দাবী জনায়। অন্যহাতে, গোলাঘাট জিলাৰ সকলো সাংবাদিকৰ ভৱিষ্যৎ পৰিয়ালৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত প্ৰদানৰ উদ্দেশ্যে জীৱন বীমা আঁচনি নুমলীগড় তেল শোধনাগাৰৰ পৃষ্ঠপোষকতাত কাৰ্য ৰূপায়ণ কৰিবলৈ শোধনাগাৰ কৰ্তৃপক্ষক সভাই অনুৰোধ জনায় অন্য এক প্ৰস্তাৱ গ্ৰহণ কৰে। অসমৰ মুখ্যমন্ত্ৰীজনে ঘোষণা কৰা দেৰগাঁও লাচিত বৰফুকন আৰক্ষী প্ৰশিক্ষণ প্ৰতিষ্ঠান চৌহদৰ ভূমিত মেডিকেল কলেজখনৰ কাম সোনকালে আৰম্ভ কৰা আৰু গোলাঘাট অসামৰিক চিকিৎসালয়ক অত্যাধুনিক যন্ত্ৰপাতি যোগান আৰু বিশেষজ্ঞ চিকিৎসক নিয়োগেৰে সকলো বিভাগৰ সুবিধাৰে উন্নতি সাধন কৰাৰ দাবীৰে মুকলিসভাত অন্য এটি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে দেৰগাঁৰ ত্ৰিশ বিছনাযুক্ত সামূহিক চিকিৎসালয়খনক ১০০খন বিছনা যুক্ত সকলো সুবিধাৰে পৰিপূৰ্ণ এখন উন্নত চিকিৎসালয় ৰূপে গঢ়ি তোলাৰ বাবে চৰকাৰক দাবী জনাই।ব্ৰহ্মপুত্ৰ অঞ্চলৰ খকন্দগুৰি ক্ষুদ্ৰ চিকিৎসালয়ক ৩০খন বিছনাযুক্ত সা-সুবিধা সহ পূৰ্ণ পৰ্যায়ৰ চিকিৎসালয়ৰূপে গঢ়ি তোলাৰ ব্যৱস্থা লবলৈও সভাই অসমৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীক দাবী জনায়। একেদৰে, মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি আহোম ৰাজত্বৰ ঐতিহ্য বহনকাৰী দেৰগাঁৱৰ নেঘেৰিটিং শিৱদ'লক পৰ্যটন ক্ষেত্ৰ ৰূপে চৰকাৰী জাননী জাৰি কৰি দৌলত পৰ্যটক নিৱাসকে ধৰি আন্ত: গাথনি নিৰ্মাণৰ কাম খৰতকীয়া কৰা আৰু দৌলৰ কাষতে থকা আহোম স্বৰ্গদেউৱে নিৰ্মাণ কৰা পুখুৰীটোৰ সংৰক্ষণ, উন্নয়ন, সৌন্দৰ্যবৰ্ধন কৰা আৰু পুখুৰীলৈ সোমোৱা পথৰ বেদখল মুক্ত কৰিবলৈ সভাই চৰকাৰক দাবী জনায় অন্য এটা প্ৰস্তাৱগ্ৰহণকৰে। দেৰগাঁও নগৰৰ মাজেদি যোৱা চাৰিলেণ্ডযুক্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথত দেৰগাঁও অংশত দুৰ্ঘটনা বৃদ্ধি পোৱাত পথাচাৰীৰ জীৱন নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি সুশৃংখল যান বাহন চলাচলৰ সুবিধা হোৱাকৈ চাৰ্কোল নিৰ্মাণ বা উৰণসেতু নিৰ্মাণ কৰিবলৈ সভাই ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণক অনুৰোধ জনায় প্ৰস্তাৱ গ্ৰহণ কৰে। ইপিনে, দেৰগাঁও সমজিলাৰ উত্তৰ অংশৰ দক্ষিণ আঁহতগুৰি অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ বান -গড়া খহনীয়াৰ স্থায়ী প্ৰতিৰোধ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ উপৰি গোলাঘাট জিলাৰ উত্তৰ অংশক ব্ৰহ্মপুত্ৰৰ বানৰ ৰক্ষা কৱচ নেঘেৰিটিং বংকোৱাল মথাউৰি শোচনীয় অৱস্থাত থকাত সভাই উদ্বেগ কৰি এই গুৰুত্বপূৰ্ণ মথাউৰিটো উন্নত কৰি পকীকৰণেৰে বৃহত্তৰ বানপীড়িত অঞ্চলৰ ৰাইজৰ যাতায়তৰ সুবিধা কৰিবলৈ অসম চৰকাৰৰ জলসম্পদ বিভাগ আৰু গড়কাপ্তানি বিভাগক অনুৰোধ জনায় প্ৰস্তাৱ লয়। গোলাঘাট জিলাৰ কৃষি প্ৰধান ব্ৰহ্মপুত্ৰ অঞ্চলৰ কৃষক ৰাইজৰ সুবিধাৰ বাবে এই অঞ্চলটোক কৃষি মহকুমা হিচাপে ঘোষণা কৰিবলৈও সভাই দাবী জনাই। একেদৰে, ১৯৬০ চনৰ আগে পিছে মথাউৰি বান্ধে ব্ৰহ্মপুত্ৰ সংলগ্ন সুঁতি উৎস যোৰহাট জিলাৰ ককিলামুখত বন্ধ কৰি দিয়া দিঁচৈ নদীখনে জীৱন্ত ৰূপ হেৰুৱালেও মূল ব্ৰহ্মপুত্ৰৰ তলি সমান্তৰালত থকাত প্ৰায় ৩০ কি.মি. দূৰ গোলাঘাট জিলাৰ মাজেৰে নিগৰি ওলোৱা পানীৰে বাৰ মাহেই বৈ আছে। পৰিতাপৰ কথা যে নদীখন দেৰগাঁৱৰ দীঘলীপামলৈ যোৰহাট জিলা অংশত মৎস্য উৎপাদনৰ বাবে পুখুৰী খান্দি বন্ধ কৰি দিলে। বাঁহগুৰি পৰা প্ৰৱাহওমান হৈ থকা দিঁচৈ ব্যাপক পুখুৰী খান্দি নদীখন সংকুচিত কৰি ভৱিষ্যৎ অস্তিত্বৰ প্ৰতি ভাবুকি আনিছে। যোৰহাট আৰু গোলাঘাট জিলাৰ জীৱন ৰেখা স্বৰূপ দিঁচৈ নদীক বেদখল মুক্ত কৰি সংৰক্ষণ, নিষ্কাষণ আৰু খনন কৰি নদীখনক জৈৱ বৈচিত্যপূৰ্ণ সৌন্দৰ্যবৰ্ধন কৰিবলৈ অসম চৰকাৰক গোলাঘাট জিলা সাংবাদিক সংস্থাৰ অধিবেশনৰ মুকলি সভাই অনুৰোধ জনায়। দেৰগাঁৱঁত ১৯৩৪ চনত মহাত্মা গান্ধীৰ ঐতিহাদিক পদাৰ্পন হোৱা বাপুজী মন্দিৰৰ লগতে গান্ধীৰ স্মৃতিত মণ্ডপ আৰু সংলগ্ন চৰকাৰী পুখুৰীৰ সৌন্দৰ্যবৰ্ধন আঁচনি গ্ৰহণ কৰিবলৈকো সভাই চৰকাৰক অনুৰোধ জনায় প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯৪৬ চনত স্থাপিত জ্ঞানপীঠ বঁটা বিজয়ী কবি নীলমণি ফুকনৰ স্মৃতি বিজড়িত আজাদ পুস্তকালয়ক চৰকাৰীকৰণ কৰাৰ লগতে অত্যাধুনিক সাসুবিধাৰে নীলমণি ফুকনৰ পবিত্ৰ স্মৃতিত ভৱন নিৰ্মাণ কৰিবলৈ অনুদান আগবঢ়াবলৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয় আৰু নুমলীগড় তেল শোধনাগাৰ কৰ্তৃপক্ষক সভাই অনুৰোধ জনোৱাৰ লগতে ব্ৰহ্মপুত্ৰ অঞ্চলৰ পৰিব্ৰাজক পক্ষী বিচৰণৰ আকৰ্ষণীয় থলি গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা থকা গড়মৰা জলাশয় পথাৰক পক্ষী সংৰক্ষিত জলাশয় ৰূপে ঘোষণা কৰিবলৈ অসম চৰকাৰক অনুৰোধ জনায় মুকলি সভাই অন্য এটি প্ৰস্তাৱো গ্ৰহণ কৰে। জিলা সাংবাদিক সংস্থাৰ অধিবেশনত লোৱা এনেধৰণৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সমূহৰ প্ৰতি চৰকাৰ-কৰ্তৃ পক্ষই ইতিবাচক সহাৰী জনালে জিলাখনৰ ৰাইজে যে সন্তুষ্টি প্ৰকাশ কৰিব সেইয়া নিশ্চিত।

# ডিব্ৰুগড়ত মইনা পাৰিজাতৰ নতুন সমিতি গঠন; শতাধিক বিষয়ববীয়াৰ অংশগ্ৰহণ

**অসম বাৰ্তা, ডিব্ৰুগড়, ১৬ জুন ঃ** যোৱা ১৪ জুন তাৰিখ দেওবাৰে লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ পাৰিষদ এখনি সভা অনুষ্ঠিত হয়। জিলা সভাপতি পৱিত্ৰ চুটীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৩খন আঞ্চলিক ক্ৰমে ডিব্ৰুগড়, চাবুৱা আৰু নাহৰকটীয়াৰ লগতে কেবাখনো শাখা মইনা পাৰিজাতৰ শতাধিক বিষয়ববীয়াই অংশগ্ৰহণ কৰে। সভাত ২০২৩-২৫ বৰ্ষৰ তিনি বছৰীয়া কাৰ্যকালৰ জিলা সম্পাদিকা মামনি শৰ্মাই প্ৰতিবেদন দাখিলৰ লগতে সম্পাদকীয় প্ৰতিবেদন আৰু বিত্তীয় প্ৰতিবেদন পাঠ গ্ৰহণ আৰু গৃহীত কৰা হয়। ইয়াৰ পাচতেই বিষয় বাছনি সভাই সদৌ অসম মইনা পাৰিজাতৰ দ্বাৰা প্ৰেৰিত পৰ্যৱেক্ষকদ্বয় মোহন দত্ত আৰু সৌৰভ দেৱগোস্বামীৰ উপস্থিতিত নতুন বৰ্ষৰ বাবে ৰঞ্জন দত্তক সভাপতি ভূপেন কুমাৰ দাসক কাৰ্যকৰী সভাপতি আৰু মামনি শৰ্মাক সম্পাদক হিচাপে লৈ এখনি ২০২৬-২৮ বৰ্ষৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে।

ডিলকাবস্তিত বনৰীয়া হাতীয়ে ভাঙিলে বাসগৃহ; বিফল বন বিভাগ

# চামগুৰিৰ গ্ৰামাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুন ঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত স্থানীয় ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলত সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ এক নং ভৰাগুৰি, দুই নম্বৰ ভৰাগুৰি, পদুমণি, ডিলকাবস্তি আদি অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বাসগৃহ, পাকঘৰ, গোঁসাইঘৰ, ভঁৰালঘৰ আদি ভাঙি লণ্ড-ভণ্ড কৰিছে। আজি বিয়লি ডিলকাবস্তিত বনৰীয়া হাতীৰ এটা দলে কালাপাহাৰ ওৰাং, বগলী ওৰাং আৰু ৰাতিয়া মুৰাৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত বন বিভাগৰ লোক আহি বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰে যদিও বিফল হয়। ইয়াৰ পূৰ্বেও বনৰীয়া হাতীয়ে চামগুৰিৰ গ্ৰামাঞ্চলত বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্টসাধন কৰি আহিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বৰ্তমান বনৰীয়া হাতীয়ে বাৰীৰ কঁঠাল, কলগছ, নাৰিকল গছ আদি খাই তহিলং কৰিছে। দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি বিয়লি পৰা পুৱতি নিশা পৰ্যন্ত গএগ্ৰা ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। উল্লেখ্য যে, চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বনৰীয়া হাতীয়ে প্ৰতিবছৰেই উপদ্ৰৱ চলাই বহুলোকৰ ভঁৰালঘৰ, পাকঘৰ, বাসগৃহ আদি ভাঙি লণ্ড-ভণ্ড কৰি আহিছে যদিও বন বিভাগৰ তৰফৰ পৰা উপযুক্ত ক্ষতিপূৰণ পোৱা নাই বুলি অভিযোগ উঠিছে। বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চলত সমূহত মাজে সময়ে বন বিভাগৰ লোক আহি বম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয় বুলি অভিযোগ উঠিছে। বন বিভাগে এইক্ষেত্ৰত উচিতব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে বুলি অভিযোগ উঠিছে। স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে জিলা প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# শনিবাৰে বিশ্বনাথত নৱগঠিত সাংবাদিক সকলৰ উমৈহতীয়া সংগঠন বিশ্বনাথ প্ৰেছ গিল্ডৰ সাধাৰণ সভা অনুষ্ঠিত

**অসম বাৰ্তা, জিনজিয়া, ১৬ জুন ঃ** শনিবাৰে বিশ্বনাথত নৱগঠিত সাংবাদিক সকলৰ অন্যতম উমৈহতীয়া সংগঠন বিশ্বনাথ প্ৰেছ গিল্ডৰ অন্যতম গুৰুত্বপূৰ্ণ সাধাৰণ সভাখনি বিশ্বনাথ চাৰিআলিৰ পৌৰসভাস্থিত সভাগৃহত অনুষ্ঠিত হয়। জয়ন্ত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে সম্পাদক জগতাৰ সিঙে। সভাত সংগঠনৰ সংবিধান, ল'গ' আৰু পতাকা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। সভাত উপদেষ্টা ক্ৰমে হেমন্ত শইকীয়া, ভাস্কৰ জ্যোতি বৰা, কল্পনা ভূএগ্ৰা, মাতু হাজৰিকা, যজ্ঞেশ্বৰ বৰুৱাই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ তথা পৰামৰ্শ আগবঢ়ায়। ইফালে, সভাই আগন্তুক কাৰ্যকালৰ বাবে পূৰ্ণাংগ সমিতিখন গঠন কৰে। সভাই সৰ্বসন্মতিক্ৰমে দিগন্ত শইকীয়াক কাৰ্যকৰী সভাপতি, শান্তনু চমুৱাক যুটীয়া সহকাৰী সম্পাদক, কুৰ্বেশ্বৰ মাৰানডীক কোষাধ্যক্ষ, সঞ্জয় ৰামচিয়াৰী, অমিত টচা, ৰুবেন মহন্তক সাংগঠনিক সম্পাদক, ছয়নিকা ডেকা আৰু অম্লান কাশ্যপ সাহাক প্ৰচাৰ সম্পাদক, কাৰ্যকৰী সদস্য হিচাপে ভূচিত্ৰ ডাধৰা, প্ৰাঞ্জল প্ৰতীম কাশ্যপ, বিশাল দাস, নিৰঞ্জন দাস, নাৰ্চন দৈমাৰী, মিণ্টু বৰা দীপু কলিতা, তাজেন ৰিজাল, প্ৰদীপ স্বৰ্গিয়াৰী আদিক মনোনীত কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত ৰাজহুৱা সভাত বিশ্বনাথ প্ৰেছ গিল্ডৰ সভাপতি হিচাপে জয়ন্ত বৰুৱা, উপ সভাপতি গোলাম ৰচুল আলী জলহা, সম্পাদক জগতাৰ সিঙ আৰু সহকাৰী সম্পাদক তুষাৰ হাজৰিকাক দায়িত্বভাৰ অৰ্পণ কৰিছিল। সভাত অতি সোনকালে এটি অস্থায়ী কাৰ্যালয়ৰ লগতে আগন্তুক কৰ্মপন্থা সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়।

# ঢেকীয়াজুলিৰ ঘোষ ইণ্ডাষ্ট্ৰীত বিধ্বংসী অগ্নিকাণ্ড; প্ৰায় ১.৫ কোটি টকাৰ সম্পত্তি ভস্মীভূত

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৬ জুন ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি পৌৰসভাৰ ১০ নং ৱাৰ্ডস্থিত ঘোষ ইণ্ডাষ্ট্ৰীত আজি পুৱতি নিশা সংঘটিত হোৱা এক বিধ্বংসী অগ্নিকাণ্ডই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্য আৰু আতংকৰ সৃষ্টি কৰে। নিশাৰ নিস্তব্ধতা ভংগ কৰি হঠাতে উদ্যোগটোৰ ভিতৰৰ পৰা জুইৰ লেলিহান শিখা আৰু ধোঁৱাৰ কুণ্ডলী আকাশমুখী হোৱাত স্থানীয় লোকসকল আতংকিত হৈ পৰে। প্ৰত্যক্ষদৰ্শীসকলৰ মতে আজি পুৱতি নিশাৰ সময়ছোৱাত উদ্যোগটোৰ পৰা অস্বাভাৱিক ধোঁৱা ওলোৱা দেখা যায়। কিছু সময়ৰ ভিতৰতে জুইয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰি উদ্যোগটোৰ এটা বৃহৎ অংশ আগুৰি ধৰে। জুইৰ তীব্ৰতা ইমানেই বেছি আছিল যে বহু দূৰৰ পৰাও লেলিহান শিখা দেখা গৈছিল। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে স্থানীয় ৰাইজে তৎপৰতাৰে অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু প্ৰশাসনক অৱগত কৰে। খবৰ পোৱাৰ পিছতে অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপনৰ অভিযান আৰম্ভ কৰে। স্থানীয় লোকসকলেও অগ্নিনিৰ্বাপক বাহিনীক সহযোগিতা আগবঢ়ায়। দীঘলীয়া সময় ধৰি চলা প্ৰচেষ্টাৰ অন্তত অৱশেষত জুই নিয়ন্ত্ৰণলৈ অনা সম্ভৱ হয়। জুই অধিক বিস্তাৰ লাভ কৰিলে কাষৰীয়া ঘৰ-বাৰী আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহো ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা আছিল বুলি স্থানীয় লোকসকলে প্ৰকাশ কৰে। অগ্নিকাণ্ডত উদ্যোগটোৰ ভিতৰত মজুত কৰি ৰখা বহু ইলেক্ট্ৰনিক মূল্যৱান সামগ্ৰী, প্ৰস্তুত সামগ্ৰী, আধুনিক যন্ত্ৰপাতি, বৈদ্যুতিক সঁজুলি আৰু অন্যান্য সা-সৰঞ্জাম সম্পূৰ্ণৰূপে ভস্মীভূত হয়। প্ৰাথমিকভাৱে প্ৰাপ্ত তথ্য অনুসৰি এই অগ্নিকাণ্ডত প্ৰায় ১ কোটি ৫০ লাখ টকাৰো অধিক সম্পত্তিৰ ক্ষতি হোৱা বুলি অনুমান কৰা হৈছে। যদিও চৰকাৰীভাৱে ক্ষয়-ক্ষতিৰ সঠিক হিচাপ এতিয়াও প্ৰকাশ কৰা হোৱা নাই, তথাপি উদ্যোগটোৰ ক্ষতি যথেষ্ট ডাঙৰ বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই। অৱশ্যে বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই জুইৰ সূত্ৰপাত হ'ব পাৰে বুলি প্ৰাথমিকভাৱে সন্দেহ প্ৰকাশ কৰা হৈছে। ঘটনাৰ পিছতে আৰক্ষী, অগ্নিনিৰ্বাপক বিভাগ আৰু সংশ্লিষ্ট প্ৰশাসনিক কৰ্তৃপক্ষই ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে এই ভয়ংকৰ অগ্নিকাণ্ডত কোনো লোক হতাহত বা আঘাতপ্ৰাপ্ত হোৱা নাই, যিটো এক স্বস্তিৰ বিষয়। কিন্তু উদ্যোগটোৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ ফলত মালিক পক্ষৰ লগতে স্থানীয় ব্যৱসায়িক মহলৰ মাজতো উদ্বেগৰ সৃষ্টি হৈছে। বৰ্তমান ক্ষয়-ক্ষতিৰ পূৰ্ণাংগ মূল্যায়ন আৰু তদন্তৰ কাম অব্যাহত আছে। এই ঘটনাই অঞ্চলটোত অগ্নি-নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাক পুনৰবাৰ উত্থাপন কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com মʼবাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন